www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যদি তুমি সূৰ্যৰ দৰে জিলিকিব বিচৰা, প্ৰথমে সূৰ্যৰ দৰে জ্বলা হ'ব লাগিব।
— ড° এ.পি.জে. আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ২৫৫ ❑ শনিবাৰ ❑ ২৫ জুলাই, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 255 ❑ Saturday ❑ 25th July, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

### শিৱসাগৰ-যোৰহাট-চৰাইদেউলৈ পশু চিকিৎসকৰ বিশেষ দল

# বানৰ তাণ্ডৱত ৭২৫টা পশুধনৰ মৃত্যু



১০০০ৰো অধিক লোকক উদ্ধাৰ ঃ অব্যাহত আছে সাহায্য বিতৰণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** উজনি অসমৰ কেইবাখনো জিলাত বানপানীৰ পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। মহাপ্ৰলয়ৰ দৰে অহা এই বানপানীয়ে ইতিমধ্যে ৪৭ গৰাকী মানুহৰ প্ৰাণ কাঢ়ি নিছে। বিশেষকৈ শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ-এই তিনিখন বান বিধ্বস্ত জিলাত গৰু, ছাগলীকে ধৰি বহু পশুধন উটি গৈছে বা আঘাতপ্ৰাপ্ত হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত পশুপালন, পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰি প্ৰয়োজনীয় পদক্ষেপসমূহৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে। মঙলৈত অনুষ্ঠিত এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জনোৱা মতে, বানত প্ৰভাৱিত উক্ত তিনিখন জিলাৰ মুঠ ৰ, ৮৬৫খন গাঁৱৰ প্ৰায় ২৮, ৪১৮টা পশুধনৰ চিকিৎসা ইতিমধ্যে সম্পন্ন কৰা হৈছে। কিন্তু এই বিশাল ধ্বংসলীলাৰ ❑ ৬ পৃষ্ঠাত

## অসমৰ বান ৰাষ্ট্ৰীয় সমস্যাক কেন্দ্ৰীয় কেবিনেটত উত্থাপন

### কেন্দ্ৰীয় দলে প্ৰতিবেদন দাখিল কৰাৰ পাছত বিশেষ আৰ্থিক সাহায্য পেকেজ ঘোষণা কৰিব চৰকাৰে



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** অসমৰ শেহতীয়া ভয়াবহ বান পৰিস্থিতি সম্পৰ্কে কেন্দ্ৰীয় কেবিনেট বৈঠকত গুৰুত্বপূৰ্ণভাৱে আলোচনা কৰা হৈছে আৰু অতি সোনকালেই দিল্লীৰ পৰা এখন উচ্চস্তৰীয় কেন্দ্ৰীয় প্ৰতিনিধি দল অসমলৈ প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বুধবাৰে নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত তেওঁ এই কথা প্ৰকাশ কৰে। সোণোৱালে কয় যে বানপানীৰ ফলত ৰাজ্যৰ ৰখন জিলাত ৭ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে আৰু এই দুৰ্যোগত এতিয়ালৈকে ৪৭ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। মৃতসকলৰ পৰিয়াললৈ তেওঁ গভীৰ শোক আৰু সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যজুৰি উদ্ধাৰ আৰু ❑ ৬ পৃষ্ঠাত

## উজনি অসমত বানাক্ৰান্তক উদ্ধাৰ অভিযানত নামি পৰিছে সেনাবাহিনী

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৪ জুলাই ঃ** উজনি অসমৰ তিনিখন জিলা ক্ৰমে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত বানপানীৰ বিভীষিকা কমাৰ দিশে যদিও এতিয়াও বহু দুৰ্গম অঞ্চলত বালি আৰু পানীৰ মাজত আৱদ্ধ হৈ আছে অসহায় লোকসকল। এনে জটিল সময়তে বানাক্ৰান্তৰ বাবে ত্ৰানকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হৈছে ভাৰতীয় সেনা। ❑ ৬ পৃষ্ঠাত



## নাজিৰাৰ ৫০ হাজাৰ, শিৱসাগৰৰ ৩০ হাজাৰ লোকৰ সৈতে এতিয়াও চৰকাৰৰ যোগাযোগ নাই ঃ মুখ্যমন্ত্ৰী

### বৰষুণৰ বাবেই উজনিত অভূতপূৰ্ব বান ঃ ৬০ হাজাৰ পৰিয়াল বিদ্যুৎবিহীন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** অসমৰ বান পৰিস্থিতি এতিয়াও ভীষণ ৰূপ ধাৰণ কৰি আছে। শুকুৰবাৰে সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিয়ে যে নাজিৰাত প্ৰায় ৫০ হাজাৰ আৰু শিৱসাগৰত ৩০ হাজাৰ লোকলৈ এতিয়াও চৰকাৰী প্ৰশাসনৰ যোগাযোগ পাব



পৰা নাই। ভয়ংকৰ বানপানীয়ে উজনি অসমৰ এক বৃহৎ অংশ সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰি ৰখাৰ ফলত এই অঞ্চলসমূহ দুৰ্গম হৈ পৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই প্ৰাকৃতিক দুৰ্যোগক অভূতপূৰ্ব বুলি অভিহিত কৰি স্পষ্টকৈ কয় যে এইবাৰ নদীৰ পানী বৃদ্ধিৰ বাবে নহয়, বৰঞ্চ অতিমাত্ৰা বৰষুণৰ বাবেই এই ভয়াৱহ বান পৰিস্থিতিৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে এই বানপানীৰ গাম্ভীৰ্য্য কেন্দ্ৰীয় চৰকাৰেও অনুধাৱন কৰিছে আৰু ❑ ৬ পৃষ্ঠাত

## সমষ্টিৰ ৰাইজৰ কাষত নাথাকি বিধানসভাত অখিল গগৈ

### বানপানীৰ সংকটকালত অখিল গগৈৰ ৰাজনীতিক লৈ কংগ্ৰেছ বিধায়কৰ সমালোচনা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** শুকুৰবাৰে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ একাদশ দিনা সদনৰ বাহিৰত সংবাদ মাধ্যমৰ সন্মুখত কংগ্ৰেছৰ জ্যেষ্ঠ বিধায়ক জাকিৰ হুছেইন শিকদাৰে শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ ❑ ৬ পৃষ্ঠাত

### বান বিধ্বস্ত তিনি জিলাৰ বাবে অতিৰিক্ত পুঁজি ঘোষণা

# যোৰহাটলৈ ১ কোটি, শিৱসাগৰ আৰু চৰাইদেউলৈ ৪ কোটিকৈ পুঁজি

### চাউলৰ আৱণ্টন বৃদ্ধি আৰু বিশেষ সাহায্য পেকেজো ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** অসম বিধানসভাৰ বাজেট অধিৱেশনৰ একাদশ দিনা শুকুৰবাৰে প্ৰশ্নোত্তৰ কালত উজনি অসমৰ তিনিখন বান বিধ্বস্ত জিলালৈ অতিৰিক্ত আৰ্থিক সাহায্য মুকলি কৰাৰ কথা ঘোষণা কৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই। কোনো কালেও কল্পনা কৰিব নোৱাৰা অভাৱনীয় বৰষুণ আৰু তাৰ পিছত কালান্তক ৰূপ ধাৰণ কৰা প্ৰলয়ংকাৰী বানপানীয়ে নিমিষতে ধ্বংসস্তূপত পৰিণত কৰা যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বান পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। বৰঞ্চ দিন যোৱাৰ লগে লগে এই তিনিখন জিলাৰ পৰিস্থিতি অধিক জটিল হৈ পৰিছে। বালি আৰু বোকাই পুতি পেলোৱা ঘৰ, পথাৰ আৰু চৌহদবোৰে অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰাৰ প্ৰতিফলন ঘটাইছে। বিধায়ক নুৰুল ইছলামৰ উত্থাপিত প্ৰশ্নৰ আঁত ধৰি বিধায়ক জাকিৰ হুছেইন শিকদাৰে কৰা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী কেশৱ মহন্তই সদনত জনায় যে ❑ ৬ পৃষ্ঠাত



## নলবাৰীত আৰম্ভ হ'ল ৪৭ সংখ্যক আন্তঃজিলা এথ্‌লেটিক্‌ছ চেম্পিয়নশ্বিপ

### ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উদ্বোধন ১১৫০ গৰাকী খেলুৱৈৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** শুকুৰবাৰে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নলবাৰীৰ সৰিয়হতলীস্থিত জিলা ক্ৰীড়া প্ৰকল্প চৌহদত ৪৭ সংখ্যক আন্তঃজিলা এথলেটিকছ চেম্পিয়নশ্বিপ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আজিৰ পৰা আৰম্ভ হোৱা এই তিনিদিনীয়া প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা



প্ৰায় ১, ১৫০ গৰাকী জুনিয়ৰ আৰু ছিনিয়ৰ এথলেটে অংশগ্ৰহণ কৰিছে। খেলুৱৈসকলে অহা তিনিদিন নিজ নিজ শাখাত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ ❑ ৬ পৃষ্ঠাত

## ভাৰতকে ধৰি ৬০খন দেশৰ ওপৰত পুনৰ শুল্কাৰোপ আমেৰিকাৰ

### ভাৰতসহ ১৭খন দেশত ১০'%আৰু বাকী ৫০খন দেশত ১২.৫' শুল্ক

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** ভাৰতকে ধৰি মুঠ ৬০খন দেশৰ ওপৰত পুনৰ শুল্ক জাপি দিছে আমেৰিকাই। বন্ধোৱা শ্ৰমিকৰ প্ৰসংগ উত্থাপন কৰি ট্ৰাম্প প্ৰশাসনে এই সিদ্ধান্ত লৈছে। আজি আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি জেমছন গ্ৰীৰে ১৯৭৪ চনৰ বাণিজ্য আইনখনৰ ৩০১ নং ধাৰা অনুসৰি এই নতুন শুল্ক ঘোষণা কৰে। আমেৰিকাই আমদানি কৰা সামগ্ৰীৰ ওপৰত ১০ৰ পৰা ১২.৫ শতাংশ হাৰত নতুন কৰ আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে সকলো দেশৰ ওপৰত ❑ ৬ পৃষ্ঠাত

### ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী মানি লোৱা নাই কেন্দ্ৰই

## প্ৰশ্নকাকত ফাদিল প্ৰসংগত চৰকাৰ-চিজেপিৰ বৈঠক বিফল

### ক্ষতিপূৰণ আৰু গোচৰ উঠাই লোৱাৰ দাবীত সহমত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** প্ৰশ্নকাকত ফাদিলৰ ঘটনাক লৈ কেন্দ্ৰীয় চৰকাৰ আৰু ক'কৰোচ্ছ জনতা পাৰ্টীৰ মুখপাত্ৰৰ মাজত শুকুৰবাৰে অনুষ্ঠিত উচ্চস্তৰীয় বৈঠকত কোনো চূড়ান্ত সিদ্ধান্ত নোলোৱাকৈ আলোচনা সমাপ্ত হয়। কনষ্টিটিউচন ক্লাবত মাত্ৰ দহ মিনিটীয়া এই বৈঠকত কিছুমান বিষয়ত সহমতৰ সংকেত পোৱা গ'লেও কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীটোৰে পথৰ ❑ ৬ পৃষ্ঠাত

## প্ৰশ্নকাকত ফাদিল হ'লেই কঠোৰ শাস্তি ! কেন্দ্ৰীয় কেবিনেটৰ নতুন বিধেয়কত অনুমোদন

### প্ৰধানমন্ত্ৰী মোদীৰ ঘোষণাৰ পিছতে কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** প্ৰশ্নকাকত ফাদিল কৰি ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা দুষ্টচক্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু হৈছে কেন্দ্ৰীয় চৰকাৰ। বৃহস্পতিবাৰে নিশা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' বাৰ্তাৰ যোগে ঘোষণা কৰে ❑ ৬ পৃষ্ঠাত




### আইনী ব্যৱস্থা গ্ৰহণৰো সিদ্ধান্ত

## নীট প্ৰশ্নকাকত ফাদিল প্ৰসংগত এনটিএৰ ৪৭ গৰাকী বিষয়াক বৰ্খাস্ত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ বিতৰ্কিত ঘটনাক লৈ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা (এনটিএ)য়ে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। শেহতীয়াকৈ প্ৰকাশ পোৱা তথ্য অনুসৰি, প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ সৈতে জড়িত ৪৭ গৰাকী ❑ ৬ পৃষ্ঠাত

## নাগালেণ্ডত ৫০০ শতাংশ অধিক বৃষ্টিপাত অসমৰ বানপানীৰ মূল কাৰণ

### শিৱসাগৰৰ ২০ শতাংশ আৰু নাজিৰাৰ ৩০ শতাংশ অঞ্চল প্ৰশাসনৰ যোগাযোগৰ বাহিৰত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** অসমৰ ২৫খন জিলাত বানপানীৰ তাণ্ডৱ চলি থকা পৰিপ্ৰেক্ষিতত শুকুৰবাৰে জিলা আয়ুক্তসকলৰ সৈতে অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকৰ পাছত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বান পৰিস্থিতিৰ গভীৰতা আৰু ইয়াৰ কাৰণ সম্পৰ্কে স্পষ্ট তথ্য আগবঢ়ায়। উজনি অসমৰ তিনিখন জিলাত প্ৰলয়ংকাৰী বানপানীৰ বলি হৈছে এতিয়ালৈকে ৪৭ গৰাকী লোক আৰু আন ৮ গৰাকী লোকক এতিয়াও ❑ ৬ পৃষ্ঠাত

## ২৬ দিনৰ অনশনৰ অন্ত পেলাই কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত অনশন ভংগ সোণম ৱাংচুকৰ

### ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে গোচৰ নতৰা, ক্ষতিপূৰণ আৰু সংসদত আলোচনাৰ আশ্বাস

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** শিক্ষা ব্যৱস্থাৰ সংস্কাৰ, পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ সুস্থ তদন্ত আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত অনিৰ্দিষ্টকালীন অনশন আৰম্ভ কৰা জলবায়ু কৰ্মী তথা বিশিষ্ট বিজ্ঞানী সোণম ❑ ৬ পৃষ্ঠাত



# বনজুইৰ কবলত স্পেইন-ফ্ৰান্স ঐতিহাসিক জৰুৰীকালীন অৱস্থা ঘোষণা

### কেপ ফেৰেটত অগ্নিকাণ্ডৰ ফলত ৬৩, ০০০ লোকৰ প্ৰব্ৰজন; ১০, ০০০ হেক্টৰ ভূমি পুৰি ছাই

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** সমগ্ৰ ইউৰোপৰ বিভিন্ন দেশে প্ৰচণ্ড গ্ৰীষ্মকালীন তাপদাহ আৰু উত্তাপজনিত বনজুইৰ সৈতে সংগ্ৰাম কৰি আছে। এই পৰিপ্ৰেক্ষিতত শুকুৰবাৰে স্পেইন চৰকাৰে ইতিহাসত প্ৰথমবাৰৰ বাবে বনজুইৰ ঘটনাক লৈ ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। জলবায়ু পৰিৱৰ্তনৰ চিহ্নস্বৰূপ এই অস্বাভাৱিক উত্তাপ বাবে স্পেইনৰ বিভিন্ন প্ৰান্তত লাগি থকা জুই সম্প্ৰসাৰিত হৈ অৰণ্য আৰু বসতিস্থলক গ্ৰাস কৰিছে, যাৰ ফলত চৰকাৰে সৰ্বোচ্চ সতৰ্কতা অৱলম্বন কৰিবলৈ বাধ্য হয়। আনফালে, আটলাণ্টিক মহাসাগৰৰ উপকূলীয় অঞ্চলত লাগি থকা বনজুইৰ জ্বালা নিয়ন্ত্ৰণ কৰিবলৈ ফ্ৰান্স চৰকাৰে ইউৰোপীয় ইউনিয়নৰ সহায় বিচাৰিছে। ফ্ৰান্সৰ এই উপকূলীয় অঞ্চলত লাগি থকা জুয়ে বৰ্তমান এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ গ্ৰীষ্মকালীন পৰ্যটনৰ বাবে বিখ্যাত কেপ ফেৰেট উপদ্বীপ অঞ্চলত জুই আৰু ধোঁৱা ঘৰ-দুৱাৰৰ নিচেই ওচৰলৈকে বিয়পি পৰাত ❑ ৬ পৃষ্ঠাত



## ইনষ্টাগ্ৰামত সক্ৰিয় হ'বলৈ মন্ত্ৰীসকলক প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান

### কেবিনেট বৈঠকত "ৰীলছ" তৈয়াৰ কৰি যুৱক-যুৱতীসকলৰ সৈতে যোগাযোগ ৰখাৰ পৰামৰ্শ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৪ জুলাই ঃ** শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীসকলক সামাজিক মাধ্যম, বিশেষকৈ



ইনষ্টাগ্ৰামত (Instagram) নিজৰ উপস্থিতি অধিক সক্ৰিয় কৰি তুলিবলৈ আৰু জনসম্পৰ্ক বৃদ্ধি কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসকলৰ ভিতৰত কেইগৰাকী সক্ৰিয়ভাৱে ইনষ্টাগ্ৰাম ব্যৱহাৰ কৰে বুলি সোধাৰ লগতে এই প্লেটফৰ্মটোত যুৱপ্ৰজন্মৰ ব্যাপক উপস্থিতিৰ ❑ ৬ পৃষ্ঠাত

# ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ ‘শৈক্ষিক বাৰ্তালাপ আৰু সম্বৰ্ধনা অনুষ্ঠান’ সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৪ জুলাই ঃ** ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ উদ্যোগত আৰু যুৱ-সংসদ উপ-সমিতিৰ তত্ত্বাৱধানত ২৩ জুলাইত ৰূপাই শাখা সাহিত্য সভাৰ ভৱনত এক শৈক্ষিক বাৰ্তালাপ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অসমৰ দুখনকৈ কালজয়ী গ্ৰন্থ ‘বুঢ়ী আই সাধু’ আৰু ‘মিৰি জীয়ৰী’ স্পেনিছ ভাষালৈ অনুবাদ কৰা দিল্লী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য তন্ময় সোণোৱাল অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে। আদৰণি সংগীত পৰিৱেশনৰে আৰম্ভ হোৱা সভাখন ৰূপাই শতদল শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। শাখাৰ তৰফৰ পৰা তন্ময় সোণোৱালক এখনি গামোছা, এটি কিতাপৰ টোপোলা আৰু এখনি অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত অভিনন্দন পত্ৰ পাঠ কৰে শাখাৰ প্ৰাক্তন সম্পাদক অনুপ কুমাৰ বৰদলৈয়ে। শাখাৰ উপ-সভাপতি বীনা দেৱী বৰদলৈ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকন, জিলাৰ আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিমলা বৰুৱা, মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি সুখেন নেওগ, যুৱ-সংসদ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি লক্ষ্মীমি নেওগ, প্ৰাক্তন জিলা কাৰ্যনিৰ্বাহক সদস্য জগন্নাথ সোণোৱাল, ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱা, অসম বিজ্ঞান সমিতি ডুমডুমা শাখাৰ সভাপতি ড° মীনা দেৱী বৰুৱা, সাহিত্যিক পেঞ্চনাৰ যতীন মৰাণ, বিশিষ্ট কবি ইন্দু দত্ত উজীৰ, সমাজসেৱক আশ্ৰাফুল হক চৌধুৰী, যুৱ কবি বিকিয়ান বাইলুং, শাখাৰ সদস্য-সদস্যাসকল ক্ৰমে জুনু মণি বৰা, দিপালী শইকীয়া, মালা বৰুৱা কাকতি, ৰুণুমণি দত্ত ভূঞা, টুটুমণি মৰাণ, হিৰণময়ী ঠাকুলী সোণোৱাল, সংগীতা চৌধুৰী, কবিতা শইকীয়া দাস, সীমা ফাটোৱালী, স্বৰ্ণলতা শইকীয়া, সুকন্যা দত্ত, সংগীতা বৰুৱা ডেকা, অজন্তা সোণোৱাল, সুৰঞ্জনা বৰুৱা দুৱৰা, ৰূপজ্যোতি আৰন্ধৰা, ৰাজু বৰুৱা, বীৰেন সোণোৱাল, জগত বৰগোহাঁই, মৃদুপৱন বৰা, অনন্ত বৰুৱা, অৰুণ চৌধুৰী, পদ্মন মহানন্দ, ৰঞ্জিত গগৈ, প্ৰভাত গগৈ, শিৱ সন্দিকৈ, গৌতম মেধি আদিকে কৰি বহু গণ্য মান্য ব্যক্তিয়ে সভাত অংশগ্ৰহণ কৰে। উপস্থিত সাহিত্য অনুৰাগী ব্যক্তিসকলৰ লগতে শিক্ষাৰ্থীসকলেও তন্ময় সোণোৱালৰ লগত পোনপটীয়া বাৰ্তালাপ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ৰূপাই জাতীয় বিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলো উপস্থিত থাকে। শিক্ষা সম্পৰ্কীয় তথ্য যেনে- বিদেশী ভাষাৰ অধ্যয়ন, দেশ-বিদেশত অধ্যয়নৰ বাবে থকা শিক্ষা জলপানি, বিদেশৰ বিশ্ববিদ্যালয়-মহাবিদ্যালত অধ্যয়ন কৰাৰ ব্যৱস্থা আদিৰ ওপৰত বাৰ্তালাপ কৰে। বিদেশী ভাষা অধ্যয়ন কৰাৰ বাবে তন্ময় সোণোৱাল কেনেদৰে প্ৰভাৱান্বিত হৈছিল, তেওঁৰ আগন্তুক দিনৰ পৰিকল্পনা আদিও ব্যক্ত কৰে। অসমীয়া সাহিত্যৰ আন এখন যুগমীয়া উপন্যাস অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেশ দাসৰ ‘‘ডাৱৰ আৰু নাই’’ উপন্যাসখনি স্পেনিছ ভাষালৈ অনুবাদ কৰিবলৈ হাতত লৈছেবুলি জানিবলৈ দিয়ে। তেওঁ সৰুতে সাধু কথাৰ কিতাপ পঢ়া আৰু দেউতাকৰ পৰা শুনা সাধু কথাৰ কথাও ৰোমন্থন কৰে। এই অনুষ্ঠানতেই তেওঁৰ পিতৃ তথা অৱসৰী বিক্ৰী কৰ বিষয়া ভোলা সোণোৱাল আৰু মাতৃ বন্তি সোণোৱালকো ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সভাত ভোলা সোণোৱালেও বক্তব্য ৰাখে। নতুনকৈ আজীৱন সভ্য গ্ৰহণ কৰা কল্পনা বৰগোহাঁই আৰু ডা: অনুপ কুমাৰ ডেকাক অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ প্ৰদান কৰা হয়। লগতে কেইবাগৰাকী নতুন সদস্যাই আজীৱন সভ্য পদ গ্ৰহণ কৰে। শাখাৰ সম্পাদকে শাখাখনৰ বৰ্তমানে থকা আজীৱন সভ্যৰ সংখ্যা ১৫০ গৰাকীৰ পৰা ২০০ লৈ উন্নীত কৰি শাখাখনৰ শক্তি বৃদ্ধি কৰিবলৈ নতুন সদস্যসকলক আহ্বান জনায়। আগন্তুক অসম সাহিত্য সভাৰ কেন্দ্ৰীয় শিশু দিৱসৰ অনুষ্ঠানটো ৰূপাই শাখা সাহিত্য সভাৰ আতিথ্যত ৰূপাইতে অনুষ্ঠিত কৰিবলৈ আৰু শাখাৰ উদ্যোগত ৫০খন গ্ৰন্থ প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলিও তেওঁ ব্যক্ত কৰে। এইক্ষেত্ৰত ৰাইজৰ আশীৰ্বাদ বিচাৰে। সভাৰ উদেশ্য ব্যাখ্যা আগবঢ়াই ৰূপাই শতদল শাখা সাহিত্য সভা সম্পাদক ৰাতুল গগৈয়ে আৰু শলাগৰ শৰাই আগবঢ়াই যুৱ-সংসদ উপ-সমিতিৰ আহ্বায়ক দৌলত সোণোৱালে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

## যোৰহাটৰ পৰা গ্ৰেপ্তাৰ পৰশুৰাম দাস, ১৫টা মোবাইল ফোন উদ্ধাৰ

# কমলাবাৰীৰ মোবাইলৰ দোকানত হোৱা চুৰিকাণ্ডৰ মূল অভিযুক্ত আৰক্ষীৰ জালত

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ জুলাই ঃ** মাজুলীৰ কমলাবাৰীত মোবাইলৰ দোকানত সংঘটিত হোৱা চাঞ্চল্যকৰ চুৰিকাণ্ডৰ মূল অভিযুক্তক অৱশেষত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে মাজুলী আৰক্ষী। যোৰহাট জিলাৰ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰহোজ গাঁৱত কালি অভিযান চলাই আৰক্ষীয়ে পৰশুৰাম দাস (ওৰফে অজিত) নামৰ অভিযুক্তজনক আটক কৰে। অভিযুক্তজনৰ কবলৰ পৰা ইতিমধ্যে ১৫টা মোবাইল ফোন উদ্ধাৰ কৰিছে আৰক্ষীয়ে। চুৰিকাণ্ডৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি, সেই দিশতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, চলিত মাহৰ ৭ জুলাইৰ নিশা মাজুলীৰ ব্যস্ত ব্যৱসায়িক কেন্দ্ৰ কমলাবাৰীৰ পানীৰাম কলিতা পেট্ৰ’ল ডিপোৰ সন্মুখত অৱস্থিত হেমন্ত দাসৰ ‘প্ৰভাতী ইলেকট্ৰনিকছ’ নামৰ মোবাইল মেৰামতি আৰু ইলেক্ট্ৰনিক সামগ্ৰীৰ দোকানত সংঘটিত হৈছিল এক দুঃসাহসিক চুৰিকাণ্ড। চোৰে দোকানখনৰ সন্মুখৰ কাঠৰ পাট্টা ভাঙি ভিতৰত প্ৰৱেশ কৰি বিক্ৰীৰ বাবে মজুত কৰি ৰখা নতুন মোবাইল ফোন, গ্ৰাহকে মেৰামতিৰ বাবে জমা থোৱা কেইবাটাও মোবাইল ফোন আৰু অন্যান্য ইলেক্ট্ৰনিক সামগ্ৰী চুৰি কৰি লৈ উধাও হৈছিল। ঘটনাটোত প্ৰায় ৫-৬ লাখ টকাৰ সামগ্ৰী চুৰি হোৱা বুলি দোকানৰ স্বত্বাধিকাৰীয়ে অভিযোগ উত্থাপন কৰিছিল। ঘটনাৰ পিছতে মাজুলী আৰক্ষীয়ে চিচিটিভি ফুটেজ, বিভিন্ন আলামত আৰু গোপন তথ্যৰ ভিত্তিত তদন্ত আৰম্ভ কৰে। তদন্তৰ অগ্ৰগতিত কালি যোৰহাট জিলাৰ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰহোজ গাঁৱত অভিযান চলাই পৰশুৰাম দাসক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ ভাষ্য অনুসৰি, চুৰিকাণ্ড সংঘটিত কৰাৰ পূৰ্বে অভিযুক্তজনে মাজুলীৰ ডেকাশেনচোৱা গাঁৱৰ এখন ঘৰত নিশাটো কটাইছিল। ইয়াৰ পূৰ্বেও একে গাঁৱৰ কৈলাস দাস নামৰ এজন যুৱকক এই চুৰিকাণ্ডৰ সৈতে জড়িত থকাৰ সন্দেহত মাজুলী আৰক্ষীয়ে আটক কৰিছিল। তদন্তৰ ভিত্তিত দুয়োৰে ভূমিকা সম্পৰ্কে আৰক্ষীয়ে অধিক তথ্য সংগ্ৰহ কৰি আছে। মাজুলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত পৰিদৰ্শক পোৱাল হাজৰিকাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলাই অভিযুক্তজনক আটক কৰে। আজি পুৱা নিমাতীঘাটৰ পৰা ফেৰীৰে অভিযুক্তজনক মাজুলীলৈ অনা হয়। আৰক্ষীয়ে অভিযুক্তজনৰ কবলৰ পৰা ১৫টা মোবাইল ফোন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ তথ্য অনুসৰি, পৰশুৰাম দাসৰ বিৰুদ্ধে যোৰহাট জিলাৰ পুলিবৰ আৰক্ষী থানাত পূৰ্বৰে পৰা একাধিক অপৰাধমূলক গোচৰ ৰুজু হৈ আছে। চুৰি হোৱা আন সামগ্ৰী উদ্ধাৰ, সামগ্ৰীৰ সঠিক মূল্য নিৰূপণ আৰু ঘটনাটোৰ সৈতে জড়িত আন ব্যক্তিৰ সন্ধানত মাজুলী আৰক্ষীৰ তদন্ত অব্যাহত আছে।

**NAME CORRECTION**

Sworn before Notary Public at Gohpur dated on 23-07-2026 that my actual and correct name is SRI GONA KOWAR, S/O: Koliya Kowar, R/O: Vill- Kakilaguri, P.O.- Kakila Chariali, P.S.- Gohpur, Mouza- Gohpur, Dist.- Biswanath, Assam, as recorded in my Aadhaar Card (No. 3844 9120 4139). But in land records covered by Dag No-111, Patta No-06, situated at Kakilaguri, my name has been wrongly recorded as SRI KONESWAR AHOM. Both names, GONA KOWAR and SRI KONESWAR AHOM, belong to one and the same person. Concerned authorities and the public are requested to take note accordingly.

AB-108/2026

## ভাৰতীয় ইতিহাস সংকলন সমিতি যোৰহাট শাখাৰ বানাক্ৰান্তলৈ খাদ্য-সামগ্ৰী প্ৰদান

**অসম বাৰ্তা, যোৰহাট, ২৪ জুলাই ঃ** ভাৰতীয় ইতিহাস সংকলন সমিতি যোৰহাট শাখাই আজি পশ্চিম ৰাজহ চক্ৰ অঞ্চলৰ চেঙেলীআতি এলেংমৰা খঙীয়া চুক আৰু সূতাৰ চুকত প্ৰায় ৮০টা বানাক্ৰান্ত পৰিয়ালৰ মাজত খাদ্যৰ তোপোলা আগবঢ়ায় দুখৰ সমভাগী হয়। অতি দুখ লগা পৰিস্থিতিত হৈ যোৱা বানে জুৰুলা কৰা পৰিয়াল বোৰৰ দুৰ্গতিৰ সীমা নাইকিয়া পৰিৱেশত ভাৰতীয় ইতিহাস সংকলন সমিতি যোৰহাট শাখাৰ এনে কাৰ্যক ৰাইজে প্ৰশংসা কৰে। সামান্য এটি খাদ্যৰ তোপোলা আগবঢ়ায় সংকলন সমিতি যোৰহাট জিলাৰ সভাপতি অসীম কুমাৰ বৰাই বিপদৰ সময়ত এইয়া কেৱল এশাৰী মাত বুলিহে উল্লেখ কৰে। যোৰহাট জিলা সমিতিৰ উপ-সভাপতি ড° ৰিমেন বৰদলৈ সমাজ কৰ্মী জগন্নাথ অগ্নি বৰা, মিনাক্ষী বৰা, উৎপাদন বৰা আৰু লখিমী বৰা আদি বহু কেইগৰাকী সদস্যাই এই কাৰ্যসূচীত সহযোগিতা আগবঢ়ায়। সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই পনী শুকাই যোৱা পাছত ডি ডি টি, ব্লিচিঙ আদি যোগান ধৰিবলৈ জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰে।

**NAME CORRECTION**

Sworn before Notary Public at Guwahati, Kamrup (M), dated 17-02-2026 that I, Smt. Champa Daimari, wife of Sri Nomal Daimari, daughter of Late Tarani Charan Kalita, resident of Ajanta Path, Beltola, Guwahati-781028, Kamrup (Metro), do hereby declare that Champa Kalita and Champa Daimari are one and the same person. My maiden name, before marriage to Sri Nomal Daimari, was Champa Kalita; after marriage, I adopted the surname Daimari. This may be relied upon as evidence that both names refer to the same individual.

AB-109/2026

# উত্তৰ গুৱাহাটীত তাল স্কুল অফ মিউজিকৰ উদ্যোগত দুদিনীয়া সংগীত কৰ্মশালাৰ শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৪ জুলাই ঃ** কামৰূপ জিলাৰ অন্তৰ্গত উত্তৰ গুৱাহাটীৰ প্ৰসিদ্ধ তাল স্কুল অফ মিউজিকৰ উদ্যোগত আয়োজিত দুদিনীয়া সংগীত কৰ্মশালাৰ ২৪ জুলাইত শুভাৰম্ভ হয়। শিলসাঁকোস্থিত উদিত লক্ষ্মী বিবাহ ভৱনত অনুষ্ঠিত এই কৰ্মশালা পুৱা ১০ বজাৰ পৰা আৰম্ভ হয়। অসমৰ বিশিষ্ট কণ্ঠশিল্পী বৰ্ণালী কলিতাই আনুষ্ঠানিকভাৱে কৰ্মশালাৰ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত প্ৰবাস বুঢ়াগোঁহাঁই, সাংবাদিক মুকুটেশ্বৰ গোস্বামীকে ধৰি বহু বিশিষ্ট ব্যক্তি, সাংস্কৃতিক জগতৰ লগত জড়িত ব্যক্তি, অভিভাৱক আৰু সংগীতপ্ৰেমী ৰাইজ উপস্থিত থাকে। সংগীতৰ বিভিন্ন দিশত শিক্ষাৰ্থীসকলক গুণগত প্ৰশিক্ষণ প্ৰদান কৰাৰ লক্ষ্যৰে আয়োজিত এই কৰ্মশালাত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সংগীতজ্ঞই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক মূল্যৱান দিহা-পৰামৰ্শ আগবঢ়ায়। কৰ্মশালাৰ প্ৰথম দিনটোত বিশিষ্ট কণ্ঠশিল্পী বৰ্ণালী কলিতাই কণ্ঠসংগীতৰ মৌলিক দিশসমূহ সহজ-সৰলভাৱে উপস্থাপন কৰি শিক্ষাৰ্থীসকলক সংগীত শিক্ষাৰ বিভিন্ন কৌশল বুজাই দিয়ে। তেখেতৰ সজীৱ আৰু ফলপ্ৰসূ প্ৰশিক্ষণে শিক্ষাৰ্থীসকলক বিষয়বস্তু সহজে আয়ত্ত কৰিবলৈ সহায় কৰে। ইয়াৰ পিছতে যশস্বী শিল্পী তথা Trinity College of Londonৰ স্বীকৃতিপ্ৰাপ্ত গাইড মাধুৰ্য বৰদলৈয়ে কণ্ঠসংগীতৰ বিভিন্ন কাৰিকৰী দিশ, নিয়মীয়া অনুশীলনৰ পদ্ধতি আৰু সংগীত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়ায়। আনহাতে, অসমৰ জনপ্ৰিয় Percussionist ৰাজা বৰুৱাই নিজৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ আধাৰত তাল, লয় আৰু বিভিন্ন বাদ্যযন্ত্ৰ বজোৱাৰ কৌশল হাতে-কলমে প্ৰদৰ্শন কৰি শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত TAAL School of Music-ৰ প্ৰশিক্ষক ছানী বুঢ়াগোঁহাঁই, পৰিস্মিতা শৰ্মা, দেৱজিৎ দাস আৰু বাবলা চৌধুৰীয়ে অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সংগীত চৰ্চাৰ প্ৰতি অধিক নিষ্ঠাৰে আগবাঢ়িবলৈ আহ্বান জনায়। আয়োজকসকলে জানিবলৈ দিয়ে যে, এই কৰ্মশালাৰ মূল লক্ষ্য হৈছে নতুন প্ৰজন্মৰ সংগীত প্ৰতিভাসকলক আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ সংগীত শিক্ষাৰ সৈতে পৰিচয় কৰাই দিয়াৰ জৰিয়তে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশত সহায় কৰা। উল্লেখযোগ্য যে, কৰ্মশালাৰ অন্তিম দিনটো ২৫ জুলাইত অসমৰ সংগীত জগতৰ বিশিষ্ট শিল্পী গৰিমা শইকীয়া গাৰ্গ, জুবলী বৰুৱা আৰু পাৰ্থ প্ৰতিম গোস্বামীকে ধৰি কেইবাগৰাকীও খ্যাতনামা সংগীত ব্যক্তিত্ব উপস্থিত থাকিব। তেওঁলোকে শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে সংগীত জীৱনৰ বিভিন্ন অভিজ্ঞতা ভাগ-বতৰা কৰিব। দেওবাৰে সংগীতপ্ৰেমী ৰাইজ, অভিভাৱক আৰু শিক্ষাৰ্থীসকলক এই বৰ্ণাঢ্য সংগীত কৰ্মশালাত উপস্থিত থাকিবলৈ তাল স্কুল অফ মিউজিকৰ তৰফৰ পৰা আন্তৰিক আহ্বান জনোৱা হৈছে।

## উন্মুক্ত ট্ৰেন্সফৰ্মাৰক লৈ শংকিত নলবাৰীৰ নিজ পকোৱাৰ তাঁতিপাৰাবাসী

# স্মাৰ্ট মিটাৰ হ’ল, কিন্তু বিভাগহে স্মাৰ্ট নহ’ল ঃ ৰূপক বৈশ্য

**অসম বাৰ্তা, চামতা, ২৪ জুলাই ঃ** স্মাৰ্ট মিটাৰ হ’ল, কিন্তু বিভাগহে স্মাৰ্ট নহ’ল। এই মন্তব্য প্ৰদান কৰিলে নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই। অসম শক্তি বিতৰণ কোম্পানী, অৰ্থাৎ এপিডিচিএলৰ একপ্ৰকাৰ হেমাহি তথা গুৰুত্বহীনতাৰ ফলশ্ৰুতিয়ে নলবাৰী জিলাৰ নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিৰ জনজীৱনলৈ ভাবুকি আনিছে। সম্পূৰ্ণ ২১ বছৰ ধৰি শিক্ষাক্ষেত্ৰখনৰ সমান্তৰালকৈ সামাজিক জীৱনত বিভিন্ন সময়ত সংস্কাৰমুখী বাৰ্তা প্ৰেৰণেৰে সদাব্যস্ত সচেতন ব্যক্তিসকলৰ ভিতৰৰ অন্যতম তথা চুবুৰিটোৰ স্থানীয় বাসিন্দা নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই এই মন্তব্য প্ৰদানেৰে বিভাগটোৰ দৃষ্টি আকৰ্ষণ কৰি সুফল আশাৰে আবেদন জনাইছে। বিগত প্ৰায় পাঁচবছৰ পূৰ্বে স্থানীয় একাংশ সচেতন লোকৰ বক্তব্যৰে ‘প্ৰতিবেদক লাইভ’যোগে এই সমস্যা দাঙি ধৰি এক প্ৰতিবেদন প্ৰকাশ কৰা হৈছিল। যাৰ ফলশ্ৰুতিত তাৎক্ষণিকভাৱে বিভাগীয় কৰ্তৃপক্ষই অস্থায়ী ব্যৱস্থা গ্ৰহণ কৰিয়েই সামৰিছিল। পৰৱৰ্তী সময়ত কংক্ৰিতৰ বেৰ দি চিৰস্থায়ী সমাধান কৰাৰ কথা দিয়া সত্ত্বেও বিভাগটোৱে আজিকোপতি একোনকৰাত পুনৰ এই প্ৰতিবেদনযোগে টানি অনুৰোধ জনাইছে। উল্লেখ্য যে, জিলাখনৰ পশ্চিম নলবাৰী অঞ্চলৰ পল্লাৰোড-বৰনৰ্দ্দী সংযোগী পথেৰে যাতায়ত কৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, কৃষক, পশুধন আদিৰ বাবে জীৱন-মৰণৰ অনাকাংক্ষিত ভয়ানক পৰিস্থিতিয়ে বহু বছৰ ধৰি চিন্তা পেলাই অহা পৰিলক্ষিত হৈছে। পশ্চিম নলবাৰী অঞ্চলৰ পাঁচ শতাধিক জনসংখ্যা থকা তাঁতিপাৰা চুবুৰিৰ ৰাজহুৱা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰৰ গাতে লাগি থকা উন্মুক্ত বিপদসংকুল ট্ৰেন্সফৰ্মাৰটোৱে বিপদ ঘটোৱাৰ আশংকা ব্যক্ত কৰিছে স্থানীয় ৰাইজে। আনহাতে, স্থানীয় বহুকেইখন গাঁৱৰ অসংখ্য লোক এই পথটোৰে দৈনিক অহা-যোৱা কৰে। কাৰণ গাঁওকেইখনৰ বাবে এইটো পল্লা ৰোড সংযোগী একমাত্ৰ মূল পথ। উল্লেখ্য যে, ট্ৰেন্সফৰ্মাৰটোৰ এফালে ৰাজহুৱা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ আৰু আনফালে ৰাজহুৱা দমক’ল। কণ কণ শিশুসকলে মন্দিৰটোৰ প্ৰাংগণত খেলা-ধূলা কৰে, য’ত অভিভাৱকসকলেও নিজৰ সন্তানৰ বিপদৰ কথা ভাবি দিনে-নিশাই শংকিত হৈ কটাবলগীয়া হৈছে। স্মৰ্তব্য যে, বিগত কিছু বছৰ পূৰ্বে বিষয়টোৰ সন্দৰ্ভত বিভাগীয়ভাৱে অৱগত কৰোৱা হৈছিল যদিও কেৱল বাঁহৰ বেৰ দি ট্ৰেন্সফৰ্মাৰটো অস্থায়ীভাৱে আৱৰিয়ে বিভাগে দায়িত্ব সামৰিলে। পৰৱৰ্তী সময়ত লোহাৰ স্থায়ী বেৰ দি বিপদমুক্ত কৰাৰ কথা দিয়াৰ পাছতো আজি পৰ্যন্ত এনেকৈয়ে বছৰৰ পাছত বছৰ ধৰি উন্মুক্ত হৈয়ে আছে। বাৰিষাৰ এই সময়ছোৱাত চুবুৰিবাসীয়ে হ’ব পৰা সম্ভাব্য বিপদৰ কথা চিন্তা কৰি যিকোনো সময়ত অঘটনৰ আশংকা ব্যক্ত কৰিছে। সেয়েহে, স্মাৰ্ট মিটাৰ হ’ল, কিন্তু বিভাগহে স্মাৰ্ট নহ’ল বুলি অধ্যক্ষ ৰূপক বৈশ্য সমন্বিতে সচেতন ৰাইজে ক্ষোভ প্ৰকাশ কৰি এই দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান কৰিবলৈ বিভাগলৈ টানি অনুৰোধ জনাইছে আৰু চুবিৰিৰ একমাত্ৰ আশা ভৰসাৰ অভিভাৱক হিচাপে স্থানীয় বিধায়ক অসমৰ জ্যেষ্ঠ প্ৰাক্তন কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ হস্তক্ষেপ বিচাৰি আবেদন জনাইছে। অসম শক্তি বিতৰণ কোম্পানীৰ গুৰুত্বহীনতা আৰু ভোঁকো-ভাওনাই সচেতন ৰাইজক শংকিত কৰি তুলিছে। পৰৱৰ্তী সময়ত বিভাগে তাৎক্ষণিকভাৱে এই সমস্যাটো সমাধান কৰেনে নকৰে সেয়াহে লক্ষণীয় হ’ব।

## অন্ত পৰিল বিশ্বনাথত ৯ দিনীয়া ৰথ যাত্ৰাৰ

**অসম বাৰ্তা, জিনজিয়া, ২৪ জুলাই ঃ** আজি বিশ্বনাথৰ ধৰ্ম্ম সালাৰ পৰা বাঘমাৰী জগন্নাথ মন্দিৰলৈ অনা হয় মহা প্ৰভুৰ ৰথ। ৯ দিন আগতে মহাপ্ৰভু জগন্নাথ, ভাতৃ বলভদ্ৰ, ভগ্নী সুভদ্ৰা মাহীয়েকৰ ঘৰলৈ গৈছিল সেইদিনাও ভক্তৰ আনন্দ উল্লাসৰ মাজত ৰথ ভাগ ধৰ্ম্ম শলাত থৈ আহিছিল আজি ওভতনি ৰথ যাত্ৰাৰ সময়ত নিজ বাঘমাৰী যুৱক সংঘৰ যুৱক সকলে ভক্ত সকলক সৰ্বত, পায়স আদিৰে আপ্যায়ন কৰা দেখা গল। পাঁচ হাজাৰ বছৰৰ পৰা চলি অহা এই ৰথ যাত্ৰা ভাগ ধৰ্মীয় ৰীতি নীতিৰে প্ৰতি বছৰে হাজাৰ হাজাৰ ভক্তই এনেদৰে আনন্দত মহাপ্ৰভুৰ গুণানুকীৰ্তন কৰি সমাপন কৰি আহিছে।

# গোসাঁইগাঁৱত আমছুৰ প্ৰতিবাদী কাৰ্য্যসূচী: দিল্লী আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে সৰৱ সংগঠন




**অসম বাৰ্তা, গোসাঁইগাঁও, ২৪ জুলাই ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছুৰ) পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আজি গোসাঁইগাঁৱত এক তীব্ৰ প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। দিল্লীৰ ছাত্ৰ-ছাত্ৰীৰ গণতান্ত্ৰিক আন্দোলনত দিল্লী আৰক্ষীয়ে চলোৱা বৰ্বৰ আক্ৰমণ আৰু অমানসিক অত্যাচাৰৰ তীব্ৰ প্ৰতিবাদ জনোৱাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবীত এই কাৰ্য্যসূচী হাতত লোৱা হয়। গোসাঁইগাঁৱৰ ছেৰফাংগুৰীস্থিত আমছুৰ জিলা সমিতিৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদস্থলীত সংগঠনটোৰ বিষয়ববীয়া আৰু শ শ সদস্যই বিভিন্ন চৰকাৰবিৰোধী শ্লোগান আৰু দাবী সম্বলিত প্লে’কাৰ্ড প্ৰদৰ্শন কৰে। প্ৰতিবাদকাৰীসকলে দেশৰ শিক্ষা অধিকাৰ সুৰক্ষিত কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ মৌলিক গণতান্ত্ৰিক অধিকাৰ অক্ষুণ্ণ ৰখাৰ বাবে জোৰদাৰ দাবী উত্থাপন কৰে। লগতে, ‘‘ঘৰে-ঘৰে শিক্ষা, তেতিয়াহে ৰক্ষা’’ শ্লোগানেৰে শিক্ষাৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰক অধিক দায়িত্বশীল হ’বলৈ আহ্বান জনায়। প্ৰতিবাদী কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি আমছুৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজোৱান আলীয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় ‘‘দিল্লী পুলিচৰ বৰ্বৰ আক্ৰমণত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত চলা অমানসিক অত্যাচাৰ অতিশয় নিন্দনীয়। আক্ৰমণ চলাওঁতে কোনো আৰক্ষী জোৱানৰ পোছাকত নাম বা নেইম প্লেট নাছিল- ইয়াৰ ৰহস্য কি? এই লুকাই থকা কাৰ্য আমছুৱে কেতিয়াও মানি নলয়। উক্ত প্ৰতিবাদৰ জৰিয়তে সংগঠনটোৰ নেতা-কৰ্মীসকলে দেশৰ বৰ্ধিত শৈক্ষিক আৰু আইনগত পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ তাৎক্ষণিক পদত্যাগ দাবী কৰে।

## আৰক্ষীক দেখি বেগ পেলাই পলাবলৈ চেষ্টা; খেদি-খেদি এজনক আটক

# মাজুলীত আৰক্ষীৰ অভিযানত ২.৮৬২ কিঃগ্ৰাম ওজনৰ সোণালী বৰণৰ দুখন নাও জব্দ

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ জুলাই ঃ** মাজুলীৰ মাজেৰে সীমান্তৱৰ্তী জিলাসমূহৰ পৰা অপৰাধজনিত কাৰ্যকলাপ চলি অহাৰ তথ্য লাভ কৰি থকাৰ সময়তে আজি গোপন সূত্ৰৰ ভিত্তিত মাজুলী আৰক্ষীয়ে চলোৱা এক অভিযানত সোণালী বৰণৰ দুখন সৰু নাও উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত এজন লোককো আৰক্ষীয়ে আটক কৰে। আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়া মতে, গোপন খবৰৰ ভিত্তিত অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়াৰ নেতৃত্বত গড়মূৰ আৰক্ষী থানা আৰু বালিচাপৰি আৰক্ষী চকীৰ এটা যুটীয়া দলে ধুনাগুৰি ঘাটৰ নৱনিৰ্মিত দলঙত নাকা তালাচী চলাই আছিল। সেই সময়তে AS-03-X-1412 নম্বৰৰ এখন স্কুটীৰে অহা এজন আৰোহীক আৰক্ষীয়ে ৰ’বলৈ সংকেত দিয়ে। কিন্তু আৰক্ষীৰ উপস্থিতি প্ৰত্যক্ষ কৰি আৰোহীজনে হাতত থকা এটা বেগ পেলাই ঘটনাস্থলীৰ পৰা পলায়নৰ চেষ্টা কৰে। লগে লগে আৰক্ষীৰ দলটোৱে তেওঁক খেদি গৈ আটক কৰে আৰু পেলাই থৈ যোৱা বেগটো উদ্ধাৰ কৰে। বেগটো তালাচী চলোৱাত ইয়াৰ ভিতৰত সোণালী বৰণৰ দুখন নাও উদ্ধাৰ হয়। আটকাধীন লোকজনে নিজকে যোৰহাটৰ চিনামৰা নিবাসী ৰফিক আলি বুলি আৰক্ষীক জানিবলৈ দিয়ে। আৰক্ষীৰ মতে, উদ্ধাৰ হোৱা নাও দুখনৰ এখনৰ ওজন ১.৫৪৪ কিলোগ্ৰাম আৰু আনখনৰ ওজন ১.৩১৮ কিলোগ্ৰাম। মুঠ ওজন ২.৮৬২ কিলোগ্ৰাম। অৱশ্যে উদ্ধাৰ হোৱা সামগ্ৰীসমূহ প্ৰকৃত সোণ নে ভুৱা সোণ, সেয়া এতিয়াও নিশ্চিত হোৱা নাই। সামগ্ৰীসমূহ বৈজ্ঞানিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। প্ৰাথমিক জেৰাত আটকাধীন ৰফিক আলিয়ে আৰক্ষীক দিয়া ভাষ্য অনুসৰি, লখিমপুৰ জিলাৰ বঙালমৰাৰ দুজন ব্যক্তিয়ে ধুনাগুৰি ঘাটত তেওঁৰ হাতত বেগটো তুলি দিছিল। সামগ্ৰীখিনি যোৰহাটলৈ লৈ যোৱাৰ কথা আছিল বুলিও তেওঁ আৰক্ষীক জানিবলৈ দিয়ে। আটকাধীন লোকজনৰ ভাষ্যৰ ভিত্তিত বঙালমৰাৰ পৰা এই সামগ্ৰী সৰবৰাহৰ সৈতে জড়িত চক্ৰটোৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উদ্ধাৰ হোৱা সামগ্ৰী প্ৰকৃত সোণ নে কোনো প্ৰৱঞ্চক চক্ৰই ব্যৱহাৰ কৰা ভুৱা সোণ, সেই সন্দৰ্ভতো আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল (SSB), ৰঙিয়াৰ উদ্যোগত বিনামূলীয়া বুনিয়াদী বিউটিচিয়ান পাঠ্যক্ৰমৰ শুভাৰম্ভ আৰু বুনিয়াদী চিলাই প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল সমাপ্তি



**অসম বাৰ্তা, মঙলদৈ, ২৪ জুলাই** ঃ শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ নেতৃত্বত ২৪ জুলাই ২০২৬ তাৰিখে নাগৰিক কল্যাণ কাৰ্যসূচীৰ অধীনত সীমান্তৱৰ্তী অঞ্চলৰ ২০ গৰাকী ছাত্ৰী আৰু মহিলাৰ বাবে আয়োজিত বুনিয়াদী চিলাই প্ৰশিক্ষণ কাৰ্যসূচীৰ সমাপ্তি অনুষ্ঠান আৰু সীমান্তৱৰ্তী অঞ্চলৰ ৩০ গৰাকী ছাত্ৰী আৰু মহিলাৰ বাবে বিনামূলীয়া বুনিয়াদী বিউটিচিয়ান প্ৰশিক্ষণৰ শুভাৰম্ভ অনুষ্ঠান কাৱলী অডিট'ৰিয়ামত আয়োজন কৰা হয়। উল্লেখযোগ্য যে, সীমান্তৱৰ্তী অঞ্চলৰ ২০ গৰাকী ছাত্ৰী আৰু মহিলাৰ বাবে ২৩ জুন ২০২৬ৰ পৰা ২২ জুলাই ২০২৬লৈকে বুনিয়াদী চিলাই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সমাপ্তি অনুষ্ঠান ২৪ নং বাহিনীৰ কমাণ্ডেণ্ট এইচ. কে. গুপ্তাৰ বক্তৃতাৰে সম্পন্ন কৰা হয়। এই প্ৰশিক্ষণত ভাৰত-ভূটান সীমান্ত অঞ্চলৰ ভাইব্ৰেণ্ট ভিলেজ আৰু আন সীমান্তৱৰ্তী গাঁৱৰ অংশগ্ৰহণকাৰীসকলক চিলাইৰ বৃত্তিমূলক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰাৰ পিছত সশস্ত্ৰ সীমা বলৰ কমাণ্ডেণ্ট এইচ. কে. গুপ্তা আৰু পৰিচালন প্ৰতিষ্ঠান কেৰিয়াৰ ইনফ' (চেণ্টাৰ কোড - NBCE0445), তামোলপুৰ, অসমৰ ফালৰ পৰা সকলো প্ৰশিক্ষণাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰিও, সীমান্তৱৰ্তী অঞ্চলৰ ৩০ গৰাকী ছাত্ৰী আৰু মহিলাৰ বাবে আয়োজিত বিনামূলীয়া বুনিয়াদী বিউটিচিয়ান পাঠ্যক্ৰমৰ শুভাৰম্ভ এইচ. কে. গুপ্তাৰ দ্বাৰা সম্পন্ন কৰা হয়। উদ্বোধনী অনুষ্ঠানত বাহিনীৰ বিষয়া-বৰ্গ, কেৰিয়াৰ ইনফ'ৰ পৰিচালক অমৰ সিং ব্ৰহ্ম, প্ৰশিক্ষকসকল আৰু স্থানীয় গাঁওবাসীসকল উপস্থিত আছিল। এই উপলক্ষে দিয়া ভাষণত কমাণ্ডেণ্ট এইচ. কে. গুপ্তাই সশস্ত্ৰ সীমা বলৰ বিভিন্ন দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে আলোকপাত কৰি কয় যে, সশস্ত্ৰ সীমা বল কেৱল দেশৰ সীমান্ত সুৰক্ষাৰ বাবেই প্ৰতিশ্ৰুতিবদ্ধ নহয়, সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা লোকসকলৰ সামাজিক আৰু আৰ্থিক সৱলীকৰণৰ বাবেও নিৰন্তৰভাৱে কাম কৰি আহিছে। তেওঁ কয় যে, এনে দক্ষতা বিকাশ আৰু বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে মহিলা আৰু যুৱতীসকলক আত্মনিৰ্ভৰশীল কৰি তোলা, তেওঁলোকৰ ব্যক্তিত্ব আৰু কৰ্মমুখী দক্ষতাৰ বিকাশ সাধন কৰা আৰু স্ব-নিয়োজনৰ সুযোগ সৃষ্টি কৰা। লগতে, এনে কাৰ্যসূচীৰ জৰিয়তে সীমান্তৱৰ্তী জনসাধাৰণ আৰু সশস্ত্ৰ সীমা বলৰ মাজত পাৰস্পৰিক বিশ্বাস, অংশীদাৰিত্ব আৰু সমন্বয় অধিক শক্তিশালী হয়। কাৰ্যসূচীত অংশগ্ৰহণ কৰা উপভোগীসকলে সশস্ত্ৰ সীমা বলৰ দ্বাৰা প্ৰদান কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ভৱিষ্যতেও এনে জনকল্যাণমূলক আৰু দক্ষতা বিকাশমূলক কাৰ্যসূচীৰ নিয়মীয়া আয়োজনৰ আশা ব্যক্ত কৰে। তেওঁলোকে সশস্ত্ৰ সীমা বলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে, এই প্ৰশিক্ষণে তেওঁলোকৰ আৰ্থিক সৱলীকৰণ, আত্মবিশ্বাস বৃদ্ধি আৰু আত্মনিৰ্ভৰশীলতাৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

**৫২ লাখ ৭৬ হাজাৰ টকা হৰলুকিৰ অভিযোগ**

# সৃজনগ্ৰামত ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনত বিয়াগোম কেলেংকাৰী

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২৪ জুলাই** ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অসম ৰাজ্যিক জীৱিকা অভিযান আঁচনিৰ বৃহৎ পৰিমাণৰ ধন হৰলুকি হোৱাৰ তথ্য পোহৰলৈ আহিছে। আঁচনিৰ অধীনৰ ব্লক সমল কেন্দ্ৰৰ সভানেত্ৰী মৰ্জীনা খাতুন আৰু সম্পাদিকা লাইলী বেগমে ৫২ লাখ ৭৬ হাজাৰ চৰকাৰী ধন আত্মসাৎ কৰাৰ তথ্যই ৰাইজৰ চকু কপালত তুলিছে। উল্লেখ্য যে বিয়াগোম কেলেংকাৰীৰ বিষয়টো পোহৰলৈ আহে বিত্তীয় হিচাপ পৰীক্ষাৰ সময়ত। জানিব পৰা মতে সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অধীনস্থ আত্মসহায়ক গোটৰ হিতাধিকাৰীৰ নামত আৱণ্টিত বৃহৎ পৰিমাণৰ ধন বিভাগীয় একাউণ্টত জমা হৈ থকাৰ পাছত উক্ত ধনত শেণ চকু পৰে ব্লক সমল কেন্দ্ৰৰ সভানেত্ৰী আৰু সম্পাদিকাৰ। সভানেত্ৰী মৰ্জীনা খাতুন আৰু সম্পাদিকা লাইলী বেগমে ধন আত্মসাতৰ উদ্দেশ্যে কৌশলেৰে আৱণ্টিত ধনৰ বিভাগীয় একাউণ্টৰ পৰা ৫২ লাখ ৭৬ হাজাৰ টকা ব্যক্তিগত একাউণ্টলৈ ট্ৰেন্সফাৰ কৰে। পৰৱৰ্তী সময়ত বিয়াগোম কেলেংকাৰীটো পোহৰলৈ আহে বাৰ্ষিক হিচাপ পৰীক্ষাৰ অন্তত। এনে পৰিপ্ৰেক্ষিতত বিভাগীয় কৰ্তৃপক্ষই সভানেত্ৰী সম্পাদিকাক কাৰ্যালয়লৈ তলব কৰাত মৰ্জীনা খাতুন আৰু লাইলী বেগমে নীতি বহিৰ্ভূত ভাৱে নিজৰ একাউণ্টলৈ ধনৰাশি হস্তান্তৰ কৰাৰ বিষয়টো স্বীকাৰ কৰি ধনৰাশি ওভোতাই দিয়াৰ বাবে সময় বিচাৰে। কিন্তু সময় লৈ নিৰ্ধাৰিত সময় উকলি যোৱাৰ পাছতো ধনৰাশি ওভোতাই নিদিলে সভানেত্ৰী সম্পাদিকাই। অৱশেষত আজি দুয়োৰে বিৰুদ্ধে আইনৰ কাষ চপাৰ কথা সদৰি কৰে খণ্ড প্ৰকল্প পৰিচালক ববিতা চেতিয়াই। উল্লেখ্য যে হিতাধিকাৰীৰ বাবে অহা বৃহৎ চৰকাৰী ধন কেনেকৈ ইমান সহজে উলিয়াই আত্মসাৎ কৰিলে দুই মহিলাই। ইফালে বৃহৎ কেলেংকাৰীটো কেনেধৰণৰ বুজামিলাৰে অভিযুক্তক দোষ মুক্তৰ বাবে সময় দিয়া হৈছিল তাক লৈও ৰহস্যৰ সৃষ্টি হৈছে। দোষীক ৰেহাই পোৱাৰ সুযোগ দিয়াৰ অন্তৰালত কোনো বিষয়া-কৰ্মচাৰীৰ কমিচনৰ অংক আছে নেকি বুলিও প্ৰশ্ন উঠিছে। চৰকাৰে গ্ৰামাঞ্চলৰ আত্মসহায়ক গোটৰ দুখীয়া মহিলাক স্বাৱলম্বী কৰাৰ মহৎ উদ্দেশ্যৰে আৱণ্টন দিয়া পুঁজিৰ লাখ লাখ টকা হৰলুকি হোৱা ঘটনাটোৱে হাহাকাৰ লগাইছে হিতাধিকাৰীৰ মাজত। বিষয়টোৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে ৰাইজে।

**শিৱসাগৰ সমষ্টিৰ অন্তৰ্ভুক্ত হোৱাৰ বাবেই বান সাহায্যৰ পৰা বঞ্চিত নাকি চতুৱাচাপৰিৰ ৰাইজ ?**

# সীমানিৰ্ধাৰণৰ মেৰপাকত বানাক্ৰান্ত

**অসম বাৰ্তা, গেলেকী, ২৪ জুলাই** ঃ সমষ্টি সলনি হ'ল, কিন্তু সলনি নহ'ল বানাক্ৰান্তৰ ভাগ্য। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত পূৰ্বৰ নাজিৰা সমষ্টিৰ পৰা গৈ শিৱসাগৰ সমষ্টিত অন্তৰ্ভুক্ত হোৱা গেলেকী বগীচাপৰি অঞ্চলৰ চতুৱাচাপৰিৰ ৰাইজে এতিয়া বান সাহায্য লাভৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। অভিযোগ অনুসৰি, কেৱল শিৱসাগৰ সমষ্টিৰ অন্তৰ্ভুক্ত হোৱাৰ বাবেই অঞ্চলটোৰ ৰাইজ চৰকাৰী বান সাহায্যৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। জানিব পৰা মতে, দুলাকাষৰীয়া গাঁও পঞ্চায়তৰ ৩ নং ৱাৰ্ডৰ অন্তৰ্গত চতুৱাচাপৰি অঞ্চলটো বিগত প্ৰায় এক সপ্তাহ ধৰি বানৰ পানীত ডুব গৈ আছে। কিন্তু আজিলৈকে কোনো এজন চৰকাৰী বিষয়া বানাক্ৰান্তসকলৰ খবৰ ল'বলৈ উপস্থিত হোৱা নাই। আচৰিত ধৰণে, পঞ্চায়তটোৰ বানাক্ৰান্তৰ তালিকাত নাম অহাৰ পিছতো তেওঁলোকে সাহায্য নোপোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। প্ৰায় ৫০ কিলোমিটাৰ দূৰলৈ যোৱাৰ নিৰ্দেশ: অভিযোগ অনুসৰি, এই সন্দৰ্ভত বানাক্ৰান্তসকলে নাজিৰা সম-জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত বান সাহায্য দিয়া ঠাইত গৈ যোগাযোগ কৰাত তেওঁলোকক জানোৱা হয় যে যিহেতু অঞ্চলটো এতিয়া শিৱসাগৰ সমষ্টিৰ অন্তৰ্ভুক্ত, গতিকে সাহায্যৰ বাবে তেওঁলোকে প্ৰায় ৫০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি শিৱসাগৰলৈ যাব লাগিব। দুৰ্যোগৰ এনে কঠিন সময়ত ইমান দূৰলৈ গৈ সাহায্য সংগ্ৰহ কৰাটো বানাক্ৰান্তসকলৰ বাবে অসম্ভৱ হৈ পৰিছে। খোৱাপানীৰ বাবে হাহাকাৰ, চৰ্মৰোগত আক্ৰান্ত স্থানীয় লোক: উক্ত অঞ্চলটোত এতিয়া এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। অন্য কোনো উপায় নাপাই বানাক্ৰান্ত ৰাইজে নামদাং নদীৰ অপৰিষ্কাৰ পানী খাবলৈ বাধ্য হৈছে। ইয়াৰ ফলত অঞ্চলটোৰ একাংশ লোক অসুস্থ হৈ পৰাৰ লগতে বিভিন্ন চৰ্মৰোগত আক্ৰান্ত হৈছে। ইফালে, বানাক্ৰান্ত ৰাইজৰ অভিযোগ যে এই সংকটজনক সময়ত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ বা তেওঁৰ দলৰ কোনো এজন প্ৰতিনিধিয়ে আজিলৈকে অঞ্চলটোত উপস্থিত হৈ বানাক্ৰান্তৰ খবৰ লোৱা নাই। সীমানিৰ্ধাৰণৰ ফলত সৃষ্টি হোৱা এনে প্ৰশাসনিক জটিলতা আৰু স্থানীয় জনপ্ৰতিনিধি তথা প্ৰশাসনৰ উদাসীনতাৰ বিৰুদ্ধে এতিয়া ক্ষোভত ফাটি পৰিছে চতুৱাচাপৰিৰ দুৰ্দশাগ্ৰস্ত ৰাইজ। অতি সোনকালে এই অঞ্চলটোত চৰকাৰী সাহায্য আৰু চিকিৎসা সেৱা প্ৰদান নকৰিলে পৰিস্থিতি আৰু অধিক ভয়াবহ হৈ পৰাৰ সম্ভাৱনা আছে।

# অসম জাতীয়তাবাদী যুৱ পৰিষদৰ উদ্যোগত ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গ সংগীত প্ৰতিযোগিতা সফলভাৱে সম্পন্ন

**অসম বাৰ্তা, সোণাপুৰ, ২৪ জুলাই** ঃ অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী সামৰণি বৰ্ষ উপলক্ষে কামৰূপ জিলা সমিতিৰ উদ্যোগত আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সংগীত প্ৰতিযোগিতা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সংগীত প্ৰতিযোগিতা সফলভাৱে অনুষ্ঠিত হয়। অনুষ্ঠানটি সুকলমে পৰিচালনা কৰে শুভ্ৰ ফুকনে। আদৰণি ভাষণ আগবঢ়ায় অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মুবিন আহমেদ দেৱে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সংগীত প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে অসম সাহিত্য সভাৰ গুৱাহাটী মহানগৰ সমিতিৰ সভাপতি প্ৰফুল্ল বৰ্মন দেৱে। আনহাতে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সংগীত প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ 'জিকিৰ-জাৰীৰ সঞ্জীৱনী (প্ৰচাৰক)' সন্মানপ্ৰাপ্ত চৈয়দ মাৰুফ হুছেইন দেৱে। উদ্বোধনী ভাষণত চৈয়দ মাৰুফ হুছেইন দেৱে কয়, "আজিৰ প্ৰতিযোগীসকলেই কাইলৈৰ জুবিন গাৰ্গ। জুবিন গাৰ্গে সদায় ব্যতিক্ৰমী প্ৰতিভাক সন্মান জনাই আহিছে। আজিৰ প্ৰতিযোগী সকলৰ মাজৰ পৰাই বহু ব্যতিক্ৰমী শিল্পীয়ে আত্মপ্ৰকাশ কৰি তেওঁৰ সপোনক আগুৱাই নিব বুলি মোৰ দৃঢ় বিশ্বাস।" অনুষ্ঠানৰ সঞ্চালনা কৰে অসম সাহিত্য সভাৰ তথ্য-প্ৰযুক্তি উপ-সমিতিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়াই। প্ৰতিযোগিতা দুয়োটাৰ বিচাৰকৰ দায়িত্ব পালন কৰে অসম সাহিত্য সভাৰ পৰিবেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ-সমিতিৰ উপ-সভানেত্ৰী তৃষ্ণা মহন্তই। বিচাৰকাৰ্যত সহযোগিতা আগবঢ়ায় ৰিঞ্জুমণি বৰাই। অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ বিত্ত সম্পাদক ৰুহুল আমিন, উপ-সভাপতি প্ৰমোদ বৰা, হোজাই জিলা সম্পাদক ছামছুল আহমেদ, গুৱাহাটীৰ উপদেষ্টা কমল দাস, সহকাৰী সম্পাদক মণি আহমেদ, যোৰহাট জিলা সভাপতি ঋতুৰাজ দাস, জিলা সম্পাদক মাইনা দাস, সাংস্কৃতিক সম্পাদক শুভ্ৰদ ফুকন আৰু গুৱাহাটী সহকাৰী সম্পাদক ৰাজু চৌধুৰী উপস্থিত থাকে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে জেইনেশ খাটনিয়াকে, দ্বিতীয় স্থান লাভ কৰে ফাৰনাছ চুলতানাই আৰু তৃতীয় স্থান যুটীয়াভাৱে লাভ কৰে কৃত শৰণীয়া আৰু ইবন চিৰিঙে। উদগনি বঁটা লাভ কৰে অভিলাষা খাটনিয়াৰে। আনহাতে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ফাৰনাছ চুলতানাই, দ্বিতীয় স্থান লাভ কৰে অভিলাষা খাটনিয়াৰে আৰু তৃতীয় স্থান যুটীয়াভাৱে লাভ কৰে কৃত শৰণীয়া আৰু জেইনেশ খাটনিয়াই। উদগণি বঁটা লাভ কৰে ইবন চিৰিঙে। উল্লেখ্য যে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিযোগীসকলে ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ কালজয়ী গীত পৰিবেশন কৰি উপস্থিত দৰ্শক-শ্ৰোতাক মুগ্ধ কৰে।



# গোলাঘাট আছুৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৪ জুলাই** ঃ গোলাঘাট জিলা পুথিভঁড়ালত সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাই গোলাঘাট মহকুমা ছাত্ৰ সন্থা আৰু গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত অনুষ্ঠিত কৰে বিশেষ অভিনন্দন অনুষ্ঠান। এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত জিলাখনৰ শিক্ষানুষ্ঠান সমূহৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ২০২৫-২৬ বৰ্ষত ৮৫ শতাংশ আৰু ততোধিক নম্বৰ প্ৰাপ্ত ৫৬৩ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুষ্ঠান সমূহৰ মুৰব্বী সমূহক অভিনন্দন জনাই গোলাঘাট আছুৱে। সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈৰ সভাপতিত্বত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠান আঁত ধৰে সন্থাৰ সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰাই। সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিবৰ্তন গোস্বামীয়ে উদ্বোধনী বক্তব্য ৰখা অনুষ্ঠানত মুখ্য অতিথি হিছাপে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু বিশিষ্ট অতিথি হিছাপে গোলাঘাট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰাজেন সিঙ উপস্থিত থাকে। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল শৰ্মা, গোলাঘাট সন্মিলিত মটৰ পৰিবহণ সন্থাৰ সভাপতি পূৰ্ণ ৰাজখোৱা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়-ববীয়া দিগন্ত ভূঞা, সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক মৃগাংক শেখৰ ভৰালি হাজৰিকা, সাংগঠনিক সম্পাদক প্ৰিন্স দলে, অসম উন্নতি সভাৰ উপ-সভাপতি দেৱজিত বৰুৱা, অসম সেনাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰঞ্জিত বৰা, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয় শান্তনু দত্ত-দীপ বৰঠাকুৰ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সহ সাধাৰণ সম্পাদক ৰাজীৱ লস্কৰ, যুৱ অধিবক্তা ঋতুপল্লৱ শইকীয়া, প্ৰাক্তন ছাত্ৰ নেতাত্ৰয় পাৰ্থজ্যোতি বৰা-অংশুমান বৰুৱা-মৃগাংক শেখৰ কোঁৱৰ অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠান অসম সংগীতেৰে সামৰণি পৰে।

# ডিব্ৰুগড়ত গল্পকাৰ মিলন সভা সম্পন্ন; 'গল্পবৈভৱ" উন্মোচন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুলাই** ঃ অসমীয়া ভাষা সাহিত্যৰ বিশাল পথাৰখনক সৃষ্টিশীল সাহিত্যৰে অনন্যা মাত্ৰা প্ৰদান কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়ৰ কেইগৰাকীমান বিশিষ্ট সাহিত্যিকে-২০২৪ চনত প্ৰতিষ্ঠা লাভ কৰিছিল "গল্পকাৰ মিলন সভা"। দুবছৰীয়া এই অনুষ্ঠানটিয়ে বিগত বৰ্ষত বহুকেইটা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰি অহা অংশ হিচাপে শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃত সাহিত্য বিষয়ত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। গল্পকাৰ মিলন সভাৰ সভাপতি গন্ধেশ্বৰ শইকীয়াই সভাপতিত্ব কৰা অনুষ্ঠানৰ লগত সংগতি ৰাখি গল্প বিষয়ক এখনি আলোচনা সত্ৰও অনুষ্ঠিত কৰা হয়। সভাৰ আৰম্ভণিতে গল্পকাৰ মিলন সভাৰ সভাপতি গন্ধেশ্বৰ শইকীয়াই বন্তি প্ৰজ্বলন কৰা সভাত গল্পকাৰ মিলন সভাৰ কাৰ্যকৰী সভাপতি জ্যোতি বৰগোহাঁইয়ে উদ্বোধন কৰা সভাত আদৰণি ভাষণ আগবঢ়ায় কাৰ্যকৰী সভাপতি কুসুম্বৰ টাইৰাই গগৈয়ে। গল্পকাৰ তথা মানকটা শতদল শাখা সাহিত্য সভাৰ সভাপতি কুসুম সোণোৱাল শইকীয়াই আঁতধৰা সভাত সমল ব্যক্তি হিচাপে বিশিষ্ট গল্পকাৰ টুনুজ্যোতি গগৈয়ে গল্পৰ ইতিহাস, গল্প লিখাৰ কৌশল আদিৰ সম্পৰ্কত এক মনোগ্ৰাহী আৰু সাৰগৰ্ভ ভাষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট গল্পকাৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কিৰণ চন্দ্ৰ মেছে সম্পাদনা কৰি প্ৰকাশ কৰা আৰু প্ৰথমবাৰৰ বাবে চাৰিশ চল্লিছ পৃষ্ঠা জোৰা আৰু ১৭৮জন গল্পকাৰে লিখা অসমৰ প্ৰথমখন গল্পসংকলন 'গল্পবৈভৱ' গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ উপ সভাপতি পদুম ৰাজখুৱাই। 'গল্পকাৰ মিলন সভা' অনুষ্ঠানটিয়ে- অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নতি সাধনৰ অৰ্থে আৰু জনমুখী সাহিত্য-যাত্ৰাৰে আয়োজিত অনুষ্ঠাত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত নাহৰকটীয়া- দুলিয়াজান-নামৰূপ-মৰাণ, ডিব্ৰুগড়-চাচনি- লাহোৱাল-বকুল- লেজাই, জামিৰাকে ধৰি অন্যান্য প্ৰান্তৰ বহু সংখ্যক গল্পকাৰ উপস্থিত থাকি অনুষ্ঠানটি প্ৰাণৱন্ত কৰি তোলে।

**কাছাৰৰ পশ্চিম কাটিগড়াত হাজাৰ হাজাৰ লোকৰ চূড়ান্ত দুৰ্ভোগ**

# সামান্য বৰষুণতে খহি পৰিল খেৰুয়াখাল দলঙৰ এপ্ৰোচ

**অসম বাৰ্তা, শিলচৰ, ২৪ জুলাই** ঃ একেৰাহে দুদিন ধৰি হোৱা মজলীয়া পৰা প্ৰবল বৰষুণৰ ফলত কাছাৰ জিলাৰ পশ্চিম কাটিগড়া অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কুশিয়াৰকুল-নাতানপুৰ সংযোগী পথত অৱস্থিত খেৰুয়াখাল দলঙৰ এপ্ৰোচ খহি পৰিছে। ফলত অঞ্চলটোৰ হাজাৰ হাজাৰ লোকৰ দৈনন্দিন যাতায়াত প্ৰায় অনিশ্চিত হৈ পৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী, চাকৰিয়াল, কৃষক আৰু জৰুৰী সেৱাৰ সৈতে জড়িত লোকসকলে চূড়ান্ত দুৰ্ভোগৰ সন্মুখীন হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, সামান্য বৰষুণতেই দলঙৰ এপ্ৰোচ খহি পৰাৰ ঘটনাই নিৰ্মাণকাৰ্যৰ মানদণ্ডক লৈ একাধিক প্ৰশ্নৰ উত্থাপন কৰিছে। দীৰ্ঘদিন ধৰি এই দলংখন অঞ্চলটোৰ লোকসকলৰ একমাত্ৰ নিৰ্ভৰযোগ্য যোগাযোগ ব্যৱস্থা হিচাপে ব্যৱহাৰ হৈ আহিছিল। কিন্তু এপ্ৰোচৰ বৃহৎ অংশ খহি পৰাত বৰ্তমান যানবাহনৰ চলাচল সম্পূৰ্ণৰূপে ব্যাহত হৈছে। এলাকাবাসীৰ আশংকা, অতি শীঘ্ৰে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অব্যাহত বৰষুণত ক্ষয়-ক্ষতিৰ পৰিমাণ আৰু বৃদ্ধি পাব পাৰে। ইয়াৰ উপৰিও বিদ্যালয়-মহাবিদ্যালয়গামী ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিদিনে এই পথ ব্যৱহাৰ কৰা সাধাৰণ লোকসকলে জীৱনৰ আশংকা লৈ অহা-যোৱা কৰিবলৈ বাধ্য হৈছে। স্থানীয় বাসিন্দাসকলে জনোৱা মতে, এই পথটো কুশিয়াৰকুল, নাতানপুৰকে ধৰি সীমান্তৱৰ্তী একাধিক গাঁৱৰ বাসিন্দাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। এই পথ বিচ্ছিন্ন হৈ পৰিলে বিকল্প যোগাযোগ ব্যৱস্থা প্ৰায় নাই বুলিলেও চলে। ফলত নিত্যপ্ৰয়োজনীয় কাম-কাজ, চিকিৎসা, শিক্ষা আৰু কৃষিজাত সামগ্ৰী পৰিবহণ- সকলো ক্ষেত্ৰতে গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত ক্ষতিগ্ৰস্ত অংশ তৎকালীনভাৱে পৰিদৰ্শন কৰি স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে অঞ্চলবাসীয়ে। তেওঁলোকৰ আবেদন, কাছাৰ জিলাৰ জিলা আয়ুক্ত, লোক নিৰ্মাণ বিভাগ-ৰ দায়িত্বপ্ৰাপ্ত বিষয়া, কাটিগড়াৰ বিধায়ক, জিলা পৰিষদৰ সদস্য তথা সংশ্লিষ্ট প্ৰশাসনিক কৰ্তৃপক্ষই অতি সোনকালে ঘটনাস্থলী পৰিদৰ্শন কৰি জৰুৰী ভিত্তিত মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰক, যাতে অধিক ডাঙৰ দুৰ্ঘটনা এৰাব পৰা যায় আৰু সাধাৰণ ৰাইজৰ দুৰ্ভোগৰ অন্ত পৰে।

# শিৱসাগৰ, যোৰহাটৰ লগতে উজনিৰ বানপীড়িতলৈ বিশ্বনাথৰ বীৰ লাচিত সেনা অসমৰ সাহায্য

**অসম বাৰ্তা, জিনজিয়া, ২৪ জুলাই** ঃ মানুহে মানুহৰ বাবে, যদিহে অলপো নেভাবে ভাবিব কোনে কোৱা। উজনি অসমত ভয়ংকৰ বানত সৰ্বস্বান্ত হোৱা বানপীড়িতৰ বাবে এইবাৰ সহায়ৰ হাত আগবঢ়াবলৈ ওলাই আহিছে বীৰ লাচিত সেনা অসমৰ বিশ্বনাথ নগৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়া। বিশ্বনাথ নগৰৰ মাজমজিয়াত এইদৰে দেখা গ'ল ৰাইজলৈ আহ্বান জনাই যাতে বানপীড়িতলৈ খাদ্য আৰু জৰুৰী সামগ্ৰী লৈ দেওবাৰে উজনি অভিমুখে ৰাওনা হ'ব বীৰ লাচিত সেনা অসমৰ বিশ্বনাথ নগৰ আঞ্চলিক সমিতিৰ এটি দল। বীৰ লাচিত সেনা অসমৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি আহি ৰাইজে নগদ ধনৰ লগতে খাদ্য সামগ্ৰী আগবঢ়াইছে। দেওবাৰে একাধিক বাহনেৰে এই জৰুৰী সামগ্ৰীসমূহ লৈ উজনিৰ দিশে ৰাওনা হ'ব বান সাহায্য প্ৰতিনিধিৰ দল।

# বানাক্ৰান্ত শিক্ষাৰ্থীৰ বাবে অনলাইন নামভৰ্তি আৰু দ্ৰুতগতিত নথিপত্ৰ পুনৰ প্ৰদানৰ ব্যৱস্থা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ জুলাই** ঃ উজনি অসমৰ বিশেষকৈ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহৰ ভয়াৱহ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা শিক্ষাৰ্থীসকলৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে কেইবাটাও বিশেষ সহায়ক ব্যৱস্থা ঘোষণা কৰিছে। এই ব্যৱস্থা অনুসৰি শিক্ষাৰ্থীসকলে অনলাইনযোগে নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব আৰু বান পানীত হেৰোৱা শৈক্ষিক নথিপত্ৰসমূহ অগ্ৰাধিকাৰ ভিত্তিত পুনৰ লাভ কৰিব পাৰিব। উপাচাৰ্য ড° জিতেন হাজৰিকাই প্ৰকাশ কৰা এক অধিসূচনা অনুসৰি, যিসকল বানাক্ৰান্ত শিক্ষাৰ্থী নামভৰ্তিৰ আনুষ্ঠানিকতাৰ বাবে ব্যক্তিগতভাৱে বিশ্ববিদ্যালয়লৈ আহিবলৈ অপাৰগ, তেওঁলোকক অফলাইনত চলি থকা বাকী থকা সকলো পাঠ্যক্ৰমৰ নামভৰ্তি অনলাইনযোগে কৰাৰ সুবিধা প্ৰদান কৰা হ'ব। ইয়াৰ ভিতৰত 'কমন ইউনিভাৰ্ছিটি এণ্ট্ৰেন্স টেষ্ট' (CUET) শ্ৰেণীৰ অধীনৰ পাঁচবছৰীয়া সংহত কাৰ্যসূচীৰ (FYIPGP) নামভৰ্তিও অন্তৰ্ভুক্ত। বানাক্ৰান্ত শিক্ষাৰ্থীসকলক এই অনলাইন প্ৰক্ৰিয়াৰ বাবে সংশ্লিষ্ট নামভৰ্তি কোষ (Admission Cell) বা বিভাগৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই লগতে স্বীকাৰ কৰে যে বানপানীৰ ফলত কেইবাটাও দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ শৈক্ষিক প্ৰমাণপত্ৰ, মাৰ্কশ্বীট আৰু অন্যান্য নথি-পত্ৰ প্ৰলয়ংকৰী পানীত উটি গৈছে বা নষ্ট হৈছে। যিসকল বৰ্তমানৰ বা প্ৰাক্তন শিক্ষাৰ্থীয়ে এনে নথি-পত্ৰ হেৰুৱাইছে, তেওঁলোকে স্বাভাৱিক সত্যতা নিৰূপণ প্ৰক্ৰিয়াৰ অধীনত, নথি হেৰোৱাৰ সন্দৰ্ভত এখন লিখিত আবেদন আৰু শপতনামা (affidavit) সহ পৰীক্ষা নিয়ন্ত্ৰক বা সংশ্লিষ্ট শাখাত যোগাযোগ কৰি অগ্ৰাধিকাৰ ভিত্তিত দ্ৰুতগতিত নথিসমূহ পুনৰ সংগ্ৰহ কৰিব পাৰিব। অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত এই নথি পুনৰ প্ৰদানৰ আবেদন দাখিল কৰিব লাগিব। বিষয়া পৰ্যায়ৰ সূত্ৰই জনোৱা মতে, বানাক্ৰান্ত জিলাসমূহৰ শিক্ষাৰ্থী আৰু অভিভাৱৰ পৰা লাভ কৰা কেইখনো স্মাৰকপত্ৰৰ পাছতে বিশ্ববিদ্যালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। পানীৰে উপচি পৰা পথ আৰু যোগাযোগ ব্যৱস্থা ব্যাহত হোৱাৰ বাবে তেওঁলোকে বিশ্ববিদ্যালয়লৈ যাতায়াত কৰাত অসুবিধাৰ সন্মুখীন হৈছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে বানপীড়িত শিক্ষাৰ্থী আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে বিশ্ববিদ্যালয় সদায় সংহতিৰে থিয় দিছে আৰু শিক্ষাৰ্থীৰ শৈক্ষিক যাত্ৰা অব্যাহত ৰখাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সহায়ৰ প্ৰয়োজন হোৱা শিক্ষাৰ্থীসকলক প্ৰক্ৰিয়াটোৰ পৰৱৰ্তী তথ্যৰ বাবে নিজ নিজ বিভাগ আৰু নামভৰ্তি কোষৰ সৈতে সম্পৰ্ক ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন

## জন্মগত ৰোগত আক্ৰান্ত তিনি শিশুৱে লাভ কৰিলে নতুন জীৱন

# তিনিচুকীয়াত আৰ.বি.এছ.কে. আঁচনিৰ সফলতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৪ জুলাই ঃ** শীঘ্ৰে ৰোগ চিনাক্তকৰণ আৰু সময়োপযোগী চিকিৎসাৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ শিশুৰ জীৱনলৈ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে তিনিচুকীয়া জিলা স্বাস্থ্য বিভাগৰ ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যসূচী (আৰ.বি.এছ.কে.)য়ে। তিনিচুকীয়া জিলাত এই আঁচনিৰ জৰিয়তে জন্মগত গুৰুতৰ ৰোগত আক্ৰান্ত তিনিগৰাকী শিশোৱে সম্পূৰ্ণ বিনামূল্যে বিশেষ চিকিৎসা লাভ কৰি সম্পূৰ্ণ আৰোগ্য লাভ কৰাৰ এক অনুপ্ৰেৰণাদায়ী তথ্য পোহৰলৈ আহিছে। মাহিৰা বেগম, অনুশ্ৰী বুঢ়াগোহাঁই আৰু কুনাল মুড়া নামৰ শিশুকেইগৰাকীৰ সফল চিকিৎসাই জিলাখনৰ তৃণমূল পৰ্যায়ৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ কাৰ্যকাৰিতাকেই প্ৰতিফলিত কৰিছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমজিলাৰ লিডুৰ নিকটৱৰ্তী মোলং গাঁৱৰ চাৰি বছৰীয়া মাহিৰা বেগমক ২ নং মোলং অংগনবাড়ী কেন্দ্ৰত অনুষ্ঠিত নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ সময়ত জন্মগত তালু ফটা (ক্লেফট পেলেট) ৰোগত আক্ৰান্ত বুলি চিনাক্ত কৰা হয়। এই সমস্যাৰ বাবে তাইৰ খোৱা-বোৱা আৰু কথা কোৱাত যথেষ্ট অসুবিধা হৈছিল। আৰ.বি.এছ.কে.ৰ দলে পিতৃ-মাতৃক পৰামৰ্শ প্ৰদান কৰি আঁচনিৰ অধীনত চিকিৎসাৰ সকলো ব্যৱস্থা গ্ৰহণ কৰে। ফলস্বৰূপে, চলিত বৰ্ষৰ ৯ জুনত মাহিৰাৰ সফল অস্ত্ৰোপচাৰ সম্পন্ন হয়। সম্পূৰ্ণ বিনামূল্যে এই চিকিৎসা লাভ কৰাৰ পিছত বৰ্তমান তাই সুস্থ হৈ উঠিছে আৰু খোৱা-বোৱাৰ ক্ষমতাত যথেষ্ট উন্নতি পৰিলক্ষিত হৈছে। অনুপ্ৰেৰণাৰ আন এক খবৰ আহিছে ন-শদিয়াৰ পৰা। তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাৰ লখিমপুৰীয়া গাঁৱৰ এবছৰীয়া অনুশ্ৰী বুঢ়াগোহাঁইক অংগনবাড়ী কেন্দ্ৰৰ স্বাস্থ্য পৰীক্ষাত জন্মগত ওঁঠ আৰু তালু ফটা (ক্লেফট লিপ এণ্ড পেলেট) ৰোগত আক্ৰান্ত বুলি চিনাক্ত কৰা হয়। 'মিছন স্মাইল' কাৰ্যসূচীৰ জৰিয়তে তেওঁক মইনা খুৰুং আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় আৰু বিশেষজ্ঞৰ পৰীক্ষাৰ মাজেৰে ১৭ জুনত তেওঁৰ সফল অস্ত্ৰোপচাৰ সম্পূৰ্ণ হয়। এই চিকিৎসাৰ ফলত শিশুটিৰ খোৱা-বোৱা আৰু বাক শক্তিৰ বিকাশ ঘটাৰ লগতে পৰিয়াললৈও সকাহ আহিছে। আনহাতে, জিলাখনৰ কাৰিয়াপানি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত বিদ্যালয় স্বাস্থ্য পৰীক্ষাৰ সময়ত সাত বছৰীয়া কুনাল মুড়াৰ চকুত জন্মগত কেটাৰেক্ট বা মণিৰ মংশ (কংজেনিটেল কেটাৰেক্ট) ধৰা পৰে। অৱস্থাৰ গুৰুত্ব উপলব্ধি কৰি আৰ.বি.এছ.কে.ৰ দলে লগে লগে তেওঁক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰে আৰু যোৱা ২৩ মে'ত সফল কেটাৰেক্ট অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ ফলত কুনালৰ দৃষ্টিশক্তি ঘূৰি আহে আৰু তেওঁ পুনৰ নতুন উদ্যমেৰে পঢ়া-শুনা আৰম্ভ কৰিবলৈ সক্ষম হৈছে। জিলা স্বাস্থ্য বিভাগৰ বিষয়াৰ মতে, এই তিনিটা ঘটনাই প্ৰমাণ কৰিছে যে গ্ৰাম্য আৰু অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ শিশুসকলে সম্পূৰ্ণ বিনামূলীয়াকৈ সঠিক সময়ত ৰোগ নিৰ্ণয় আৰু বিশেষ চিকিৎসা লাভ কৰাত আৰ.বি.এছ.কে. কাৰ্যসূচী অত্যন্ত ফলপ্ৰসূ হৈছে। নিয়মীয়া পৰীক্ষা, আগতীয়া চিনাক্তকৰণ আৰু ধাৰাবাহিক ফ'ল-আপৰ জৰিয়তে এই আঁচনিখনে জিলাখনৰ শিশু স্বাস্থ্যসেৱাক অধিক শক্তিশালী কৰি তুলিছে। আগশাৰীৰ স্বাস্থ্যকৰ্মী, বিশেষজ্ঞ চিকিৎসক আৰু চৰকাৰী প্ৰচেষ্টাৰ ফলত তিনিচুকীয়া জিলাৰ শিশুসকলৰ বাবে এক উজ্জ্বল ভৱিষ্যত গঢ় লৈ উঠিছে বুলি তেওঁলোক মত প্ৰকাশ কৰে।

# ঢেকিয়াল ৰহঢলা পথাৰৰ ৰজাদিনীয়া পুখুৰী সংৰক্ষণ কৰিবলৈ স্থানীয় ৰাইজৰ আহ্বান

**অসম বাৰ্তা, দেৰগাঁও, ২৪ জুলাই ঃ** গোলাঘাট জিলাৰ ঢেকিয়ালৰ ঐতিহাসিক ৰহঢলা পথাৰত আজিও মৰহি যোৱা নাই আহোম স্বৰ্গদেউসকলৰ জনকল্যাণমুখী স্মৃতিচিহ্ন। এই পথাৰত অৱস্থিত তিনিটাকৈ ৰজাদিনীয়া পুখুৰীয়ে পৰ্যটন আৰু কৃষি জলসিঞ্চনৰ বাবে বিপুল সম্ভাৱনা বহন কৰিছে যদিও সঠিক সংৰক্ষণৰ অভাৱত আজি বিপৰ্যয়ৰ দিশে অগ্ৰসৰ হৈছে। তথ্য অনুসৰি, আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই নেঘেৰিটিং শিৱদ'লৰ যাৱতীয় ব্যয় বহনৰ বাবে পুৰোহিতসকলক ১৩০ বিঘা দেৱোত্তৰ ভূমি দান কৰিছিল। গুনেশ চন্দ্ৰ বৰঠাকুৰৰ "নেঘেৰিটিং শিৱদ'লৰ ইতিহাস আৰু শৈৱ ধৰ্ম" আৰু ডালিম পাঠকৰ "দেৰগাঁৱৰ ইতিহাস" গ্ৰন্থতো এই পথাৰৰ ঐতিহাসিক গুৰুত্বৰ কথা উল্লেখ আছে। স্থানীয় লোক তথা অৱসৰপ্ৰাপ্ত শিক্ষক হেমেন বৰাৰ মতে, এই পুখুৰীসমূহ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনতেই খনন কৰা হৈছিল। কথিত আছে যে, মলিয়া গাঁৱৰ পৰাই নেঘেৰিটিং শিৱদ'ললৈ ফুলৰ মালা যোগান ধৰা হৈছিল বাবে গাঁওখনৰ নাম 'মলিয়া' হয় আৰু কুঁহিয়াৰৰ ৰস পগাই গুৰ প্ৰস্তুত কৰা বাবে এই পথাৰখন 'ৰহঢলা' হিচাপে পৰিচিত হৈ পৰে। শেহতীয়াকৈ স্থানীয় সচেতন ব্যক্তি প্ৰসেনজিত খাউণ্ড আৰু সমাজকৰ্মীসকলৰ প্ৰচেষ্টাত এই পুখুৰীসমূহৰ ঐতিহাসিক সত্যতা পুনৰ পোহৰলৈ আহিছে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্যমতে, মলিয়া-চেতিয়া গাঁও পথৰ কাষত থকা পুখুৰীটোৰ লগতে আন দুটা পুখুৰীও বৰ্তমান জৰাজীৰ্ণ অৱস্থাত আছে। প্ৰায় ২০ বিঘা মাটিকালি সামৰি থকা এই বৃহৎ পুখুৰীসমূহৰ ভেটি খহি যোৱাৰ ফলত পানী জমা হোৱাৰ ক্ষমতা হ্ৰাস পাইছে। কোনো কোনো স্থানত পুখুৰীৰ পাৰত খেতি কৰাৰ লগতে পানীৰ মাজত পদুম ফুলি থকা দৃশ্যই একপিনে যেনেদৰে প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণাইছে, আনপিনে সংৰক্ষণৰ অভাৱকো প্ৰতিফলিত কৰিছে। অঞ্চলটোৰ কৃষকসকলে এই পুখুৰীসমূহৰ পৰা খেতি পথাৰত জলসিঞ্চনৰ সুবিধা পোৱাৰ উপৰিও ইয়াক এক 'গ্ৰাম্য পৰ্যটন' কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ চৰকাৰক দাবী জনাইছে। প্ৰবীণ অধ্যাপিকা বিনা ঠাকুৰ বেজবৰুৱাৰ মতে, আহোম ৰজাসকলে সদায় প্ৰজাৰ মংগলৰ বাবেই এনেদৰে পুখুৰী খান্দি থৈ গৈছিল, যি আজিও আমাৰ জলসিঞ্চন আৰু পানীৰ উৎস হিচাপে অতি গুৰুত্বপূৰ্ণ। স্থানীয় ৰাইজে দেৰগাঁও সমষ্টিৰ বিধায়কৰ লগতে চৰকাৰৰ সংশ্লিষ্ট বিভাগক এই ঐতিহাসিক সম্পদসমূহৰ সংৰক্ষণ, উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অনাগত দিনত এই পুখুৰীসমূহে অঞ্চলটোৰ কৃষি আৰু পৰ্যটন ক্ষেত্ৰত এক নতুন মাত্ৰা যোগাব বুলি ৰাইজে আশাবাদী।

## মেৰাপানীত ৰাজহুৱা সভা; ২৫ জনীয়া পূৰ্ণাংগ কমিটি ঘোষণা, জিলা প্ৰতিনিধি নিৰ্বাচিত

# দৈয়াং আঞ্চলিক শাখা সাংস্কৃতিক মহাসভা অসম গঠন

**অসম বাৰ্তা, মেৰাপানী, ২৪ জুলাই ঃ** সাংস্কৃতিক মহাসভা অসমে সাংস্কৃতিক সংগঠনটোৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে গোলাঘাট জিলাৰ মেৰাপানীত "দৈয়াং আঞ্চলিক শাখা সাংস্কৃতিক মহাসভা অসম" আনুষ্ঠানিকভাৱে গঠন কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত গোলাঘাট জিলা সমিতিৰ সভাপতি পুৰঞ্জয় গোস্বামীয়ে সভাপতিত্ব কৰে আৰু জিলা সম্পাদক তথা কেন্দ্ৰীয় সমন্বয়ক মুকুল বৰুৱাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত ভাষণ প্ৰদান কৰি পুৰঞ্জয় গোস্বামীয়ে কয় যে, দৈয়াং অঞ্চলৰ শিল্পী, সাহিত্যিক আৰু সাংস্কৃতিক কৰ্মীসকলক একে মঞ্চলৈ আনি সাংস্কৃতিক আন্দোলনক অধিক গতিশীল কৰি তোলাৰ ক্ষেত্ৰত এই শাখাই উল্লেখযোগ্য ভূমিকা পালন কৰিব। তেওঁ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ লগতে নতুন প্ৰজন্মৰ মাজত সাংস্কৃতিক চেতনাৰ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি নগেন বৰাই শাখাটোৰ নামকৰণ আৰু সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত মূল্যৱান পৰামৰ্শ আগবঢ়ায়। আনহাতে, দৈয়াংৰত্ন মহেন বৰুৱাই অঞ্চলটোৰ সাংস্কৃতিক বিকাশৰ স্বাৰ্থত "দৈয়াং আঞ্চলিক শাখা সাংস্কৃতিক মহাসভা অসম" গঠনৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্য ব্যাখ্যা কৰে। সভাত কেন্দ্ৰীয় সদস্য তথা জিলা সভাপতি পুৰঞ্জয় গোস্বামী, কেন্দ্ৰীয় সমন্বয়ক তথা জিলা সম্পাদক মুকুল বৰুৱা, জিলা উপদেষ্টা গোলাপ শইকীয়া, নৰেন শইকীয়া, বীৰেন্দ্ৰ কুমাৰ বৰা, জিলা উপসভাপতি প্ৰতাপ চন্দ্ৰ কণ্ডুলী, জিলা উপদেষ্টা বিপুল বৰাৰ লগতে অঞ্চলটোৰ বিশিষ্ট সাহিত্যিক, শিল্পী, সাংস্কৃতিক কৰ্মী আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত কেশৱ চন্দ্ৰ ফুকন, সুৰেন কাকতি, মদন গগৈ উপদেষ্টা হিচাপে মনোনীত কৰি সভাপতি মহেন বৰুৱাক সম্পাদক হিচাপে ৰজত বৰাৰ নেতৃত্বত "দৈয়াং আঞ্চলিক শাখা সাংস্কৃতিক মহাসভা অসম"ৰ ২৫ জনীয়া পূৰ্ণাংগ কমিটি গঠন কৰা হয়। লগতে দুলাল চন্দ্ৰ দাস আৰু প্ৰবীন গগৈক সৰ্বসন্মতিক্ৰমে জিলা প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰা হয়। জাতীয় সংগীত পৰিৱেশনৰ মাজেৰে সভাৰ সফল সামৰণি মৰা হয়।

# অভয়াপুৰী লিটল ফ্লাৱাৰ ইংলিছ স্কুলত অনিয়ম

**অসম বাৰ্তা, অভয়াপুৰী, ২৪ জুলাই ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী শিৱপুৰস্থিত লিটল ফ্লাৱাৰ ইংলিছ এইচ এছ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ বিৰুদ্ধে দীৰ্ঘদিনধৰি অভিভাৱকসকলে ব্যাপক অনিয়ম সংঘটিত হোৱা বুলি উত্থাপিত সত্যতা প্ৰতিপন্ন কৰিলে কাৰ্য্যবাহী দণ্ডাধীশৰ তদন্তৰ প্ৰতিবেদনে। উল্লেখ্য যে অভয়াপুৰীৰ আগশাৰীৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় লিটল ফ্লাৱাৰ ইংলিছ স্কুল নামৰ বিদ্যালয়খন অভয়াপুৰী আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ ইংৰাজী মাধ্যমত অধ্যয়ন কৰিবলৈ ইচ্ছুক ল'ৰা-ছোৱালীৰ কথা চিন্তা কৰিয়েই অঞ্চলটোৰ একাংশ ব্যক্তিৰ তৎপৰতাত গঢ়ি তুলছিল। সেইবাবে আন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ দৰে বিদ্যালয়খন পৰিচালিত নহৈ ৰাইজ তথা অভিভাৱকে বাছনি কৰি দিয়া সমিতিৰ দ্বাৰা বিদ্যালয়খন পৰিচালিত হৈ আহিছিল। কিন্তু বিদ্যালয়ৰ মাছুল, ইউনিফৰ্ম পাঠ্যপুথিকে ধৰি বিভিন্ন ক্ষেত্ৰত কিছুদিন ধৰি চলা আৰজকতা সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ লগতে অভিভাৱক সকলে অভয়াপুৰী সমজিলাৰ শিক্ষা বিভাগৰ সহকাৰী আয়ুক্তক অভিযোগো দাখিল কৰে। সেইমৰ্মে অভয়াপুৰী সমজিলাৰ শিক্ষা বিভাগৰ সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী বিষয়া শ্ৰেয়া ঘোষক বিষয়টো তদন্তৰ দায়িত্ব অৰ্পণ কৰে। সহকাৰী আয়ুক্ত গৰাকীয়ে বিভিন্ন পক্ষৰ সাক্ষ্য গ্ৰহণৰে প্ৰস্তুত কৰা প্ৰতিবেদনতে উন্মোচিত হয় বিদ্যালয়খনত চলা অৰাজকতা। উক্ত প্ৰতিবেদনত বিদ্যালয়খনৰ পৰিচালনাৰ সৈতে বিভিন্ন বিষয়ত কেইবাটাও গুৰুতত্বপূৰ্ণ পৰ্যবেক্ষণ আৰু পৰামৰ্শ আগবঢ়োৱা হয়। সেইমৰ্মে বিদ্যালয়খনৰ কিতাপ আৰু ইউনিফৰ্মৰ ধন অধ্যক্ষৰ ব্যক্তিগত বেংক একাউণ্টৰ জৰিয়তে সংগ্ৰহ কৰা হৈছিল। যদিও এই ব্যৱস্থা পৰিচালনা সমিতিৰ এক সিদ্ধান্তৰ ভিত্তিত কৰা হৈছিল বুলি অধ্যক্ষই স্পষ্টীকৰণ দিছে, তদন্ত প্ৰতিবেদনত এনে পদ্ধতিৰ স্বচ্ছতাৰ অভাৱ থকা আৰু শিক্ষানুষ্ঠানৰ বাবে বাঞ্ছনীয় বিত্তীয় পদ্ধতি নহয় বুলি উল্লেখ কৰে। ভৱিষ্যতে বিদ্যালয়ৰ সকলো বিত্তীয় লেন-দেন চৰকাৰী বা আনুষ্ঠানিক বিদ্যালয়ৰ বেংক একাউণ্টৰ জৰিয়তে কৰাৰ পৰামৰ্শ দিয়ে। আনপিনে কিতাপ আৰু অধ্যয়ন সামগ্ৰী অনুমোদিত যোগানকাৰীৰ পৰা প্ৰতিযোগিতামূলক মূল্যত সংগ্ৰহ কৰি অভিভাৱকৰ ওপৰত পৰা বিত্তীয় বুজা হ্ৰাস কৰা, বিদ্যালয়ৰ সকলো বিত্তীয় লেনদেন সঠিকভাৱে নথিভুক্ত আৰু অডিট কৰা আৰু মাছুল বা অন্যান্য বিত্তীয় সিদ্ধান্তসমূহত সাধাৰণ সভা আৰু পৰিচালনাৰ সমিতিৰ সভাত আলোচনা কৰি গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়ায়।

# দেৰগাঁৱত কৃত্ৰিম বানপানীৰ স্থায়ী সমাধানৰ দাবীৰে সমজিলা আয়ুক্তক কংগ্ৰেছৰ স্মাৰকপত্ৰ প্ৰদান



**অসম বাৰ্তা, দেৰগাঁও, ২৪ জুলাই ঃ** যোৱা ১৯ জুলাইত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীত জলমগ্ন হৈ পৰিছিল দেৰগাঁও নগৰৰ বহুকেইটা অঞ্চল। এই সমস্যাৰ স্থায়ী সমাধানৰ দাবীত বুধবাৰে কংগ্ৰেছ নেত্ৰী সাগৰিকা বৰাৰ নেতৃত্বত এক প্ৰতিনিধি দলে দেৰগাঁও সমজিলা আয়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে, বানপানীৰ পাছতেই কংগ্ৰেছৰ এই প্ৰতিনিধি দলটোৱে নগৰৰ কেইবাটাও ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। পৰিদৰ্শনৰ সময়ত ৭ নং ৱাৰ্ডৰ নাৰিকলগুৰি, ৬ নং ৱাৰ্ডৰ মিলনপুৰ আৰু পেঞ্চন কলনী, ৩ নং ৱাৰ্ডৰ লাহতি, ৪ নং ৱাৰ্ডৰ চকীয়াল, ১০নং ৱাৰ্ডৰ খাদ্য নিগমৰ সমীপৱৰ্তী অঞ্চল, ৪নং ৱাৰ্ডৰ কুমাৰগাঁৱৰ পথ, বন্ধন বেংকৰ পিছফালৰ অঞ্চল আৰু ৯ নং ৱাৰ্ডৰ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় পথৰ একাংশ অঞ্চলৰ পৰিস্থিতি অত্যন্ত শোচনীয় বুলি প্ৰতিনিধি দলটোৱে অৱগত কৰে। স্মাৰকপত্ৰখনত কৃত্ৰিম বানপানীৰ মূল কাৰণসমূহৰ ভিতৰত অপৰিকল্পিতভাৱে নলা-নৰ্দমা নিৰ্মাণ, নলা-নৰ্দমা পুতি পেলোৱা বা বন্ধ কৰি ৰখা, দেৰগাঁৱৰ মাজেৰে যোৱা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ অপৰিকল্পিত নিৰ্মাণ, বাৰিষাৰ পূৰ্বে পৌৰসভাৰ দ্বাৰা নলা-নৰ্দমা পৰিষ্কাৰ নকৰা আৰু অবিজ্ঞানসন্মতভাৱে নলা-নৰ্দমা নিৰ্মাণ কৰাক প্ৰধান কাৰণ হিচাপে উল্লেখ কৰি ইয়াৰ স্থায়ী সমাধানৰ বাবে দাবী জনায়। এই সমস্যাসমূহ অতি শীঘ্ৰে সমাধান নকৰিলে অনাগত সময়ত দেৰগাঁৱৰ ৰাইজে অধিক ভয়াবহ কৃত্ৰিম বানপানীৰ সন্মুখীন হ'ব বুলি শংকা প্ৰকাশ কৰে। সেয়েহে, বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি প্ৰয়োজনীয় তদন্ত আৰু উপযুক্ত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্মাৰকপত্ৰখনৰ জৰিয়তে দাবী জনায়।

# কৃষি বিজ্ঞান কেন্দ্ৰ, ওদালগুৰিৰ উদ্যোগত কৃষকসকলৰ মাজত উন্নত মানৰ বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৪ জুলাই ঃ** কৃষি বিজ্ঞান কেন্দ্ৰ, ওদালগুৰিৰ উদ্যোগত আজি কেন্দ্ৰৰ চৌহদত "বীজ আৰু ৰোপণ সামগ্ৰী আনুষ্ঠানিক বিতৰণ কাৰ্যসূচী" সফলতাৰে অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১০০ গৰাকী কৃষকে অংশগ্ৰহণ কৰে। কৃষি উৎপাদন বৃদ্ধি, শস্য বৈচিত্ৰ্যকৰণ আৰু বহনক্ষম কৃষি ব্যৱস্থাৰ প্ৰসাৰৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে উপ-সংমণ্ডল কৃষি বিষয়া কুলেন্দ্ৰ ডেকা, প্ৰধান জিলা প্ৰবন্ধক আশুতোষ চাকমা, পশু চিকিৎসা বিষয়া ডেৰহাছাৰ ব্ৰহ্ম আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, ওদালগুৰিৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° দিগন্ত শৰ্মা। অতিথিসকলে কৃষকৰ আয় বৃদ্ধিৰ লগতে বহনক্ষম কৃষি উন্নয়নৰ বাবে উন্নত জাতৰ শস্য, বিজ্ঞানসন্মত কৃষি পদ্ধতি আৰু আধুনিক প্ৰযুক্তি গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাষণ আগবঢ়ায়। এই উপলক্ষে হিতাধিকাৰী কৃষকসকলৰ মাজত মাটিমাহৰ উন্নত জাত 'SBC-40', মগু মাহৰ উন্নত জাত 'SGC-16', কেঁচুসাৰ, নাৰিকলৰ পুলি আৰু ড্ৰেগন ফলৰ পুলি বিতৰণ কৰা হয়। অনুষ্ঠানত পথাৰ শস্য বিষয়ৰ বিষয়বস্তু বিশেষজ্ঞা ড° প্ৰিয়ংকা বৰাই পাঠ্যক্ৰম সঞ্চালক হিচাপে দায়িত্ব পালন কৰে। আনহাতে, কৃষি অৰ্থনীতি আৰু পাম ব্যৱস্থাপনা বিষয়ৰ বিষয়বস্তু বিশেষজ্ঞা ড° পল্লৱী ডেকাই অনুষ্ঠানটোৰ পাঠ্যক্ৰম সমন্বয়ৰ দায়িত্ব সুচাৰুৰূপে সম্পাদন কৰে।

# সঙ্গীত গ্ৰুপ অফ ক্ৰিয়েচনৰ উদ্যোগত ৰঙিয়াত ড্ৰাগছ বিৰোধী বাটৰ নাট



**অসম বাৰ্তা, ৰঙিয়া, ২৪ জুলাই ঃ** সামাজিক-সাংস্কৃতিক অনুষ্ঠান সঙ্গীত গ্ৰুপ অফ ক্ৰিয়েচনৰ উদ্যোগত ২০ জুলাইৰ পৰা ৰঙিয়াত গ্ৰীষ্মকালীন অভিনয় কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। স্থানীয় ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান প্ৰেক্ষাগৃহত অনুষ্ঠিত অভিনয় কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা আজি ৰঙিয়াত ড্ৰাগছ বিৰোধী বাটৰ নাট প্ৰদৰ্শন কৰা হয়। ভিচালী কাশ্যপ, হিয়া ৰাণী কুমাৰ, তনিমা চৌধুৰী, কৰিশ্মা দাস, মনিষা পাৰবিন, চয়নিকা ডেকা, কৃষ্ণমণি নাথ, তৰালী নাথ, বৃষ্টি ডেকা, টিনা পাটোৱাৰী, দিয়া শৰ্মা, জিতুমণি দাস, ৰাকেশ আলী, নৱদ্বীপ ডেকা, সুকণ্যা কলিতা, ছফিকুল আলী, ডলী, অনামিকা ডেকা, ৰিম্পী ডেকা প্ৰমুখ্যে প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা ড্ৰাগছ-নীৰৱঘাটক বৰবিহ নাটকখন পৰিৱেশন কৰা হয়। সংস্কৃতিৰ পূজাৰী পঙ্কজ পল্লৱ শৰ্মাই বিগত ২৫ বছৰে দি চাইলেণ্ট কিলাৰকে ধৰি কেবাখনো চুটিছবি, ৰেব চিৰিজ, বাটৰ নাটক প্ৰদৰ্শন কৰি ড্ৰাগছৰ বিৰুদ্ধে সবল প্ৰতিবাদ কৰি আহিছে। ইয়াৰেই অংশ হিচাপে আজি ৰঙিয়া ভূটান বাছ আস্থানত বাটৰ নাটকখন পৰিৱেশন কৰা হয়। প্ৰশিক্ষাৰ্থী শিল্পী সকলে নাটখনত প্ৰদৰ্শন কৰা অভিনয়ে সমবেত পথচাৰী সকলক আকৰ্ষণ কৰে। নাটখনি প্ৰদৰ্শনৰ সময়ত ৰঙিয়া আৰক্ষী থানাৰ উপ পৰিদৰ্শক হিৰেণ গুৰুং, সাহিত্য সংগঠক হেমন্ত কলিতাৰ লগতে আন কেবাগৰাকীও বিশিষ্ট ব্যক্তি, সংবাদ কৰ্মী উপস্থিত থাকে।

## অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়া জিলাৰ তৰফৰ পৰা বান সাহায্য প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৪ জুলাই ঃ** বানৰ বিভীষিকাৰ বলি হোৱা শিৱসাগৰৰ বান পিড়িতক সহায় কৰাৰ মানসেৰে অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়া জিলাৰ তৰফৰ পৰা কালি বানাক্ৰান্ত ৰাইজক কিছু সাহায্য প্ৰদান কৰা হয়। অসামৰিক প্ৰতিৰক্ষা বিভাগ তিনিচুকীয়া জিলাৰ মুখ্য প্ৰতিপালক ড° ৰাজীৱ বৰদলৈ আৰু ভাৰপ্ৰাপ্ত উপনিয়ন্ত্ৰক ৰূপান্ত সোণোৱালৰ তত্বাৱধানত এটা দলে শিৱসাগৰত বান পিড়িতৰ কাষত উপস্থিত হৈ খবৰ লয় আৰু খাদ্য সামগ্ৰীৰ লগতে আন কিছু অত্যাৱকীয় সামগ্ৰী প্ৰদান কৰে।

# তিনিচুকীয়াৰ ইণ্ডিয়ান অইল-আৰ্মী কেন্দ্ৰৰ পৰা NEET-২০২৬ত ৩০ গৰাকী শিক্ষাৰ্থীৰ সফলতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৪ জুলাই ঃ** উজনি অসমত শিক্ষাৰ ক্ষেত্ৰত এক অনুপম নিদৰ্শন দাঙি ধৰি তিনিচুকীয়াৰ বৰগুৰিস্থিত ইণ্ডিয়ান অইল-আৰ্মী চেণ্টাৰ অৱ এক্সিলেন্স এণ্ড ৱেলনেছৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইবাৰৰ ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা (NEET) ২০২৬ত সফলতাৰে উত্তীৰ্ণ হৈছে। এই সফলতাই অঞ্চলটোৰ সুবিধা বঞ্চিত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই প্ৰতিষ্ঠানখনক এক আশীৰ্বাদ স্বৰূপ প্ৰতিপন্ন কৰিছে। স্পিয়াৰ কৰ্পছৰ ৰেড শ্বিল্ড ডিভিজনৰ পৃষ্ঠপোষকতাত আৰু ইণ্ডিয়ান অইল কৰ্প'ৰেশ্যন লিমিটেডৰ (IOCL) কৰ্প'ৰেট সামাজিক দায়বদ্ধতা (CSR) পুঁজিৰে পৰিচালিত এই আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰটোৱে ইয়াৰ মুঠ ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩০ গৰাকীকে দেশৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত এম.বি.বি.এছ. আৰু অন্যান্য সহযোগী চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে যোগ্যতা অৰ্জন কৰাত সক্ষম কৰি তুলিছে। উজনি অসমৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰটোৱে সম্পূৰ্ণ আৱাসিক প্ৰশিক্ষণ, শৈক্ষিক পৰামৰ্শ আৰু সৰ্বাংগীণ সুবিধা প্ৰদান কৰি আহিছে। আৰ্থিক অভাৱৰ বাবে যাতে কোনো মেধাৱী ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হ'ব নালাগে, সেই উদ্দেশ্যেই এই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। শিক্ষাৰ্থীসকলৰ কঠোৰ পৰিশ্ৰম, কেন্দ্ৰটোৰ শিক্ষক-পৰামৰ্শদাতাসকলৰ নিষ্ঠা, আই.অ'.চি.এল.-ৰ চি.এছ.আৰ. সহযোগিতা আৰু ভাৰতীয় সেনাবাহিনীৰ ধাৰাবাহিক উৎসাহৰ ফলতেই এই ৩০ গৰাকী শিক্ষাৰ্থীয়ে এইবাৰৰ NEETত সফলতা লাভ কৰিবলৈ সক্ষম হয়। সশস্ত্ৰ বাহিনী আৰু কৰ্প'ৰেট খণ্ডৰ যুটীয়া প্ৰচেষ্টাই যে দৰিদ্ৰ যুৱক-যুৱতীসকলৰ জীৱনলৈ পৰিৱৰ্তন আনিব পাৰে, এই কথাই তাকেই পুনৰ প্ৰমাণ কৰিলে।

# ভেৰগাঁৱত ১৫ দিনীয়া সাংস্কৃতিক কৰ্মশালাৰ সফল সমাপ্তি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৩ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগ আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সহযোগত ৪৫ নং ভেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত পুৰণি ভেৰগাঁও সৰ্ব্বোদয় সংঘৰ প্ৰাংগণত বিগত ৯ জুলাইৰ পৰা অনুষ্ঠিত হৈ থকা ১৫ দিনীয়া সাংস্কৃতিক প্ৰশিক্ষণ কৰ্মশালাখনৰ আজি সফল পৰিসমাপ্তি ঘটে। প্ৰধান শিক্ষক বলেন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি ৰিংখাং মোছাহাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মহকুমাধিপতিগৰাকীয়ে বন্তি প্ৰজ্বলেৰে শুভাৰম্ভ কৰা সভাত ভাষণ প্ৰসংগত কয় যে এই ধৰণৰ কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশ আৰু সাংস্কৃতিক উত্তৰণত যথেষ্ট অৰিহণা যোগাব। অনুষ্ঠানত সৰ্ব্বোদয় সংঘৰ সভাপতি ভূপেন ৰাভা, প্ৰাক্তন সভাপতি নাৰায়ণ ৰাভা, ভেৰগাঁও খণ্ড উন্নয়ন কাৰ্যালয়ৰ অভিযন্তা পেৰিছ বড়ো, ভেৰগাঁও ভিচিডিচিৰ সভাপতি কমোদ কছাৰী, বিশিষ্ট মীন পালক ধৰ্মেশ্বৰ ৰাভা, জ্যেষ্ঠ শিল্পী মনোৰমা বৰা, ৰাভা উন্নয়ন পৰিষদৰ সদস্যা গীতা ৰাভা আৰু যাবাঙ্গা পথাৰ ভিচিডিচিৰ সভানেত্ৰী তুলিকা ৰাভা বিশেষ অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে, ভূপেন্দ্ৰ সংগীত আৰু ৰাভা নৃত্যক মূল শিতান হিচাপে লৈ অনুষ্ঠিত হোৱা এই কৰ্মশালাত প্ৰশিক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি গীত-মাত আৰু আকৰ্ষণীয় ৰাভা নৃত্য প্ৰদৰ্শন কৰে। সংঘৰ সদস্য প্ৰাণকৃষ্ণ ৰাভাই জানিবলৈ দিয়া মতে, এই প্ৰশিক্ষণৰ জৰিয়তে অঞ্চলটোৰ নমহলীয়াসকল সাংস্কৃতিক দিশত যথেষ্ট উপকৃত হৈছে। অনুষ্ঠানৰ শেষত ভূপেন্দ্ৰ সংগীতৰ প্ৰশিক্ষক উৎপল ৰাভা, ধ্ৰুৱজিৎ ৰাভা আৰু ৰাভা নৃত্যৰ প্ৰশিক্ষক হৰিপ্ৰিয়া ৰাভা, কংকনা ৰাভাৰ লগতে সহযোগী বাদ্যযন্ত্ৰীসকলক পুৰণি ভেৰগাঁও সৰ্ব্বোদয় সংঘৰ তৰফৰ পৰা গামোচা আৰু মানপত্ৰৰে আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হয়।

# পিএমশ্ৰী কেন্দ্ৰীয় বিদ্যালয়, মঙলদৈত কৃতী শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, মঙলদৈ, ২৪ জুলাই ঃ** পিএমশ্ৰী কেন্দ্ৰীয় বিদ্যালয়, মঙলদৈৰ প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে ২০২৬ বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ লগতে বাৰ্ষিক পৰীক্ষাত বিভিন্ন বিষয়ত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় কৃতী শিক্ষক শশাঙ্ক হাজৰিকা আৰু সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ যোগিন্দৰ সিঙে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি শশাঙ্ক হাজৰিকাই কয় যে, শিক্ষাৰ্থীৰ সাফল্য কেৱল ব্যক্তিগত কৃতিত্ব নহয়; ইয়াৰ আঁৰত শিক্ষক-শিক্ষয়ত্ৰী, অভিভাৱক আৰু বিদ্যালয় পৰিয়ালৰ একাগ্ৰ প্ৰচেষ্টাও সমানে জড়িত। তেওঁ কয় যে কেন্দ্ৰীয় বিদ্যালয় মঙলদৈয়ে ধাৰাবাহিকভাৱে উৎকৃষ্ট ফলাফল দেখুৱাই আহিছে আৰু এইবাৰৰ ফলাফলেও সমগ্ৰ দৰং জিলাত এক সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত ইতিবাচক ভূমিকা পালন কৰিব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বৰ্ডৰ অধীনত অনুষ্ঠিত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিদ্যালয়খনৰ বিজ্ঞান আৰু কলা শাখাৰ মুঠ ৫৩গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৫২গৰাকী উত্তীৰ্ণ হৈ ৯৮.১১ শতাংশ উত্তীৰ্ণৰ হাৰ অৰ্জন কৰে। কলা শাখাত নেহা নাথে ৯৭.২ শতাংশ নম্বৰ লাভকৰি সৰ্বোচ্চ স্থান দখল কৰাৰ বিপৰীতে বিজ্ঞান শাখাত কল্যাণ শৰ্মাই ৯৪ শতাংশ নম্বৰ লাভ কৰে। এইবাৰ ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকল হৈছে- নেহা নাথ (৯৭.২ শতাংশ), আভিৰী আয়ানা দাস (৯৬.৮ শতাংশ), কল্যাণ শৰ্মা (৯৪ শতাংশ), নীবিৰ শংকৰ (৯৩.৮ শতাংশ), স্নিগ্ধা শিৰম (৯৩.৮ শতাংশ), নিশিতা নাথ (৯৩.৮ শতাংশ), দিয়াশ্ৰী শৰ্মা (৯২.৪ শতাংশ) আৰু জ্যোতিষ ভাৰতী কাশ্যপ (৯০ শতাংশ)। অনুষ্ঠানত কৃতী শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়ত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভকামনা জ্ঞাপন কৰা হয়।

## সম্পাদকীয়

# বানপানী আৰু বান সাহায্য

২০২৬ চনৰ জুলাই মাহে অসমবাসীৰ বাবে এক বীভৎস স্মৃতি কঢ়িয়াই আনিছে। ৰাজ্যখন যেন এক অকল্পনীয় প্ৰাকৃতিক দুৰ্যোগৰ সাক্ষী হৈ ৰ'ল। অসমৰ ইতিহাসৰ অন্যতম ভয়াবহ বানপানীৰ সন্মুখীন হ'বলগীয়া হৈছে ৰাজ্যবাসী। চলিত বৰ্ষৰ বানপানীয়ে ৰাজ্যৰ ২৫খন জিলাৰ ১৮০০ৰো অধিক গাঁও প্লাৱিত কৰিছে, যাৰ ফলত ৯ লাখতকৈও অধিক লোক প্ৰভাৱিত হৈছে আৰু ৪৭জন লোকৰ প্ৰাণহানি ঘটিছে। শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট আদি জিলা যিবোৰ ইতিপূৰ্বে বানপানীৰ বাবে সিমান পৰিচিত নাছিল, সেইবোৰেই এইবাৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। সৰল ভাষাত ক'বলৈ গ'লে, এইবাৰৰ বানপানীয়ে অসমৰ বুকুত এক অমোচনীয় ক্ষতিৰ সৃষ্টি কৰিছে। বানপানীৰ এই দানৱীয় ৰূপৰ কাৰণসমূহ বহুমুখী। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰা মতে, নাগালেণ্ডৰ ওপৰভাগৰ পৰা অহা বানপানীৰ লগতে ৰাজ্যখনত অধিক বৰষুণে এই দুৰ্যোগ সংঘটিত কৰিছে। কিন্তু ভাৰতীয় দুৰ্যোগ বিভাগে (IMD) ক্লাউডবাৰ্ষ্টৰ দাবী নাকচ কৰি কয় যে কেৱল বৰষুণেই নহয়, দুৰ্বল বান্ধ, অনাৱৈজ্ঞানিক পথ নিৰ্মাণ আৰু জলাহভূমিৰ অৱক্ষয় এই দুৰ্যোগৰ মূল কাৰণ। যোৰহাট জিলাৰ ভোগদৈ বান্ধখন পঞ্চাশ বছৰৰো অধিক সময় ধৰি মেৰামতি নোহোৱাকৈ থকাটোৱেই আন্তঃগাঁথনিৰ দুৰ্বলতাৰ এক জ্বলন্ত উদাহৰণ। গতিকে এইটো কেৱল প্ৰাকৃতিক দুৰ্যোগ নহয়, মানৱীয় উদাসীনতা আৰু পৰিকল্পনাৰ অভাৱৰো এক ফল।

বান সাহায্যৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সক্ৰিয়তা দেখুৱাইছে বুলি স্বীকাৰ কৰিবলগীয়া হয়। ৰাজ্যজুৰি ১৪৮টা ৰাহি শিবিৰ স্থাপন কৰি প্ৰায় ৩০, ০০০ লোকক আশ্ৰয় দিয়া হৈছে। আটাইতকৈ ক্ষতিগ্ৰস্ত জিলাবোৰত ৩, ০০, ০০০ কিলোগ্ৰামতকৈও অধিক চাউল আৰু আন প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হৈছে। প্ৰত্যেক মৃতকৰ পৰিয়ালক ৪ লাখ টকা ক্ষতিপূৰণ ঘোষণা কৰা হৈছে। ভাৰতীয় বায়ু সেনা, এনডিআৰএফ, এছডিআৰএফ আৰু সেনাবাহিনীয়ে যৌথভাৱে উদ্ধাৰ অভিযান চলাই ৭০০ৰো অধিক লোকক উদ্ধাৰ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এটা আন্তঃমন্ত্ৰণালয়ী দল পঠিয়াই ক্ষয়ক্ষতি মূল্যায়ন কৰিবলৈ আশ্বাস দিছে। মুখ্যমন্ত্ৰীয়েও স্পষ্টকৈ কৈছে যে বান সাহায্যৰ বাবে কোনো ধনৰ অভাৱ নহয়।

কিন্তু উদ্ধাৰ অভিযান অব্যাহত থকাৰ পাছতো বহু ক্ষেত্ৰত গুৰুতৰ সমস্যা দেখা গৈছে। এতিয়াও সেনাবাহিনী, এনডিআৰএফ আৰু এছডিআৰএফ বহু ঠাইত উপনীত হ'ব পৰা নাই। হাজাৰ হাজাৰ লোক বানপানীত আৱদ্ধ হৈ আছে আৰু বহু ৰোগৰ জালত পৰি আছে। চৰাইদেউ জিলাত একে পৰিয়ালৰ চাৰিজন সদস্য বানপানীত জাহ যোৱাৰ ঘটনাটোৱে উদ্ধাৰ তৎপৰতাৰ সীমাৱদ্ধতা স্পষ্টকৈ প্ৰতিফলিত কৰে। অধিক গুৰুত্বপূৰ্ণ কথা, ৭০ৰ পৰা ৮০জন লোক এতিয়াও নিখোঁজ হৈ আছে। বানপানীৰ দীৰ্ঘম্যাদী প্ৰভাৱ সম্পৰ্কেও চিন্তা কৰিবলগীয়া হৈছে। ২৪, ০০০ হেক্টৰতকৈও অধিক কৃষিভূমি পানীত বুৰ গৈছে, যাৰ ফলত কৃষক সমাজ চৰম আৰ্থিক সংকটৰ সন্মুখীন হৈছে। হাজাৰ হাজাৰ গৰু-ছাগলী বানপানীত জাহ গৈছে। বহু শিক্ষানুষ্ঠান প্লাৱিত হৈ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনা ব্যাহত হৈছে। গৃহস্থালীৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ, কিতাপ-পত্ৰ আৰু সা-সামগ্ৰী হেৰুৱাই বহু পৰিয়াল আজি অসহায় অৱস্থাত ভুগিছে।

এই পৰিস্থিতিত অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে এক সমন্বিত আৰু দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা মতে, বানপানীৰ তাৎক্ষণিক সংকট অতিক্ৰম কৰাৰ পাছত প্ৰতিবেশী ৰাজ্যসমূহৰ সৈতে আলোচনা আৰম্ভ কৰি ভৱিষ্যতে ওপৰভাগৰ পৰা অহা বানপানীৰ প্ৰভাৱ কমাবলৈ এক শক্তিশালী সমন্বয় ব্যৱস্থা গঢ়ি তোলা হ'ব। কিন্তু সেই দীৰ্ঘম্যাদী পৰিকল্পনা বাস্তৱায়িত নোহোৱালৈকে অসমবাসীয়ে প্ৰতি বছৰে একেই দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া হয়। বান্ধবোৰৰ নিয়মিত মেৰামতি, নদীসমূহৰ খনন কাৰ্য, জলাহভূমিৰ সংৰক্ষণ, আৰু পৰিৱেশ-অনুকূল আন্তঃগাঁথনি নিৰ্মাণ এইবোৰ হৈছে জৰুৰীভাৱে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা। বিজ্ঞানীসকলৰ মতে, "অসমৰ বানক্ষয় কেৱল জলবায়ুজনিত কাৰকৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি; ই হৈছে জলবৈজ্ঞানিক প্ৰক্ৰিয়া, সামাজিক-অৰ্থনৈতিক অৱস্থা, আৰু পৰিৱেশীয় আৰু আন্তঃগাঁথনিগত স্থিতিস্থাপকতাৰ মাজৰ আন্তঃক্ৰিয়াৰ ফল।"

বানপানী অসমৰ বাবে নতুন কথা নহয়, কিন্তু এইবাৰৰ বানপানীয়ে আমাক এক গুৰুত্বপূৰ্ণ শিক্ষা দি গ'ল- প্ৰকৃতিৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ সীমিত, কিন্তু আমাৰ প্ৰস্তুতি আৰু পৰিকল্পনাৰ ওপৰত নিয়ন্ত্ৰণ আমাৰ হাতত। ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, ৰাজনৈতিক দল, বেচৰকাৰী সংগঠন আৰু সমাজৰ প্ৰতিটো শ্ৰেণীয়ে একত্ৰিত হৈ এই সংকট মোকাবিলা কৰিবলগীয়া হৈছে। কেৱল তাৎক্ষণিক ৰাহি কাৰ্যকে নহয়, দীৰ্ঘম্যাদী সমাধানৰ পথো সন্ধান কৰিবলগীয়া হৈছে। সেইদিনাই অসম সঁচা অৰ্থত বান-মুক্ত হ'ব, যিদিনা আমাৰ পৰিকল্পনা, আন্তঃগাঁথনি আৰু সজাগতা প্ৰতিবছৰৰ বানপানীৰ সন্মুখীন হ'বলৈ সক্ষম হ'ব। আজিৰ এই দুৰ্যোগৰ পৰা আমি শিক্ষা গ্ৰহণ কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে এটা সুৰক্ষিত অসম গঢ়ি তোলাৰ দায়িত্ব আমাৰ সকলোৰে।



# আত্মনিৰ্ভৰ অসম গঢ়াত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা আৰু সামগ্ৰিক সম্ভাৱনীয়তা

*অতীতত আমাৰ গ্ৰাম্য অৰ্থনীতি কেৱল পৰম্পৰাগত একঁকালীন কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল, যাৰ বাবে বানপানীৰ সময়ত বা খেতিৰ বতৰ শেষ হোৱাৰ পিছত গ্ৰাম্য লোকসকলে তীব্ৰ আৰ্থিক নাটনিৰ সন্মুখীন হ'বলগীয়া হৈছিল। ক্ষুদ্ৰ উদ্যোগে গ্ৰাম্য অৰ্থনীতিক এক বহুমুখী আৰু বৈচিত্ৰ্যময় ৰূপ প্ৰদান কৰিছে। গাঁৱৰ চুকে-কোণে গঢ়ি উঠা এই ক্ষুদ্ৰ উদ্যোগসমূহে গ্ৰাম্য এলেকাত নগদ ধনৰ প্ৰবাহ বৃদ্ধি কৰে। যেতিয়া গাঁৱৰ সাধাৰণ মানুহৰ হাতলৈ নিয়মীয়া আয় আহে, তেতিয়া তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি পায়, যাৰ প্ৰত্যক্ষ আৰু ইতিবাচক প্ৰভাৱ স্থানীয় বজাৰসমূহত পৰে। ইয়াৰ উপৰিও, ডাঙৰ ডাঙৰ উদ্যোগসমূহ সাধাৰণতে পৰিবহণৰ সুবিধাৰ বাবে চহৰ বা ঘাইপথৰ ওচৰত কেন্দ্ৰীভূত হয়, যাৰ ফলত চহৰ আৰু গাঁৱৰ মাজত এক গভীৰ আঞ্চলিক বৈষম্যৰ সৃষ্টি হয়। কিন্তু ক্ষুদ্ৰ উদ্যোগসমূহ যিকোনো ভৌগোলিকভাৱে দুৰ্গম অঞ্চলতো স্থানীয় প্ৰয়োজন অনুসৰি স্থাপন কৰিব পৰা যায়।*

বৰ্তমানৰ দ্ৰুত পৰিৱৰ্তনশীল বিশ্ব অৰ্থনীতিত 'আত্মনিৰ্ভৰশীলতা' কেৱল এটা শ্লোগান বা তাত্বিক ধাৰণা হৈ থকা নাই, ই হৈ পৰিছে উন্নয়ন আৰু স্বাভিমানী যাত্ৰাৰ এক অনিবাৰ্য লক্ষ্য। ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ এক মুখ্য অংগ ৰাজ্য হিচাপে অসমৰ বাবেও এই আত্মনিৰ্ভৰশীলতাৰ প্ৰাসংগিকতা পূৰ্বতকৈ বহু বেছি বৃদ্ধি পাইছে। দীৰ্ঘদিন ধৰি অসমৰ অৰ্থনীতি মূলতঃ পৰম্পৰাগত কৃষি আৰু কেইটামান নিৰ্দিষ্ট প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰ কৰি চলি আহিছে। কিন্তু বৰ্ধিত জনসংখ্যা, গোলকীয় বজাৰৰ ক্ষিপ্ৰ পৰিৱৰ্তন আৰু সমসাময়িক অৰ্থনৈতিক প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত কেৱল পুৰণি ব্যৱস্থাটোৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যখনৰ সৰ্বাংগীণ আৰ্থিক প্ৰয়োজন পূৰণ কৰাটো সম্ভৱ নহয়।

এনে এক সন্ধিক্ষণত অসমক অৰ্থনৈতিকভাৱে শক্তিশালী, গতিশীল আৰু স্বয়ংসম্পূৰ্ণ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ হ'লে ঔদ্যোগীকৰণৰ কোনো বিকল্প নাই। বৃহৎ উদ্যোগে অৰ্থনৈতিক বিকাশত এক বিশেষ মাত্ৰা প্ৰদান কৰিলেও, অসমৰ ভৌগোলিক অৱস্থিতি, প্ৰাকৃতিক সম্পদৰ প্ৰকৃতি, সামাজিক গাঁথনি আৰু ঔদ্যোগিক পৰিৱেশলৈ লক্ষ্য কৰিলে ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহেই অধিক বাস্তৱসন্মত আৰু ফলপ্ৰসূ মাধ্যম হিচাপে বিবেচিত হয়। থলুৱা সম্পদৰ সঠিক ব্যৱহাৰ, স্থানীয় পৰ্যায়ত সংস্থাপনৰ সৃষ্টি, উদ্যোগী মানসিকতাৰ বিকাশ আৰু গ্ৰাম্য অৰ্থনীতিৰ সবলীকৰণৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগসমূহে আত্মনিৰ্ভৰ অসম গঢ়াৰ ক্ষেত্ৰত এক নীৰৱ অথচ সুদূৰপ্ৰসাৰী বিপ্লৱৰ সূচনা কৰিব পাৰে।

অৰ্থনৈতিক পৰিভাষাত- তুলনামূলকভাৱে কম মূলধন বিনিয়োগ কৰি, কম সংখ্যক শ্ৰমিকৰ প্ৰচেষ্টাৰে আৰু স্থানীয়ভাৱে উপলব্ধ কেঁচামালৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উৎপাদন গোটসমূহকেই সাধাৰণ অৰ্থত ক্ষুদ্ৰ উদ্যোগ বুলি কোৱা হয়। চৰকাৰী নীতি আৰু বিনিয়োগৰ পৰিমাণ সাপেক্ষে ইয়াক অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ হিচাপে শ্ৰেণীবিভাজন কৰা হৈছে। অসমৰ দৰে এখন ৰাজ্যত, য'ত বৃহৎ উদ্যোগ স্থাপনৰ বাবে প্ৰয়োজনীয় বিশাল ভূমিৰ অধিগ্ৰহণ, গধুৰ মূলধনৰ সহজলভ্যতা আৰু উচ্চস্তৰৰ আন্তঃগাঁথনিৰ কিছু প্ৰত্যাহ্বান প্ৰায়েই দেখা যায়, তাত এই ক্ষুদ্ৰ উদ্যোগসমূহেই হৈ পৰিব পাৰে সমগ্ৰ অৰ্থনীতিৰ প্ৰাণস্পন্দন।

এই উদ্যোগসমূহৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্যটো হ'ল ইয়াৰ উচ্চ নমনীয়তা আৰু স্থানীয়কৰণৰ ক্ষমতা। অতি কম পৰিসৰৰ ঠাইতে আৰু সীমিত পুঁজিৰে একোটা ক্ষুদ্ৰ উদ্যোগ সফলতাৰে আৰম্ভ কৰিব পৰা যায়। অসমৰ চহৰীয়া অঞ্চলৰ পৰা আৰম্ভ কৰি একেবাৰে পিছপৰা ভিতৰুৱা গাঁৱলৈকে ইয়াৰ বিস্তাৰ সহজসাধ্য। হস্ততাঁত আৰু বস্ত্ৰশিল্প, খাদ্য সংসাধন, বাঁহ-বেতৰ শিল্প, ঐতিহ্যমণ্ডিত কাঁহ-পিতলৰ উদ্যোগ, *জৈৱিক সাৰ উৎপাদন আৰু মৌ-পালন-*

এইসমূহ অসমৰ অৰ্থনীতিলৈ বৰঙনি যোগাই অহা কিছুমান প্ৰধান ক্ষুদ্ৰ উদ্যোগ। এই উদ্যোগসমূহে ৰাজ্যখনৰ আভ্যন্তৰীণ দৈনিক প্ৰয়োজনীয়তা পূৰণ কৰাই নহয়, বৰং ৰাজ্যৰ সীমা অতিক্ৰমি বহিঃৰাজ্য তথা বিদেশলৈও সামগ্ৰী ৰপ্তানি কৰি অসমৰ ৰাজহৰ ভঁৰাল আৰু জনমূৰী আয়লৈ এক নতুন আশাব্যঞ্জক গতি প্ৰদান কৰিবলৈ সক্ষম হৈছে।

অসমে প্ৰকৃতিৰ পৰা লাভ কৰিছে বিচিত্ৰ প্ৰাকৃতিক সম্পদ। আমাৰ ৰাজ্যখনত প্ৰাকৃতিক গেছ, খাৰুৱা তেল, খনিজ সম্পদৰ উপৰিও প্ৰচুৰ বনজ ও কৃষিভিত্তিক সামগ্ৰীৰ কোনো নাটনি নাই। কিন্তু এক ঐতিহাসিক সত্য এই যে, দীৰ্ঘদিন ধৰি আমি এই সম্পদসমূহৰ সঠিক মূল্যাংকন আৰু বাণিজ্যিক ব্যৱহাৰ কৰাত পিছপৰি আছোঁ। পূৰ্বতে আমাৰ উৎপাদিত বহু মূল্যবান কেঁচামাল অতি কম মূল্যত কেঁচা অৱস্থাতে ৰাজ্যৰ বাহিৰলৈ ওলাই গৈছিল আৰু পৰৱৰ্তী সময়ত সেইবোৰেই উৎপাদিত সামগ্ৰী হৈ দুগুণ বা তিনিগুণ মূল্যত আমাৰ থলুৱা বজাৰলৈকে ঘূৰি আহিছিল। ইয়াৰ ফলত ৰাজ্যখনে এক ডাঙৰ অৰ্থনৈতিক সুযোগ হেৰুৱাব লগা হৈছিল। ক্ষুদ্ৰ উদ্যোগে এই ত্ৰুটিপূৰ্ণ ব্যৱস্থাটোক সম্পূৰ্ণৰূপে সলনি কৰাৰ এক সোণালী সুযোগ আনি দিছে।

উদাহৰণস্বৰূপে, অসমৰ বাঁহ আৰু বেত সম্পদৰ আন্তঃৰাষ্ট্ৰীয় সম্ভাৱনা অপৰিসীম। পৰম্পৰাগতভাৱে আমাৰ ৰাজ্যত কেৱল জাপি, খৰাহি, চালনী বা সৰু-সুৰা গৃহস্থালী সামগ্ৰী তৈয়াৰ কৰাতে সীমাবদ্ধ আছিল। কিন্তু আধুনিক প্ৰযুক্তি, নব্য ডিজাইন আৰু ক্ষুদ্ৰ উদ্যোগৰ সংমিশ্ৰণৰ জৰিয়তে বৰ্তমান বাঁহৰ পৰা পৰিৱেশ-অনুকূল আধুনিক আচবাব, কাগজ, খেলনা আৰু প্লাষ্টিকৰ বিকল্প সামগ্ৰী প্ৰস্তুত কৰা সম্ভৱ হৈছে। ঠিক একেদৰে, অসমৰ চাহ উদ্যোগৰ প্ৰেক্ষাপটতো এক ডাঙৰ পৰিৱৰ্তন আহিছে। বৰ্তমান সময়ত ক্ষুদ্ৰ চাহ খেতিয়ক আৰু স্বতন্ত্ৰ চাহ সংসাধন গোটসমূহে চাহৰ গুণগত মান উন্নত কৰি স্পেচিয়েলিটি চাহ, গ্ৰীন টি বা জৈৱিক চাহ উৎপাদন কৰি বিশ্বৰ বজাৰত অসমৰ নাম পুনৰ জিলিকাই তুলিছে। কাৰ্বি আংলঙৰ আদা, জহা চাউল, কাজি নেমু, ভূত জলকীয়া আৰু বিভিন্ন ঋতুগত ফল-মূলৰ পৰা খাদ্য সংসাধন উদ্যোগৰ জৰিয়তে জাম, জেলী, আচাৰ, স্কোৱাচ আদি প্ৰস্তুত কৰি বিপণন কৰাৰ প্ৰক্ৰিয়াই প্ৰকৃত মূল্য সংযোজন নিশ্চিত কৰে। ইয়াৰ দ্বাৰা কৃষকসকলৰ উৎপাদিত সামগ্ৰীয়ে উচিত মূল্য লাভ কৰে, মধ্যভোগীৰ দৌৰাত্ম্য হ্ৰাস পায় আৰু থলুৱা সম্পদৰ সৰ্বোত্তম ব্যৱহাৰো নিশ্চিত হয়।



নলিনী ৰঞ্জন ভূঞা

অসমৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু প্ৰধান সামাজিক-অৰ্থনৈতিক সমস্যাটোৱে হৈছে নিবনুৱা সমস্যা। প্ৰতি বছৰে ৰাজ্যখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা হাজাৰ হাজাৰ শিক্ষিত, অৰ্ধশিক্ষিত আৰু কাৰিকৰীভাৱে দক্ষ যুৱক-যুৱতী কৰ্মসংস্থাপনৰ সন্ধানত ওলাই আহে। কিন্তু চৰকাৰী চাকৰিৰ পৰিসৰ অত্যন্ত সীমিত হোৱাৰ বাবে সকলোৰে বাবে চৰকাৰী খণ্ডত সংস্থাপন লাভ কৰাটো সম্ভৱ নহয়। এনে এক জটিল সন্ধিক্ষণত ক্ষুদ্ৰ উদ্যোগসমূহে সমাজৰ বাবে ত্ৰাণকৰ্তাৰ ভূমিকা ল'ব পাৰে।

বৃহৎ উদ্যোগসমূহ সাধাৰণতে অতিমাত্ৰা স্বয়ংক্ৰিয় যন্ত্ৰপাতিৰ ওপৰত নিৰ্ভৰশীল বাবে তাত মানৱ শ্ৰমৰ প্ৰয়োজন দিনক দিনে হ্ৰাস পাই আহিছে। কিন্তু তাৰ বিপৰীতে ক্ষুদ্ৰ উদ্যোগসমূহ ঘাইকৈ মানৱ শ্ৰমপ্ৰধান। অৰ্থাৎ, ইয়াত তুলনামূলকভাৱে বহু বেছি সংখ্যক লোকক পোনপটীয়া আৰু পৰোক্ষভাৱে কৰ্মসংস্থাপন দিব পৰা যায়। যেতিয়া এজন থলুৱা যুৱকে নিজৰ অঞ্চলত এটা ক্ষুদ্ৰ উৎপাদন গোট স্থাপন কৰে, তেতিয়া কেৱল তেওঁৰ নিজৰ বাবেই জীৱিকাৰ পথ নোলায়, বৰং উদ্যোগটোৱে আন পাঁচ-দহজন লোককো কামৰ সুযোগ কৰি দিয়ে। অসমৰ গ্ৰাম্য অঞ্চলসমূহত থকা থলুৱা হস্তশিল্প, এৰী-মুগা তথা পাট কাপোৰৰ বয়ন কাৰ্য, পশুপালন, হাঁহ-কুকুৰা আৰু মীন পালনৰ দৰে ক্ষুদ্ৰ সমবায় বা ব্যক্তিগত গোটসমূহে যুৱ প্ৰজন্মক স্বাৱলম্বী হ'বলৈ এক নতুন দিশ দেখুৱাইছে, যাৰ ফলত কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ হোৱা অনিয়ন্ত্ৰিত প্ৰব্ৰজনৰ হাৰ বহুখিনি হ্ৰাস পাব।

অসমৰ মুঠ জনসংখ্যাৰ সিংহভাগ গাঁৱত বাস কৰে। গতিকে, অসমক সামগ্ৰিকভাৱে আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ হ'লে প্ৰথমে গ্ৰাম্য অৰ্থনীতিক স্বতন্ত্ৰ আৰু শক্তিশালী কৰি তুলিব লাগিব। অতীতত আমাৰ গ্ৰাম্য অৰ্থনীতি কেৱল পৰম্পৰাগত একঁকালীন কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল, যাৰ বাবে বানপানীৰ সময়ত বা খেতিৰ বতৰ শেষ হোৱাৰ পিছত গ্ৰাম্য লোকসকলে তীব্ৰ আৰ্থিক নাটনিৰ সন্মুখীন হ'বলগীয়া হৈছিল। ক্ষুদ্ৰ উদ্যোগে গ্ৰাম্য অৰ্থনীতিক এক বহুমুখী আৰু বৈচিত্ৰ্যময় ৰূপ প্ৰদান কৰিছে। গাঁৱৰ চুকে-কোণে গঢ়ি উঠা এই ক্ষুদ্ৰ উদ্যোগসমূহে গ্ৰাম্য এলেকাত নগদ ধনৰ প্ৰবাহ বৃদ্ধি কৰে। যেতিয়া গাঁৱৰ সাধাৰণ মানুহৰ হাতলৈ নিয়মীয়া আয় আহে, তেতিয়া তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি পায়, যাৰ প্ৰত্যক্ষ আৰু ইতিবাচক প্ৰভাৱ স্থানীয় বজাৰসমূহত পৰে। ইয়াৰ উপৰিও, ডাঙৰ ডাঙৰ উদ্যোগসমূহ সাধাৰণতে পৰিবহণৰ সুবিধাৰ বাবে চহৰ বা ঘাইপথৰ ওচৰত কেন্দ্ৰীভূত হয়, যাৰ ফলত চহৰ আৰু গাঁৱৰ মাজত এক গভীৰ আঞ্চলিক বৈষম্যৰ সৃষ্টি হয়। কিন্তু ক্ষুদ্ৰ উদ্যোগসমূহ যিকোনো ভৌগোলিকভাৱে দুৰ্গম অঞ্চলতো স্থানীয় প্ৰয়োজন অনুসৰি স্থাপন কৰিব পৰা যায়। সেয়ে ই অসমৰ বিভিন্ন জিলা আৰু অঞ্চলৰ মাজত থকা অৰ্থনৈতিক অসমতা দূৰ কৰাত গুৰুত্বপূৰ্ণ অনুঘটক হিচাপে কাম কৰে।

অসমৰ সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটত মহিলাসকল স্বভাৱগতভাৱেই অত্যন্ত পৰিশ্ৰমী, সৃজনীশীল আৰু বিভিন্ন গৃহশিল্পত নিপুণ। বিশেষকৈ বস্ত্ৰশিল্প বা তাঁতশালৰ সৈতে অসমীয়া মহিলাৰ সম্পৰ্ক অতি নিবিড়। ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগ খণ্ডই মহিলাসকলক ঘৰৰ চাৰিবেৰৰ চিৰাচৰিত গণ্ডীৰ পৰা উলিয়াই আনি ব্যৱসায়িক জগতত সন্মানেৰে প্ৰতিষ্ঠা লাভ কৰাত অভূতপূৰ্ব সহায় কৰিছে। বৰ্তমান সময়ত ৰাজ্যখনত সক্ৰিয় হৈ থকা আত্মসহায়ক গোটসমূহৰ জৰিয়তে অসমৰ হাজাৰ হাজাৰ মহিলা ক্ষুদ্ৰ উদ্যোগৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছে। এই বৰ্ধিত নাৰী শক্তিয়ে আচাৰ প্ৰস্তুত কৰা, থলুৱা পিঠা-পনা তথা জলপান তৈয়াৰ কৰা, চিলাই কাৰ্য, হস্ততাঁতৰ আধুনিক বস্ত্ৰ উৎপাদন, কাঠফুলা খেতি আদিৰ দৰে বিভিন্ন ক্ষুদ্ৰ ব্যৱসায় অত্যন্ত সফলতাৰে আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰিছে। ইয়াৰ ফলত মহিলাসকলে কেৱল নিজৰ পৰিয়ালটোক আৰ্থিকভাৱে সহায় কৰাই নহয়, বৰং সমাজত নিজৰ মৰ্যাদা, আত্মবিশ্বাস আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাও বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

অসমত ক্ষুদ্ৰ উদ্যোগৰ এই বিশাল সম্ভাৱনীয়তাক বাস্তৱ ৰূপ দিবলৈ আৰু থলুৱা যুৱ-প্ৰজন্মক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেইখনমান যুগান্তকাৰী আঁচনি ৰূপায়ণ কৰিছে। ইয়াৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য পদক্ষেপটো হৈছে 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান'। এই আঁচনিৰ জৰিয়তে কাৰিকৰী আৰু সাধাৰণ শিক্ষাৰে দীক্ষিত সহস্ৰাধিক নিবনুৱা যুৱক-যুৱতীক ক্ষুদ্ৰ উৎপাদন গোট বা সেৱা খণ্ডৰ ব্যৱসায় আৰম্ভ কৰিবলৈ ২ লাখৰ পৰা ৫ লাখ টকা পৰ্যন্ত অনুদান আৰু সুতবিহীন ঋণৰ এক সন্মিলিত বিত্তীয় পেকেজ আগবঢ়োৱা হৈছে, যিয়ে থলুৱা ঔদ্যোগিক পৰিৱেশটোলৈ এক অভূতপূৰ্ব জোৱাৰ আনিছে। ঠিক একেদৰে, গ্ৰাম্য অৰ্থনীতিৰ মূল চালিকাশক্তি স্বৰূপ মহিলাসকলক ব্যৱসায়িকভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে আৰম্ভ কৰা 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানে' গ্ৰাম্য আত্মসহায়ক গোটৰ লাখ লাখ মহিলাক ক্ষুদ্ৰ মাইক্ৰ'-এণ্টাৰপ্ৰাইজ বা ব্যক্তিগত উৎপাদন গোট স্থাপনৰ বাবে পোনপটীয়া বিত্তীয় সাহায্য প্ৰদান কৰিছে। চৰকাৰী পৰ্যায়ৰ এনে লক্ষ্যভিত্তিক পদক্ষেপে অসমৰ ক্ষুদ্ৰ উদ্যোগ খণ্ডটোক এক সুৰক্ষিত আৰু গতিশীল ভেটি প্ৰদান কৰিবলৈ সক্ষম হৈছে।

যিকোনো সম্ভাৱনাপূৰ্ণ অৰ্থনৈতিক খণ্ডৰ দৰেই অসমৰ ক্ষুদ্ৰ উদ্যোগ খণ্ডটোও বৰ্তমান সময়ত কেতবোৰ গুৰুতৰ প্ৰত্যাহ্বানৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। এই হেঙাৰসমূহ যদি সময়মতে দূৰ কৰিব পৰা নাযায়, তেন্তে আত্মনিৰ্ভৰশীলতাৰ চূড়ান্ত লক্ষ্যত উপনীত হোৱাটো কঠিন হ'ব। সম্প্ৰতি বহু নতুন ধাৰণা থকা থলুৱা তৰুণ উদ্যমীৰ বাবে প্ৰাৰম্ভিক মূলধনৰ অভাৱ আটাইতকৈ ডাঙৰ সমস্যা হৈ পৰিছে। চৰকাৰে বিভিন্ন আঁচনিৰ কথা ঘোষণা কৰে যদিও বাস্তৱ ক্ষেত্ৰত সাধাৰণ আৰু গ্ৰাম্য উদ্যমীসকলে বেংকৰ পৰা সহজতে, জামিনবিহীনভাৱে ঋণ লাভ কৰাত নানাধৰণৰ লেহেমীয়া প্ৰক্ৰিয়া আৰু জটিলতাৰ সন্মুখীন হ'বলগীয়া হয়। দ্বিতীয়তে, বৰ্তমানৰ প্ৰতিযোগিতামূলক বজাৰত টিকি থাকিবলৈ হ'লে উৎপাদনৰ আধুনিক প্ৰযুক্তি আৰু যান্ত্ৰিকীকৰণ অপৰিহাৰ্য। কিন্তু অসমৰ বহু ক্ষুদ্ৰ উদ্যোগ এতিয়াও পুৰণি কাৰিকৰী পদ্ধতিৰে চলি আছে, যাৰ বাবে সামগ্ৰী উৎপাদনৰ খৰচ বৃদ্ধি পায় আৰু উৎপাদিত সামগ্ৰীৰ ফিনিচিং বা গুণগত মান আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ হ'ব পৰা নাই। তৃতীয়তে, সামগ্ৰী উৎপাদন কৰাটো যিমান প্ৰত্যাহ্বানমূলক, তাক সঠিক বজাৰত উচিত মূল্যত গ্ৰাহকৰ ওচৰলৈ লৈ যোৱাটো তাতকৈও বেছি কঠিন। অসমৰ বহু গ্ৰাম্য ক্ষুদ্ৰ উদ্যমীয়ে আজিও সঠিক বজাৰৰ তথ্য নোপোৱা বাবে মধ্যভোগীৰ শোষণৰ বলি হ'বলগীয়া হৈ আহিছে। চতুৰ্থতে, যিকোনো উৎপাদনমুখী উদ্যোগ অবিৰতভাৱে পৰিচালনা কৰাৰ বাবে নিয়মীয়া আৰু সুলভ বিদ্যুৎ যোগান অপৰিহাৰ্য। কিন্তু অসমৰ গ্ৰাম্য অঞ্চলসমূহৰ উদ্যোগিক গোটবোৰ এতিয়াও বিদ্যুৎ কৰ্তনৰ সমস্যাৰ পৰা মুক্ত নহয়। ইয়াৰ উপৰিও যাতায়াত ব্যৱস্থাৰ দুৰ্বলতাই অতিৰিক্ত পৰিবহণ খৰচ বৃদ্ধি কৰে।

এই প্ৰত্যাহ্বানসমূহ থকা সত্বেও সঠিক পৰিকল্পনা আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে এই সকলোবোৰ সমস্যাৰ স্থায়ী সমাধান উলিওৱাটো সম্ভৱ। চৰকাৰ, বিত্তীয় প্ৰতিষ্ঠান আৰু সমাজ- এই তিনিও পক্ষৰে এক সন্মিলিত প্ৰচেষ্টাৰ বাবে তলৰ পদক্ষেপসমূহ গ্ৰহণ কৰিব পৰা যায়।

১) চৰকাৰ আৰু বেংক কৰ্তৃপক্ষই নতুন উদ্যমীসকলৰ বাবে ঋণ প্ৰদানৰ গোটেই প্ৰক্ৰিয়াটো অতি সৰল, নিকা আৰু ডিজিটেল কৰিব লাগে। প্ৰধানমন্ত্ৰী মুদ্ৰা আঁচনি, ষ্টেণ্ডআপ ইণ্ডিয়া বা ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা যাতে প্ৰকৃত যোগ্যতা থকা হিতাধিকাৰীয়ে কোনো হাৰাশাস্তি নোহোৱাকৈ সময়মতে লাভ কৰিব পাৰে, তাৰ বাবে জিলা পৰ্যায়ত একোটা জবাবদিহি তদাৰকী কোষ গঠন কৰিব লাগে।

২) ৰাজ্যৰ প্ৰতিটো মহকুমা পৰ্যায়ত আধুনিক কাৰিকৰী, বৃত্তিমূলক আৰু ব্যৱসায়িক ব্যৱস্থাপনা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিব লাগে, য'ত যুৱক-যুৱতীসকলক গুণগত সামগ্ৰী প্ৰস্তুতকৰণ, ডিজিটেল মাধ্যমেৰে ব্যৱসায় পৰিচালনা, আধুনিক পেকেজিং আৰু বাণিজ্যিক হিচাপ-নিকাচৰ ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হ'ব।

৩) বিপণনৰ সমস্যা দূৰ কৰিবলৈ চৰকাৰী উদ্যোগত প্ৰতিখন জিলাতে স্থায়ী থলুৱা বজাৰ বা প্ৰদৰ্শনী কেন্দ্ৰ গঢ়ি তুলিব লাগে। বৰ্তমানৰ ডিজিটেল যুগত, ই-বাণিজ্য বা অনলাইন বজাৰৰ এক বিশাল বিশ্বব্যাপী প্ৰভাৱ আছে। চৰকাৰে অসমৰ ক্ষুদ্ৰ উদ্যোগৰ সামগ্ৰীসমূহক গোলকীয় অনলাইন বিপণন প্লেটফৰ্মসমূহৰ সৈতে পোনপটীয়া সংযোগ কৰি দিবলৈ বিশেষ পৰিবহণ আৰু কাৰিকৰী সাহায্য আগবঢ়াব পাৰে।

৪) গ্ৰাম্য উদ্যোগিক ক্লাষ্টাৰসমূহ চিনাক্ত কৰি তাত ২৪ ঘণ্টাই গুণগত বিদ্যুৎ আৰু উন্নত পথ যোগাযোগ নিশ্চিত কৰাটো প্ৰশাসনৰ প্ৰাথমিক কৰ্তব্য হোৱা উচিত।

পৰিশেষত ক'ব পাৰি যে, অসমক এখন প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰশীল, শক্তিশালী আৰু স্বাৱলম্বী ৰাজ্য হিচাপে গঢ়ি তোলাৰ সপোন কেৱল চৰকাৰী কাৰ্যালয়ৰ ফাইল, নীতি বা ৰাজনৈতিক স্তেস্তুগানৰ মাজতে আৱদ্ধ থাকিলে কেতিয়াও ফলপ্ৰসূ নহ'ব। ইয়াৰ বাবে আমাৰ সমগ্ৰ সমাজখনৰ চিৰাচৰিত মানসিকতাৰো এক ইতিবাচক পৰিৱৰ্তন হ'ব লাগিব। সমাজৰ নতুন প্ৰজন্মই কেৱল সীমিত পৰিসৰৰ চৰকাৰী চাকৰিৰ পাছত দৌৰাৰ মানসিকতা পৰিহাৰ কৰি স্ব-নিয়োজন, উদ্ভাৱন আৰু উদ্যোগশীলতাক জীৱনৰ এক মৰ্যাদাপূৰ্ণ কেৰিয়াৰ হিচাপে আদৰি ল'ব লাগিব। ইয়াৰ সমান্তৰালভাৱে, আমাৰ ৰাজ্যৰ স্থানীয় গ্ৰাহক তথা সাধাৰণ জনসাধাৰণৰ মাজতো থলুৱা সামগ্ৰী আদৰি লোৱাৰ এক সুস্থ অভ্যাস গঢ়ি উঠিব লাগিব। ক্ষুদ্ৰ উদ্যোগসমূহ কেৱল লাভ অৰ্জন কৰা ব্যৱসায়িক প্ৰতিষ্ঠানেই নহয়, ই হৈছে অসমৰ অৰ্থনৈতিক স্বাধীকাৰ আৰু আত্মমৰ্যাদা ৰক্ষাৰ একো একোটা শক্তিশালী দুৰ্গ। অসমৰ যুৱ প্ৰজন্মৰ অদম্য উৎসাহ, মেধা আৰু আধুনিক প্ৰযুক্তিৰ সৈতে যদি আমাৰ চহকী প্ৰাকৃতিক সম্পদ আৰু পৰম্পৰাগত কৃষ্টি-শিল্পৰ এক যুগোপযোগী মিলন ঘটাব পৰা যায়, তেন্তে আত্মনিৰ্ভৰ অসম গঢ়াৰ ঐতিহাসিক লক্ষ্যত উপনীত হ'বলৈ অধিক দিন নালাগিব।

# সজাগ হওক মানৱজাতি

**মেৰী বৰদলৈ**

বানপানী সোমাল সকলোৰে সপোনৰ ঘৰখন উটুৱাই লৈ গ'ল, বহুতো ভাইবন্ধু, আইবোপাইক বলীয়া বানে আমাৰ মাজৰপৰা কাঢ়ি লৈ গুচি গ'ল, তথাপিও কিছু লোকৰ উদ্ভগুলি নগ'ল, এই সংকটৰ বেলাত এজন বিধায়কে হাঁহি হাঁহি আন এজন বিধায়কক কৰা উপলুঙাৰ কথা আমি পাহৰি নাযাওঁ, সকলো দেখি আছোঁ আমি, সকলোৰে দৃষ্টিগোচৰ হৈছে, নিউজ চেনেল তথা পেজ সমূহত। আমি সাধাৰণ মানুহ সেয়ে সাধাৰণ ৰাইজে সদায় বিচাৰে যে বিপদৰ সময়ত ইজনেসিজনৰ সহায়ক হোৱা, তাকে সহায় কৰিব নোৱাৰিলেও বিপদৰ সতীৰ্থসকলৰ দোষৰ সমভাগী হোৱাৰ, একো দিব নোৱাৰে নালাগে নাই, কাকো নাহাঁহিব। কাৰণ এই সময় জানো হাঁহি আনন্দৰ মাছ মাংসৰ মজা লোৱা সময়, প্ৰকৃততে মানুহৰ এই অপকৰ্ম বোৰ দেখিয়েই প্ৰকৃতিয়েও লৈছে দিনকদিনে কালৰূপ, ক'ৰবাত যদি বৰষুণ পৰি সাগৰ কৰিছে আৰু ক'ৰবাত কেৱল ৰ'দ দি মাটি বাৰী গছগছনি শুকুৱাইছে। তথাপি আমাৰ ৰাইজৰ মনমগজুত জ্ঞান বোলা শিপাডাল পোখা মেলা নাই, কি যে আচৰিত সঁচাকৈ। এচাম জ্ঞানশূন্য লোকৰ বাবে এচাম নীৰিহলোকৰ প্ৰাণ যাবলৈ ধৰিছে। বানপানী শুকাইছে, বানপানী কবলত পৰা ৰাইজে সপোনৰ ঘৰখন দেখি হিয়াধাকুৰি কান্দিছে, আমিও চকুলো টুকিছোঁ আজি সকলোৰে। এতিয়া এই সময় খিনিত কেনেদৰে বানপীড়িত ৰাইজৰ স্বাস্থ্যৰ ওপৰত যত্ন ল'ব লাগে তাৰ ওপৰত স্বাস্থ্য বিভাগে অধিক গুৰুত্ব প্ৰদান কৰা উচিত। বৰ্তমান চৰাইদেউ, শিৱসাগৰ, যোৰহাটৰ যি দুৰ্দশা, এনে সময়ত আমাৰ যি নৱপ্ৰজন্ম যুৱক/যুৱতী/মহিলা সকলে সাহসেৰে আগবাঢ়ি আহি যি সহায়ৰ আগবঢ়াইছে এইয়াই হৈছে মহান মানৱীয়তা, আমি লেখাটোৰ জৰিয়তে তেখেতসকললৈ অন্তৰৰ নিভৃতকোণৰ পৰা আন্তৰিক শ্ৰদ্ধাও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, লগতে তেখেত সকলৰ সুস্বাস্থ্যও দীৰ্ঘায়ু কামনা কৰিলোঁ, আহক সকলো ওলাই হাতেহাত ধৰি, আৰ্তজনৰ সহায় হওঁ, প্ৰাৰ্থনা জনাও।

এইখিনিতে বৰ্তমান চৰকাৰখনলৈও আমি বিশেষভাৱে অনুৰোধ জনাওযে, অসমৰ যি বানপানীৰ সমস্যা, এই সমস্যাৰ পৰা কেনেকৈ বানৰ কবলত পৰা অঞ্চল সমূহক ৰক্ষা কৰিব পাৰি তাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি অঞ্চল সমূহ নিৰাপদমুখী কৰি তোলে যেন। প্ৰতি বছৰে বান আহে আৰু যায় কাৰণ প্ৰকৃতিৰ নিয়ম প্ৰকৃতিয়ে কৰিবই সেইবুলি জানো হাত সাৱটি বহি থাকিলে বিপদমুক্ত হ'ব। কিছু আঁচনি বন্ধ কৰি সেই টকাৰে বিপদমুক্ত এখন অসম গঢ়ি তোলক।

প্ৰতি চৰকাৰেই মথাউৰিৰ নামত প্ৰতিবছৰে লাখ লাখ কোটি কোটি টকা ঢালি আছে অসমৰ বানপীড়িত অঞ্চল সমূহলৈ, তথাপিও বান প্ৰতিৰোধ কৰিব পৰা নাই, দৰকাৰী কথা হ'ল ইমান টকা মথাউৰিৰ নামত চৰকাৰ সমূহে প্ৰদান কৰিও কিয় মথাউৰি নিৰ্মাণ কৰাত ব্যথ আজি, তাৰ ওপৰত আলোচনা কৰি সুবিচাৰ কৰি অসমৰ এই অসুৰক্ষিত অঞ্চল সমূহ সুৰক্ষিত কৰি তুলি যেন। অসমৰ ৰাইজৰ বাবে, অসমখনৰ বাবে যিবোৰ অতি প্ৰয়োজন সেই কামবোৰ যেন কৰি যাওক তাৰেই অনুৰোধ। নহ'লে সোণৰ অসম বুলি কোৱা কথাষাৰৰ অৰ্থ একো নাথাকিবগৈ। সজাগ হওক ৰাইজ, আমাৰ সকলোৰে সজাগতাই অসম আই বুকুলৈ আনিব সুৰক্ষাৰ এখনি নিভাঁজ সেউজীয়া চাদৰ।

# জনসাধাৰণ আৰু চৰকাৰ




সম্পাদক ডাঙৰীয়া,

আমি সকলোৰে একেলগে জনসাধাৰণ। ইয়াৰ মাজৰ পৰা গৈ মন্ত্ৰী বিধায়ক সকলো চৰকাৰী বিষয়া হৈছে। সময় আৰু কৰ্মই কিদৰে আমাৰ মাজত ভাগ ভাগ সৃষ্টি কৰিছে। আজি ম'বাইল বা টি ভি খুলিব ই নোৱাৰি। কিমান চাবা কৰুণ অত্যাচাৰ নিৰ্যাতনৰ কাহিনী। অন্যায়ৰ বিৰুদ্ধে মাত মাতিব নোৱাৰি। প্ৰতিবাদ কৰিলে এফালৰ পৰা লাঠিৰে কোবাইছে। ৰাইজৰ হকে দুষাৰ ক'লে জে'লত ভৰাই থয়। এয়াই বাৰু গণতন্ত্ৰ নেকি? এবাৰ ভাৱি চাওক ৰাইজ। কিছুমানে একেখন কলেজত পঢ়ি ল'ৰা ছোৱালী। এসময়ত কোনোবা মন্ত্ৰী, বিধায়ক, এছ পি, ডি এছ পি, আদি হৈছে। আকৌ কোনোবা লেখক কবি সাহিত্যিক সাংবাদিক হৈছে। আৰু কোনোবা সমাজৰ নেতা হৈছে। কথা হ'ল সেই দেউতাকৰ বয়সৰ মানুহে নিজৰ ল'ৰা ছোৱালীবোৰক তামাম পিটিছে। নাইবা কোনো ক্ষেত্ৰত সাধাৰণ জনসাধাৰণক পুলিছে ইমান বেয়াকৈ মাৰে বাপৰে বাপ। দেখিলে বহুত বেয়া লাগে। চোৰ ডকাইত হ'লে বেলেগ কথা। সকলো মানুহে তেনেকৈ মানুহ মাৰা কাম কৰিব পাৰিবনে? আমি হ'লে নমস্কাৰ। অন্য কিবা বেলেগ কাম কৰিম। তথাপি এনেধৰণৰ কাম কৰিব নোৱাৰোঁ। মানুহে মানুহক মাৰা। জনসাধাৰণ আৰু চৰকাৰ আমিয়েই। আজি মই আইনৰ বলত কাৰোবাক পিটিছো। কিছুদিন পিছত আমাৰ ল'ৰাটোক কোনোবাই ৰামপিটন দিব। কাৰো হাতত সদায় ক্ষমতা নাথাকে। সেয়ে যিয়েই নহওক জনসাধাৰণ আৰু চৰকাৰ এটা হিচাপত থকা দৰকাৰ।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত ধনদাবীৰ অভিযোগক কেন্দ্ৰ কৰি পশ্চিম বেতবাৰীত উত্তেজনা

## সভানেত্ৰীৰ স্বামী আৰু উপ-সভাপতিৰ মাজত হতাহতি; ঘটনাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৪ জুলাই ঃ** বৰপেটা জিলাৰ পাকাবেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম বেতবাৰী গাঁও পঞ্চায়তৰ ভোলোকাবাৰী পাথাৰ অঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনা (PMAY)-ৰ গৃহ আবণ্টনৰ নামত ধনদাবী কৰাৰ অভিযোগক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। অভিযোগক লৈ পঞ্চায়তখনৰ সভানেত্ৰী নাজমা খাতুনৰ স্বামী নুৰুল মিঞা আৰু উপ-সভাপতি তাৰা মিঞাৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয় আৰু পৰৱৰ্তী সময়ত সেই ঘটনা হতাহতিলৈ ৰূপ লয় বুলি স্থানীয় সূত্ৰে জানিবলৈ দিয়ে। ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰাই দিয়াৰ প্ৰতিশ্ৰুতিৰে হিতাধিকাৰীৰ পৰা ধন বিচৰাৰ বিষয়টোক লৈ দীৰ্ঘদিন ধৰি অসন্তুষ্টি বিৰাজ কৰিছিল। এই অভিযোগক কেন্দ্ৰ কৰিয়েই উভয় পক্ষৰ মাজত তীব্ৰ বাদানুবাদৰ সৃষ্টি হয় আৰু পৰিস্থিতি উত্তপ্ত হৈ উঠে। ঘটনাৰ পিছতে বহু স্থানীয় লোকে চৰকাৰী কল্যাণমূলক আঁচনিৰ ৰূপায়ণত সম্পূৰ্ণ স্বচ্ছতা নিশ্চিত কৰাৰ দাবী জনায়। ৰাইজে অভিযোগসমূহৰ নিৰপেক্ষ তদন্ত কৰি যদি কোনো অনিয়ম বা দুৰ্নীতি সংঘটিত হোৱা বুলি প্ৰমাণিত হয়, তেন্তে জড়িতসকলৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে। এই ঘটনাই চৰকাৰী আঁচনিৰ স্বচ্ছতা আৰু জবাবদিহিতাক পুনৰবাৰ প্ৰশ্নৰ সন্মুখীন কৰিছে। স্থানীয় সচেতন মহলে মত প্ৰকাশ কৰি কয় যে, দৰিদ্ৰ লোকৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা আঁচনিৰ নামত যদি কোনো ধৰণৰ অবৈধ ধনদাবী বা অনিয়ম সংঘটিত হয়, তেন্তে সেয়া অতি উদ্বেগজনক বিষয়। উল্লেখ্য যে, ধনদাবীৰ অভিযোগ আৰু ঘটনাটোৰ অন্যান্য দিশসমূহৰ সত্যতা সংশ্লিষ্ট প্ৰশাসন বা তদন্তকাৰী সংস্থাই আনুষ্ঠানিকভাৱে নিশ্চিত কৰা নাই। অভিযোগসমূহৰ নিৰপেক্ষ তদন্তৰ জৰিয়তে প্ৰকৃত তথ্য পোহৰলৈ অহাটো প্ৰয়োজন।

## NEET প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ প্ৰতিবাদত শ-শ ছাত্ৰ-ছাত্ৰী ৰাজপথত, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী

# বৰপেটা জিলাৰ কলগাছিয়াত ছাত্ৰ সমাজৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, কুমুল্লী পৰা, ২৪ জুলাই ঃ** NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাক কেন্দ্ৰ কৰি দেশজুৰি সৃষ্টি হোৱা ক্ষোভৰ প্ৰতিধ্বনি এইবাৰ বৰপেটা জিলাৰ কলগাছিয়াতো শুনা গ'ল। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে দিল্লীৰ জন্তৰ মন্তৰত CJP-এ আয়োজন কৰা প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰতি সংহতি প্ৰকাশ কৰি কলগাছিয়াত শ-শ ছাত্ৰ-ছাত্ৰী ৰাজপথলৈ ওলাই আহি এক বৃহৎ প্ৰতিবাদী সমদল উলিয়ায়। হাতে-হাতে বেনাৰ, প্লেকাৰ্ড আৰু বিভিন্ন দাবীসংবলিত ফলক লৈ প্ৰতিবাদকাৰীসকলে সমগ্ৰ অঞ্চল পৰিভ্ৰমণ কৰি শিক্ষাব্যৱস্থাৰ স্বচ্ছতা আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্যতা ৰক্ষাৰ দাবীত বিভিন্ন শ্লোগান দিয়ে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে, NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাই লাখ লাখ মেধাৱী শিক্ষাৰ্থীৰ ভৱিষ্যৎ অনিশ্চয়তাৰ মুখলৈ ঠেলি দিছে আৰু দেশৰ পৰীক্ষা ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ আস্থা গভীৰভাৱে ক্ষুণ্ণ কৰিছে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা ছাত্ৰ নেতাসকলে কয় যে, শিক্ষাৰ দৰে স্পৰ্শকাতৰ ক্ষেত্ৰত সংঘটিত এনে অনিয়ম কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। তেওঁলোকে ঘটনাটোৰ সম্পূৰ্ণ, নিৰপেক্ষ আৰু সময়সীমাবদ্ধ তদন্তৰ দাবী জনোৱাৰ লগতে দোষীসকলক কঠোৰ শাস্তি প্ৰদানৰ আহ্বান জনায়। একেসময়তে প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ দাবী কৰি কয় যে, দেশৰ পৰীক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা ৰক্ষাত চৰকাৰ ব্যৰ্থ হৈছে। তেওঁলোকৰ মতে, এই ঘটনাৰ নৈতিক দায়িত্ব গ্ৰহণ কৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰীয়ে পদত্যাগ কৰা উচিত। প্ৰতিবাদকাৰীসকলে চৰকাৰক সতৰ্ক কৰি দিয়ে যে, শিক্ষাৰ্থী সকলৰ ন্যায্য দাবীৰ প্ৰতি যদি শীঘ্ৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা নহয়, তেন্তে আগন্তুক দিনত গণতান্ত্ৰিক পদ্ধতিৰে অধিক ব্যাপক আৰু তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব। উল্লেখ্য যে, প্ৰতিবাদী কাৰ্যসূচীটো শান্তিপূৰ্ণভাৱে সম্পন্ন হয় যদিও আইন-শৃংখলা পৰিস্থিতি সুস্থিৰ ৰাখিবলৈ আৰক্ষীয়ে সমগ্ৰ এলেকাত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰে।

# গৌৰীপুৰত পুনৰ চিলনী চোৰৰ সন্ত্ৰাস, ডিঙিৰ চেইন ছিঙি পলায়ন, আহত এগৰাকী মহিলা

**অসম বাৰ্তা, গৌৰীপুৰ, ২৪ জুলাই ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰত চিলনী চোৰৰ সন্ত্ৰাসত আতংকিত হৈ পৰিছেৰাইজ। আজি চিলনী চোৰে মহিলা এজনীৰ ডিঙিৰ পৰা সোণৰ চেইন টানি ছিঙি লৈ পলায়ন কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি দুপৰীয়া নগৰ খনৰ আঠ নং ৱাৰ্ডৰ বাসিন্দা মুকেশ ওচৱালৰ পত্নী পুষ্পা ওচৱাল এঘাৰ নং ৱাৰ্ডৰ পৰা ই ৰিস্কাৰে ঘৰ অভিমুখে আহি থকা অৱস্থাত পিছফালৰ পৰা মটৰ চাইকেলৰে অহা দুই যুৱকে মহিলাজনীৰ ডিঙিৰ পৰা চেইন টানি ছিঙি লৈ দ্ৰুত গতিত আঁতৰি যায়। জানিব পৰা মতে চেইনটো সোণৰ হোৱাৰ লগতে প্ৰায় তিনি ভৰি ওজনৰ হব পৰিয়ালৰ লোকে বুলি জানিবলৈ দিছে। উল্লেখ্য যে ই ৰিস্কাৰ পৰা চেইন টানি লোৱা সময়ত মহিলাজনী ই ৰিস্কাত খুন্দা লাগি গুৰুতৰভাৱে আহত হয়। পৰিয়ালৰ লোকে মহিলা জনীক চিকিৎসালয়ত ভৰ্তি কৰোৱা বুলি জানিব পৰা গৈছে। চলিত জুলাই মাহত গৌৰীপুৰত চাৰিটা চিলনী চোৰৰ ঘটনা সংঘটিত হৈছে। চিলনী চোৰৰ সন্ত্ৰাসত নগৰবাসীৰ মাজত আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে যদিও প্ৰশাসনে ইয়াক প্ৰতিৰোধ কৰাত অপাৰগ হোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে।

# গোলকগঞ্জত শ্ৰীশ্ৰী জগন্নাথ দেৱৰ পুনৰ ৰথযাত্ৰাৰ জৰিয়তে ১০ দিনীয়া মহোৎসৱৰ সফল সামৰণি

**অসম বাৰ্তা, গোলকগঞ্জ, ২৪ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ ৪ নং ৱাৰ্ডস্থিত শ্ৰীৰাধামাধৱ গৌড়ীয় মঠত গৌড়ীয় বেদান্ত সমিতিৰ উদ্যোগত ১৫ জুলাইৰ পৰা ২৪ জুলাইলৈ ১০ দিনীয়া শ্ৰীশ্ৰী জগন্নাথ দেৱৰ ৰথযাত্ৰা মহোৎসৱ ভক্তি-শ্ৰদ্ধাৰে অনুষ্ঠিত হ'য়। সমিতিৰ তৰফৰ পৰা জানিবলৈ দিয়া মতে, গৌড়ীয় বেদান্ত সমিতিৰ প্ৰাক্তন সভাপতি আচাৰ্য নিত্যলীলা প্ৰবিষ্ট বিষ্ণুপাদ ১০৮ শ্ৰীশ্ৰীমদ্ভক্তি বেদান্ত বামন গোস্বামী মহাৰাজ আৰু নিত্যলীলা প্ৰবিষ্ট বিষ্ণুপাদ ১০৮ শ্ৰীশ্ৰীমদ্ভক্তি বেদান্ত পৰ্যটক গোস্বামী মহাৰাজৰ কৃপা-আশীৰ্বাদ, বৰ্তমান সভাপতি আচাৰ্য শ্ৰীশ্ৰীমদ্ভক্তি বেদান্ত পদ্মনাভ মহাৰাজৰ আনুগত্য, শ্ৰীমদ্ভক্তি বেদান্ত বিষ্ণু মহাৰাজ আৰু শ্ৰী গৌৰসুন্দৰ দাসাধিকাৰী প্ৰভুৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ১৫ জুলাইত শ্ৰীগুণ্ডিচা মন্দিৰ মাৰ্জনৰ জৰিয়তে মহোৎসৱৰ শুভাৰম্ভ হ'য়। ১৬ জুলাইত মূল মন্দিৰৰ পৰা গুণ্ডিচা মন্দিৰলৈ শ্ৰীশ্ৰী জগন্নাথ দেৱৰ মহাৰথযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পিছত প্ৰতিদিনে মঙ্গলাৰতি, ভাগৱত পাঠ, নাম-সংকীৰ্তন, পদাবলী কীৰ্তন, ধৰ্মসভা, ভোগ-আৰতি আৰু মহাপ্ৰসাদ বিতৰণৰ আয়োজনত থাকে। মহোৎসৱৰ অন্যতম আকৰ্ষণ হিচাপে নৱদ্বীপৰ পৰা আগমন কৰা শ্ৰীমদ্ভক্তি বেদান্ত গোস্বামী মহাৰাজ, শ্ৰীমদ্ভক্তি বেদান্ত সাধু মহাৰাজ আৰু শ্ৰীমদ্ভক্তি বেদান্ত অকিঞ্চন মহাৰাজে একাধিক ধৰ্মসভাত ভক্তসকলক আধ্যাত্মিক উপদেশ আগবঢ়ায়। ২০ জুলাইত হেৰাপঞ্চমী তথা শ্ৰীশ্ৰী লক্ষ্মী বিজয় উৎসৱ পালন কৰা হ'য়। আনহাতে, ২৩ জুলাইত গৌড়ীয় বেদান্ত সমিতিৰ প্ৰাক্তন সম্পাদক নিত্যলীলা প্ৰবিষ্ট ভক্তি বেদান্ত আচাৰ্য মহাৰাজৰ তিৰোভাৱ তিথি পালন কৰা হ'য়। ২৪ জুলাইত শ্ৰীশ্ৰী জগন্নাথ দেৱৰ পুনৰ ৰথযাত্ৰাৰ জৰিয়তে ১০ দিনীয়া মহোৎসৱৰ সামৰণি পৰে। গৌড়ীয় বেদান্ত সমিতিৰ তৰফৰ পৰা সমূহ ভক্তপ্ৰাণ ৰাইজক এই পবিত্ৰ ধৰ্মীয় অনুষ্ঠানত উপস্থিত থাকি শ্ৰীশ্ৰী জগন্নাথ দেৱৰ কৃপা লাভ কৰাৰ লগতে অনুষ্ঠানৰ সফলতাৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

## কৃষ্ণাই-নেপালীখুটি গড়কাপ্তানী পথত পুখুৰীসদৃশ গাঁতে মাতিছে দুৰ্ঘটনা

# কথমপি ৰক্ষা পৰিল ট্ৰেক্টৰ চালকসহ দুজন লোক

**অসম বাৰ্তা, কৃষ্ণাই, ২৪ জুলাই ঃ** ৰাজ্য চৰকাৰে উন্নয়নৰ বিভিন্ন প্ৰতিশ্ৰুতি দি অহাৰ মাজতে গোৱালপাৰা জিলাৰ কৃষ্ণাই-নেপালীখুটি সংযোগী গড়কাপ্তানী পথৰ জৰাজীৰ্ণ অৱস্থাই এতিয়াও সাধাৰণ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীৰ বাবে দুৰ্ভোগৰ কাৰণ হৈ পৰিছে। আজি পুৱাই পথটোৰ ৰাকেশ কেবিন হোটেলৰ সমীপত পুখুৰীসদৃশ ডাঙৰ গাঁতত জমা হোৱা পানীত এখন ট্ৰেক্টৰ বাগৰি পৰি দুৰ্ঘটনাগ্ৰস্ত হয়। দুৰ্ঘটনাটোত চালকসহ দুজন লোক কথমপি প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয়। স্থানীয় ৰাইজে তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলাই দুয়োকে সুৰক্ষিতভাৱে বাহিৰলৈ উলিয়াই আনে। স্থানীয় বাসিন্দাসকলৰ অভিযোগ অনুসৰি, পথটোৰ একাধিক স্থানত সৃষ্টি হোৱা গভীৰ গাঁতৰ ফলত ইতিমধ্যে বহু সৰু-ডাঙৰ দুৰ্ঘটনা সংঘটিত হৈছে। বৰষুণৰ পানীত গাঁতবোৰ ঢাকি থকাৰ বাবে চালকসকলে গাঁতৰ গভীৰতা অনুমান কৰিব নোৱাৰাত দুৰ্ঘটনাৰ আশংকা অধিক বৃদ্ধি পাইছে। ইয়াৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কৃষ্ণাইবাসী ৰাইজ তথা কৃষ্ণাই আঞ্চলিক ছাত্ৰ সন্থা, আমছু আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়াসকলে অতি শীঘ্ৰে পথছোৱা মেৰামতি বা পুনৰ্নিৰ্মাণ কৰাৰ বাবে চৰকাৰ আৰু গড়কাপ্তানী বিভাগৰ ওচৰত জোৰ দাবী জনাইছে। লগতে আৰু কোনো প্ৰাণহানি ঘটাৰ আগতেই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও আহ্বান জনাইছে।

# ৰঙিয়াত কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন কলিতা জনগোষ্ঠী সন্মিলন আৰু লেখিকা সমাজৰ



**অসম বাৰ্তা, ৰঙিয়া, ২৪ জুলাই ঃ** সদ্যঘোষিত নীট্ আৰু শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সাধাৰণ প্ৰৱেশ পৰীক্ষাত (SSUHS CEE) সফলতা অৰ্জন কৰা ৰঙিয়াৰ একাংশ কৃতি ছাত্ৰ-ছাত্ৰীক আজি কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ ৰঙিয়া জিলা সমিতি আৰু অসম লেখিকা সমাজৰ ৰঙিয়া জিলা সমিতিৰ বিষয়ববীয়াসকলে অভিনন্দন জ্ঞাপন কৰে। ৰঙিয়াৰ বাৰ্মিজ নগৰ নিবাসী দেৱেন ডেকা আৰু মেঘালী ডেকাৰ কন্যা পৰিণীতা ডেকা, পাঁচ নম্বৰ ৱাৰ্ডৰ কালিন্দ্ৰ দাস আৰু জুৰি কলিতা দাসৰ ল'ৰা নিৰ্ঝৰ দাস, তটাৰকুছিৰ বিপুল কলিতা আৰু বৰ্ণালী কলিতাৰ কন্যা প্ৰিয়া কলিতাক তেওঁলোকৰ ঘৰত গৈ ফুলাম গামোচা আৰু একোখন মানপত্ৰ প্ৰদান কৰি অভিনন্দন জনাই। অভিনন্দন প্ৰদান পৰ্বত কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ উপদেষ্টা পবিন কলিতা, ৰঙিয়া জিলা সমিতিৰ সভাপতি ৰীণা কলিতা মহন্ত, কাৰ্যকৰী সভাপতি জয়ন্ত জিত কলিতা, সম্পাদক ডংপৰেশ কলিতা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দেৱেন ডেকা, সাহিত্য সংগঠক হেমন্ত কলিতা, ৰঙিয়া জিলা লেখিকা সমাজৰ সভানেত্ৰী সবিতা বৰ্মন মজুমদাৰ, সম্পাদিকা মামনি লহকৰ, সদস্যা চম্পাৱতী দাস প্ৰমুখ্যে বহুকেইজন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

# নলবাৰীৰ চামতাত অভিনেতা উৎপল দাস আৰু কলাগুৰু থিয়েটাৰৰ শিল্পী, কলা-কুশলীৰ বান সাহায্য সংগ্ৰহ

**অসম বাৰ্তা, চামতা, ২৪ জুলাই ঃ** এতিয়া ভ্ৰাম্যমাণ নাট্যদল সমূহৰ পূৰ্ণ গতিত চলি আছে নাট্য আখৰা। উজনি অসমৰ বহু শিল্পী কলা কুশলী ব্যস্ত আছে আখৰা শিবিৰত। এনে সময়তে উজনি অসমত হোৱা ভয়াবহ বানে বহু কেইগৰাকী শিল্পী কলা-কুশলীৰ ঘৰখনো থান-বান কৰি পেলাইছে। উজনিৰ বান পৰিস্থিতিয়ে অন্তৰ চুই গৈছে ৰাজ্যবাসীৰ। বানাক্ৰান্তক সহায়ৰ বাবে ইতিমধ্যে আগবাঢ়ি আহিছে বহুজনে। নলবাৰীৰ চামতাত হাতত দান পাত্ৰ লৈ দোকানে-দোকানে দেখা গল জনপ্ৰিয় অভিনেতা উৎপল দাসক। জনপ্ৰিয় অভিনেতা উৎপল দাসৰ লগতে এজাক শিল্পী কলা কুশলী নামি পৰিছে ৰাজপথত। মানুহে মানুহৰ বাবে এটি দিন উজনিৰ বানাক্ৰান্তৰ দুখত সমভাগী হৈ বান সাহায্য সংগ্ৰহ কৰিছে "থিয়েটাৰ কলাগুৰু"ৰ প্ৰযোজকৰ লগতে শিল্পী কলা-কুশলীসকলে। শুক্ৰবাৰে পশ্চিম নলবাৰীৰ শোলমাৰা, চামতা আদি অঞ্চলৰ দোকানে দোকানে আৰু ৰাইজৰ মাজত বানাক্ৰান্তৰ বাবে হাতত দান পাত্ৰ লৈ বান সাহায্য সংগ্ৰহ কৰা সময়ত ৰাইজে যথেষ্ট সঁহাৰি জনোৱা বুলি উল্লেখ কৰে জনপ্ৰিয় অভিনেতা উৎপল দাসে।

# কিৰণময়ী শইকীয়াৰ অকাল বিয়োগ; শোকস্তব্ধ পূব মাজুলী

**অসম বাৰ্তা, উজনী মাজুলী, ২৪ জুলাই ঃ** মাজুলীৰ নিকিনি খোৱা নিবাসী কিৰণময়ী শইকীয়া(২৬)ৰ অকাল বিয়োগত গাঁওখনৰ লগতে পূব মাজুলী অঞ্চলবাসী শোকস্তব্ধ হৈ পৰিছে। নিকিনি খোৱা নিবাসী ৰানা শইকীয়াৰ পত্নী কিৰণময়ী শইকীয়া গাঁওখনৰ লগতে অঞ্চলটোৰ সকলো স্তৰৰ লোকৰ মাজত আমায়িক, ৰাংঢালি বোৱাৰী হিচাপে পৰিচিত আছিল। বিশেষকৈ সন্মিলিত শিল্পী সমাজ পূব মাজুলী নামৰ দিহানাম দলটোৰ লগত জড়িত হৈ এগৰাকী শিল্পী হিচাপেও পৰিচিত আছিল কিৰণময়ী। প্ৰায় দুটা বছৰৰ পূৰ্বে মাজুলীৰ এখনি অন্যতম জনপ্ৰিয় শিক্ষানুষ্ঠান বনগাঁও শংকৰদেৱ শিশু নিকেতনত আচাৰ্যা হিচাপে যোগদান কৰি সকলোৰে প্ৰিয় পত্ৰি হৈ পৰিছিল। জুলাই মাহত বন্ধৰ সময়ছোৱাতে পেটৰ বিষ, জ্বৰত আক্ৰান্ত হৈ গড়মূৰ পীতাম্বৰদেৱ জিলা চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ পাছত ঘৰলৈ উভতি অহাৰ দিনাই নিশা সংজ্ঞাহীন হৈ পৰাত পুনৰ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। যোৱা দুদিন ধৰি চিকিৎসা গ্ৰহণ কৰি কালি নিশা চিকিৎসালয়তে বৃক্ক জনীত কাৰণত অকাল মৃত্যুক সাৱটি ল'লে কিৰণময়ীয়ে। আজি আচাৰ্যা গৰাকীৰ মৃতদেহ মাজুলীলৈ অনাৰ সময়তে কৰ্মৰত হৈ থকা বনগাঁও শংকৰদেৱ শিশু নিকেতনত পৰিচালনা সমিতি, মাতৃ ভাৰতী, আচাৰ্য, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পাছতে নিকিনিখোৱাৰ বাস গৃহলৈ নি গাঁও বাসীয়ে শ্ৰদ্ধাঞ্জলি জনোৱাৰ শেষত শেষকৃত্য সম্পন্ন কৰে। মৃত্যুৰ সময়ত ছয় বছৰীয়া এটি পুত্ৰ সন্তান, স্বামী, শহুৰ, শাহুৰ লগতে আত্মীয়ক এৰি থৈ যায়। অতি আমায়িক স্বভাৱৰ মহিলা গৰাকীৰ কম বয়সতে মৃত্যু হোৱাটো সহজে মানি লব পৰা নাই। আচাৰ্য গৰাকীৰ মৃত্যুত অতি তাৎক্ষণিক ভাৱে বনগাঁও নিকেতনৰ পৰিচালনা সমিতিয়ে আচাৰ্য গৰাকীৰ একমাত্ৰ সন্তানটিক অভিভাৱকৰ সমৰ্থন হলে উচ্চতৰ মাধ্যমিক পৰ্যন্ত বিনামূলীয়াকৈ পঢ়োৱাৰ দায়িত্ব গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## শিক্ষামন্ত্ৰীয়ে পদত্যাগ নকৰিলে আন্দোলন চলি থাকিব ঃ আশ্বিক ৰাব্বাণী

# মৈৰাবাৰীত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবীত মুছাৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, মৈৰাবাৰী, ২৪ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী বজাৰত আজি মুছলিম ছাত্ৰ সন্থা (মুছা)-ই কেন্দ্ৰীয় চৰকাৰ আৰু শিক্ষা বিভাগৰ দুৰৱস্থাৰ বিৰুদ্ধে এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৱে 'চিজেপি' (CJP)-ৰ প্ৰতি সমৰ্থন জনোৱাৰ লগতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ তাৎক্ষণিক পদত্যাগৰ দাবী জনায়। দুপৰীয়াৰ ভাগত মৈৰাবাৰী বজাৰৰ মাজ-মজিয়াত অনুষ্ঠিত প্ৰতিবাদত মুছাৰ নেতৃত্বত শতাধিক প্ৰতিবাদকাৰীয়ে হাতে হাতে প্লে'কাৰ্ড আৰু বেনাৰ লৈ চৰকাৰ বিৰোধী শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীয়ে "নৰেন্দ্ৰ মোদী চৰকাৰ হায় হায়", "শিক্ষা মন্ত্ৰী হুচিয়াৰ" আৰু "ধৰ্মেন্দ্ৰ প্ৰধান পদত্যাগ কৰক" আদি শ্লোগান দিয়ে। প্ৰতিবাদস্থলীত ভাষণ প্ৰদান কৰি মুছাৰ কেন্দ্ৰীয় সভাপতি আশ্বিক ৰাব্বাণীয়ে কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা নীতিৰ তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "কেন্দ্ৰীয় চৰকাৰৰ জনবিৰোধী নীতি আৰু শিক্ষা খণ্ডৰ বিফলতাৰ বাবেই আজি দেশৰ ছাত্ৰ সমাজ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছে।" তেওঁৰ লগতে মুছা'ৰ সাধাৰণ সম্পাদক (প্ৰশাসনিক) ৰফিকুল ইছলামে অভিযোগ কৰে যে বৰ্তমানৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ কাৰ্যকালত দেশৰ শিক্ষা ব্যৱস্থা ধ্বংসৰ মুখলৈ গৈছে আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অনিশ্চিত হৈ পৰিছে। চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ দাবীসমূহ শীঘ্ৰে মানি লোৱা নহ'লে সংগঠনটোৱে আগন্তুক দিনত অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও তেওঁ সকীয়াই দিয়ে। উল্লেখ্য যে, এই প্ৰতিবাদী কাৰ্যসূচীত মুছাৰ মৰিগাঁও জিলা সভাপতি কুতুব উদ্দিন সাধাৰণ সম্পাদক আজিবুৰ ৰহমানকে ধৰি জিলা সমিতি আৰু মৈৰাবাৰী আঞ্চলিক সমিতিৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাৰ লগতে অঞ্চলটোৰ বহু সংখ্যক ছাত্ৰ আৰু সাধাৰণ লোক উপস্থিত থাকে।

## দুৰ্গত জিলাৰ জিলা পৰিষদৰ জৰিয়তে বিতৰণ কৰিব এই সাহায্য

# বানত সৰ্বস্বান্ত উজনিৰ লোকক বান সাহায্য দৰং জিলা পৰিষদৰ

**অসম বাৰ্তা, মঙলদৈ, ২৪ জুলাই ঃ** বানৰ দ্বাৰা সৰ্বস্বান্ত উজনিৰ শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি জিলাৰ জনজীৱনৰ বিধ্বস্ত হৈ পৰিছে। এই সৰ্বস্বান্ত লোকসকলক কিঞ্চিত মান হলেও সহায় কৰাৰ লক্ষ্যৰে দৰং জিলা পৰিষদে আগ বাঢ়িছে সাহায্য দানৰ বাবে। প্ৰথম পৰ্যায়ত বৃহস্পতিবাৰে ১ লাখ টকাৰ বান সাহায্য আগবঢ়াইছে দৰং জিলা পৰিষদে। এই মূলধনৰ লগতে জিলাখনৰ পঞ্চায়ত পৰ্যায়ৰ সকলো প্ৰতিনিধি, বিষয়া-কৰ্মচাৰী, জিলাখনৰ জনসাধাৰণক মুক্ত হস্তে দান কৰিবলৈ আহ্বান জনালে দৰং জিলা পৰিষদে। যিসকল লোকে এই সাহায্য পুঁজিৰ দ্বাৰা দুৰ্গত লোকসকলক সহায় কৰিব বিচাৰে তেওঁলোকে দৰং জিলা পৰিষদৰ সাহায্য পুঁজিৰ একাউণ্টত বা কাৰ্যালয়ত আহিও দিব পাৰিব। পৰৱৰ্তী সময়ত দৰং জিলা পৰিষদে দুৰ্গত জিলাকেইখনৰ জিলা পৰিষদৰ জৰিয়তে এই সাহায্য বিতৰণ কৰিব। আজি জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতাই এক অনুষ্ঠান যোগে প্ৰকাশ কৰে যে আৰ্থিক সাহায্য উপৰিও কাপোৰ, খোৱা খাদ্য, খোৱা পানীৰ লগতে আন নিত্য-প্ৰয়োজনীয় সামগ্ৰীও কোনো লোকে দিব বিচাৰিলে দিব পাৰিব। আজিৰ সাহায্য আগবঢ়োৱা আৰম্ভণিৰ কাৰ্যসূচীতে বহু কেইজন বিশিষ্ট ব্যক্তিয়ে সাহায্য আগবঢ়ায়। সাহায্য আগবঢ়োৱা আৰম্ভণিৰকাৰ্যসূচীত জিলা পৰিষদৰ উপ সভানেত্ৰী পৰিস্মিতা নাথ, সদস্য অনিতা ৰাজবংশী, বিতোপন ডেকা, চণ্ডীচৰণ ডেকা, মুক্তা দেবী মণ্ডলৰ লগতে জিলা পৰিষদৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে। দৰং জিলা পৰিষদৰ এইকাৰ্যক সকলোৱে একেমুখে শলাগ লৈছে।

## উজনিৰ বানবিধ্বস্ত তিনিখন জিলাৰ ১,৮৬৫ গাঁৱৰ প্ৰায় ২৮,৪১৮ পশুধন চিকিৎসাধীন ঃ পশুপালন মন্ত্ৰী নীলিমা দেৱী

**অসম বাৰ্তা, মঙলদৈ, ২৪ জুলাই ঃ** উজনি অসমৰ বানবিধ্বস্ত শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাৰ প্ৰলয়ংকৰী বানত পশুধনৰ মৃত্যুক লৈ মঙলদৈত পশুপালন মন্ত্ৰী নীলিমা দেৱীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে তিনিখন জিলাৰ ১৮৬৫খন গাঁৱৰ প্ৰায় ২৮৪১৮ পশুধন চিকিৎসাধীন অৱস্থাত আছে। বৰ্তমানলৈকে ৭২৫টা পশুধনৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। মন্ত্ৰীগৰাকীয়ে ইতিমধ্যে তিনিওখন জিলাৰ আয়ুক্তক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰিছে। আনহাতে, গাঁওসমূহত মানুহৰ খাদ্যৰ লগতে পশুখাদ্যৰ যোগান ধৰাৰ কথা উল্লেখ কৰে। ভিতৰুৱা গাঁওসমূহত কিছু পলমকৈ পশুখাদ্য গৈছে যদিও আয়ুক্তক ইয়াৰো ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰিছে মন্ত্ৰীগৰাকীয়ে। মঙলদৈত বৃহস্পতিবাৰে জিলা বিজেপিৰ উদ্যোগত ৰাজ্যিক বাজেট সম্পৰ্কে অনুষ্ঠিত কৰা এখন সংবাদ মেলত উপস্থিত থাকি সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত এনেদৰে মন্তব্য কৰে পশুপালন, পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে। ৰাজ্যিক বাজেটৰ এই সংবাদ মেলত মন্ত্ৰী দেৱীৰ সৈতে উপস্থিত থাকে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী আৰু জিলা বিজেপিৰ সভাপতি মুকুন্দ ডেকা।

## পশ্চিম কোকৰাঝাৰ জিলা আমছুৰ প্ৰতিবাদ

# দিল্লীত ছাত্ৰ আন্দোলনত আৰক্ষীৰ বলপ্ৰয়োগৰ অভিযোগ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৪ জুলাই ঃ** দিল্লীত ছাত্ৰ-ছাত্ৰীসকলৰ গণতান্ত্ৰিক আন্দোলনৰ সময়ত আৰক্ষীয়ে বলপ্ৰয়োগ কৰাৰ অভিযোগৰ প্ৰতিবাদত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিয়ে শুকুৰবাৰে ছেৰফাংগুৰস্থিত আমছুৰ কাৰ্যালয়ৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে কলা বেজ পৰিধান কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীৰ পদত্যাগ দাবী জনায়। লগতে "দিল্লী পুলিচ হাই হাই", "শিক্ষা মন্ত্ৰী পদত্যাগ কৰক", "গৃহমন্ত্ৰীয়ে পদত্যাগ কৰক" আৰু "BJP চৰকাৰ মূৰ্দাবাদ" আদি শ্লোগান দি নিজৰ ক্ষোভ প্ৰকাশ কৰে। আমছুৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি ৰেজাউল ইছলামে কয় যে দেশজুৰি চলি থকা আন্দোলনত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আমছু দৃঢ়ভাৱে থিয় দিছে। গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত বলপ্ৰয়োগৰ অভিযোগ তেওঁলোকে কঠোৰভাৱে গৰিহণা দিয়ে। আনহাতে, আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক জাকিৰ হুছেইনে অভিযোগ কৰে যে আন্দোলনৰ সময়ত নামফলকবিহীন কিছুমান আৰক্ষী কৰ্মীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত বলপ্ৰয়োগ কৰিছে। এই ঘটনাৰ তীব্ৰ নিন্দা জনাই তেওঁ দোষী আৰক্ষী কৰ্মীসকলৰ বিৰুদ্ধে নিৰপেক্ষ তদন্ত আৰু কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে গণতান্ত্ৰিক আন্দোলনৰ অধিকাৰ সুৰক্ষিত ৰাখিবলৈ চৰকাৰক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ আহ্বান জনায়।

## নাগালেণ্ডত ৫০০ শতাংশ অধিক

নিৰুদ্দেশ হৈ থকাৰ বাবে সন্ধান চলাই আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি এই বছৰত মুঠ ৭৭টা ৰাজহ চক্ৰ বানত ডুব গৈছে আৰু তিনিখন প্ৰধান জিলাৰ ভিতৰত শিৱসাগৰত ২১ গৰাকী, চৰাইদেউত ১০ গৰাকী আৰু যোৰহাটত ৮ গৰাকী লোকৰ মৃত্যু হৈছে। বানপানীৰ মূল কাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে ১৯ জুলাইৰ পৰা আৰম্ভ হোৱা অতিবৃষ্টিয়েই এই দুৰ্যোগৰ বীজ। ১৮ আৰু ২০ জুলাইৰ ভিতৰত নাগালেণ্ড, অসম, মণিপুৰ আৰু মেঘালয়ত স্বাভাৱিকতকৈ বহুগুণে বেছি বৰষুণ হয়। অসমত ৩৩ শতাংশ, মণিপুৰত ১২০ শতাংশ আৰু মেঘালয়ত ৪০ শতাংশ অধিক বৰষুণ হোৱাৰ বিপৰীতে নাগালেণ্ডত ১৮১ শতাংশ অধিক বৃষ্টিপাত হয় বুলি তেওঁ উল্লেখ কৰে। নাগালেণ্ডৰ মুককচুঙ অঞ্চলত ৪৯৩ শতাংশ, ৱ'খাত ১০৮ শতাংশ আৰু মন জিলাত ৪৫ শতাংশ বেছি বৰষুণৰ ফলত চৰাইদেউত ৪৩৬ শতাংশ আৰু শিৱসাগৰত ১৩৪ শতাংশ অভাৱনীয় বৰষুণ হয়। ইফালে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি আৰু নিষ্কাশন ব্যৱস্থা অক্ষম হোৱাত চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বানপানীৰ পানী নৈত মিলাব নোৱাৰি তিনিখন জিলা সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰে। বানৰ ক্ষয়ক্ষতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে জনোৱা মতে চৰাইদেউ জিলাৰ তিনিটা ৰাজহ চক্ৰৰ ১৫২খন গাঁও বানপানীৰ কবলত পৰে, য'ত ১০জন লোকৰ মৃত্যু হয় আৰু এজন লোক নিৰুদ্দেশ হৈ থাকে। শিৱসাগৰ জিলাত পাঁচটা ৰাজহ চক্ৰৰ ৩৩৩খন গাঁও প্ৰভাৱিত হয়, য'ত ২১ গৰাকী লোকৰ মৃত্যু হয় আৰু ৬ গৰাকী লোক নিৰুদ্দেশ হৈ আছে। তিনিখন জিলাৰ ভিতৰত যোৰহাটতো ৮ গৰাকী লোকৰ প্ৰাণহানি ঘটে। সাহায্য প্ৰদানৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈছে যোগাযোগ বিচ্ছিন্ন অঞ্চলসমূহ। চৰাইদেউ জিলাৰ বানাক্ৰান্ত অঞ্চললৈ যদিও কিছু পৰিমাণে সামগ্ৰী পোৱা গৈছে, শিৱসাগৰ সমষ্টিৰ ২০ শতাংশ আৰু নাজিৰাৰ ৩০ শতাংশ অঞ্চল সম্পূৰ্ণ বিচ্ছিন্ন হৈ আছে। পানী কমি অহাৰ পাছতো পথবোৰ বালি আৰু পলসেৰে আবৃত হৈ থকাৰ বাবে প্ৰশাসনৰ লগতে আন কোনো ব্যক্তিও সেই অঞ্চলসমূহলৈ যাব পৰা নাই বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে গুৱাহাটী, ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ পৰা শিৱসাগৰলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে আৰু কাষৰীয়া জিলাবোৰৰ পৰা হাত নাও অনা হৈছে যাতে খাদ্য সামগ্ৰী পঠিয়াব পৰা যায়। বিমানৰ পৰা সামগ্ৰী পেলোৱাৰ প্ৰক্ৰিয়াত বহুতো বস্তু পৰি নষ্ট হৈ যোৱাত সেই পদ্ধতি সফল নহয়, গতিকে প্ৰয়োজনসাপেক্ষে সামৰিক বাহিনীৰ সহায় ল'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে বুলিও তেওঁ উল্লেখ কৰে। বানৰ ক্ষয়ক্ষতি নিৰূপণ কৰিবলৈ ২৫ জুলাইত কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমলৈ আহিব আৰু ইতিমধ্যে ডিব্ৰুগড় আৰু যোৰহাট মেডিকেল কলেজৰ চিকিৎসক আৰু নাৰ্চৰ দল সংকট মোকাবিলাৰ বাবে সাজু ৰখা হৈছে। লগতে অহা তিনিদিনৰ পিছত কৃষি, পশুপালন, স্বাস্থ্য আৰু শিক্ষা মন্ত্ৰীসকলে ক্ষতিগ্ৰস্ত জিলাবোৰ পৰিদৰ্শন কৰি প্ৰকৃত ক্ষতি মূল্যায়ন কৰিব আৰু বানৰ পাছত স্কুল আৰু অন্যান্য নষ্ট সম্পত্তিৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব। বৰ্তমান পৰিস্থিতিত বানাক্ৰান্তসকলৰ কাপোৰৰ আটাইতকৈ বেছি প্ৰয়োজন বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে উল্লেখ কৰে। নাগালেণ্ডৰ নীপকো পানী বিদ্যুৎ প্ৰকল্পৰ পৰা বৃহস্পতিবাৰে চতুৰ্থখন গেটেৰে পানী এৰি দিয়াৰ পাছতো এই মুহূৰ্তলৈ গোলাঘাট বা সৰুপথাৰত কোনো প্ৰভাৱ পৰা নাই বুলি মুখ্যমন্ত্ৰীয়ে জনায় যদিও আগন্তুক দুদিনলৈকে নীপকোই পানী এৰি দিয়াৰ সম্ভাৱনা থকা বাবে সজাগতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ পুনৰ্বাৰ কয় যে নাগালেণ্ডৰ এই অভাৱনীয় বৰষুণৰ বাবেই অসমে এনে ভয়াবহ দুৰ্যোগৰ সন্মুখীন হ'ব লগা হৈছে আৰু এই সংকটময় সময়ত বহু ব্যক্তি আৰু সংস্থাই আগবাঢ়ি অহা সহায়ৰ হাতক স্বাগতম জনায়।

## বানৰ তাণ্ডৱত ৭২৫টা পশুধনৰ

মাজত এতিয়ালৈকে ৭২৫টা পশুধনে প্ৰাণ হেৰুওৱাৰ বেদনাদায়ক তথ্য হাতত পাইছে বিভাগীয় কৰ্মচাৰীসকলে। লগতে বানপানীৰ ফলত মুঠ ৮ লাখ ৫৭ হাজাৰ ৭৭৫টা পশুধন ক্ষতিগ্ৰস্ত হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে, যিয়ে অঞ্চলটোৰ গৃহপালিত পশুসম্পদৰ ওপৰত প্ৰলয়ৰ গভীৰ প্ৰভাৱ স্পষ্টভাৱে দেখুৱাইছে। পৰিস্থিতিৰ গাম্ভীৰ্য্য অনুধাৱন কৰি অসম পশু চিকিৎসা বিভাগে তৎকাল পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়া মতে, ইতিমধ্যে ১১ গৰাকী পশু চিকিৎসকৰ এটা অতিৰিক্ত বিশেষ দল শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলালৈ প্ৰেৰণ কৰা হৈছে। এই দলসমূহে বানপীড়িত অঞ্চলসমূহত আঘাতপ্ৰাপ্ত আৰু ৰোগাক্ৰান্ত পশুধনসমূহক প্ৰয়োজনীয় চিকিৎসা সেৱা আগবঢ়াব। উপযুক্ত চিকিৎসা নোপোৱাকৈ বহু পশু ধীৰে ধীৰে মৃত্যুমুখত পৰিব পাৰে বুলি আশংকা কৰি বিভাগীয় মন্ত্ৰীয়ে সময়মতে এই ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, বানপীড়িত মানুহৰ লগতে পশুধনৰ বাবেও খাদ্য যোগান ধৰাটো প্ৰয়োজনীয় বুলি মন্ত্ৰী নীলিমা দেৱীয়ে উল্লেখ কৰে। তেওঁ জানিবলৈ দিয়ে যে জিলা আয়ুক্তসকলক ইতিমধ্যে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে স্পষ্ট নিৰ্দেশ দিয়া হৈছে। ভিতৰুৱা আৰু দুৰ্গম গাঁওবোৰত খাদ্য সামগ্ৰী কিছুমান পলমকৈ পোৱা গৈছে যদিও আয়ুক্তসকলক সেই অঞ্চলসমূহতো পশু খাদ্যৰ যোগান ধৰাৰ বাবেও বিশেষ নিৰ্দেশ প্ৰদান কৰা হৈছে।

## ২৬ দিনৰ অনশনৰ অন্ত পেলাই

ৱাংচুকে অৱশেষত ২৬ দিনৰ পিছত নিজৰ অনশন ভংগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰে প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ বিৰুদ্ধে কোনো ধৰণৰ শক্তি প্ৰয়োগ বা গোচৰ ৰুজু নকৰাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে অন্য কোনো শাস্তিমূলক ব্যৱস্থা নলওঁ বুলি আশ্বাস দিয়াৰ একদিন পাছতেই শুকুৰবাৰে কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু জিতেন্দ্ৰ সিঙৰ উপস্থিতিত চিকিৎসালয়তে তেওঁ অনশন সমাপ্ত কৰে। দুয়োগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে পোনপটীয়াকৈ চিকিৎসালয়ত উপস্থিত হৈ ৱাংচুকক লগ কৰি অনশন ভংগ কৰাত সহায় কৰে। সোণম ৱাংচুকে নিজৰ এক্স হেণ্ডেলযোগে এই সিদ্ধান্তৰ কথা ৰাইজক অৱগত কৰিয়ে জনায় যে কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, জিতেন্দ্ৰ সিং আৰু লেহ লাডাখৰ এপেক্স বডীৰ জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত অৱশেষত ছয় দিনৰ পিছত তেওঁ অনশন ভংগ কৰিবলৈ সক্ষম হৈছে। তেওঁ লগতে উল্লেখ কৰে যে বিভিন্ন ৰাজনৈতিক দলৰ ৬৫ গৰাকী সংসদ সদস্যই তেওঁক অনশন ভংগ কৰিবলৈ আহ্বান জনাই পত্ৰত স্বাক্ষৰ কৰিছিল আৰু দীৰ্ঘদিনীয়া আলোচনাৰ অন্তত আৰু দেশত সম্ভাব্য হিংসাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰিছে। অতি সোনকালে এখন সুকীয়া ভিডিঅ'যোগে চৰ্তসমূহ বিস্তাৰিতভাৱে ৰাইজৰ আগত উপস্থাপন কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। একেখন পোষ্টতে তেওঁ সকলোকে আহ্বান জনায় যে কোনো স্থানতে যাতে হিংসাত্মক কাৰ্য সংঘটিত নহয়, তাৰ প্ৰতি সকলো সজাগ হৈ থাকিব। চিকিৎসালয়ত তেওঁৰ পত্নী গীতাঞ্জলি আংমো আৰু আন আন লোকৰ উপস্থিতিত ৱাংচুকক চৰকাৰে প্ৰদান কৰা আশ্বাসসমূহ পাঠ কৰি শুনায় কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই। তেওঁ কয় যে দিল্লীৰ যন্তৰ-মন্তৰত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰা আৰু ২০২৬ চনৰ ২০ জুলাইত সংসদলৈ উলিওৱা পদযাত্ৰাত অংশগ্ৰহণ কৰাসকলৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন নকৰাৰ ক্ষেত্ৰত চৰকাৰে ইতিবাচক ভূমিকা গ্ৰহণ কৰিব। ইয়াৰ উপৰিও প্ৰশ্নকাকত ফাদিল আৰু শিক্ষা সংস্কাৰৰ সন্দৰ্ভত সংসদত আলোচনা অনুষ্ঠিত কৰাৰ লগতে শেহতীয়াকৈ নীটৰ কাকত ফাদিল হোৱাৰ ফলত আত্মহত্যা কৰা শিক্ষাৰ্থীসকলৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ বিষয়টোও চৰকাৰে ইতিবাচকভাৱে বিবেচনা কৰিছে বুলি নাড্ডাই স্পষ্টকৈ উল্লেখ কৰে। এই সকলোবোৰ গুৰুত্বপূৰ্ণ আশ্বাস লাভ কৰাৰ পাছতেই সোণম ৱাংচুকে অনশন ভংগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে যদিও শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী সম্পৰ্কে চৰকাৰী পক্ষৰ পৰা কোনো আনুষ্ঠানিক সিদ্ধান্ত প্ৰকাশ পোৱা নাই। তথাপি বিজ্ঞানীগৰাকীয়ে ৰাইজৰ সুৰক্ষা আৰু দেশৰ শান্তি-শৃংখলা ৰক্ষাৰ বাবে অনশন সমাপ্ত কৰাটো সঠিক সিদ্ধান্ত বুলি গণ্য কৰে। এতিয়া শিক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু প্ৰশ্নকাকত ফাদিলৰ দৰে ঘটনা পুনৰ সংঘটিত নোহোৱাকৈ ৰখাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰতে সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে। আগন্তুক দিনত সোণম ৱাংচুকে ভিডিঅ' বাৰ্তাৰ মাধ্যমত তেওঁৰ পৰৱৰ্তী কৰ্মপন্থা স্পষ্ট কৰিব বুলি আশ্বাস প্ৰদান কৰিছে।

## প্ৰশ্নকাকত ফাদিল হ'লেই কঠোৰ শাস্তি !

যে প্ৰশ্নকাকত ফাদিলৰ দৰে অসৎ কাম ৰোধ কৰিবলৈ এখন নতুন বিধেয়ক আগন্তুক সপ্তাহত সংসদত উত্থাপন কৰা হ'ব। প্ৰধানমন্ত্ৰীৰ এই ঘোষণাৰ মাত্ৰ কেইঘণ্টামানৰ পাছতে শুকুৰবাৰে কেন্দ্ৰীয় কেবিনেটে এই বিধেয়কখনত অনুমোদন জনায়, যিয়ে প্ৰশ্নকাকত ফাদিলৰ গোচৰৰ সৈতে জড়িত ব্যক্তিসকলৰ বাবে পূৰ্বৰ আইনতকৈ অধিক কঠোৰ শাস্তি নিশ্চিত কৰিব। সংসদ ভৱন চৌহদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰা হয় আৰু সৰ্বসন্মতিক্ৰমে বিধেয়কখন অনুমোদন কৰা হয়। চৰকাৰী সূত্ৰই জানিবলৈ দিয়া মতে, নতুন আইনখনত প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ লগত জড়িত লোকসকলক কঠোৰতম শাস্তি প্ৰদানৰ ব্যৱস্থা ৰখা হ'ব, যাতে ভৱিষ্যতে এনে অপকৰ্মৰ পুনৰাবৃত্তি নঘটে। ইতিমধ্যে এই বিধেয়কখন সংসদৰ অহা অধিৱেশনত গ্ৰহণ কৰাৰ বাবে প্ৰস্তুতি চলি আছে আৰু চৰকাৰে সোনকালেই ইয়াক সদনত উত্থাপন কৰিব। উল্লেখযোগ্য যে ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদ অব্যাহত থকাৰ মাজতে প্ৰধানমন্ত্ৰী মোদীয়ে এই ঘোষণা কৰিছে। প্ৰতিবাদকাৰীসকলে শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ, পৰীক্ষাত হোৱা অনিয়মৰ বাবে জবাবদিহি, শিক্ষা ব্যৱস্থাৰ সামগ্ৰিক সংস্কাৰ আৰু মে' মাহত নীট-ইউজি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পিছত আত্মহত্যা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰিয়ালক এক কোটি টকাকৈ ক্ষতিপূৰণ দিয়াৰ দাবী জনাই আহিছে। সময় আগবাঢ়াৰ লগে লগে এই প্ৰতিবাদ আন্দোলনে অধিক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে আৰু শুকুৰবাৰে দেশজুৰি শান্তিপূৰ্ণ প্ৰতিবাদৰ আহ্বান জনাইছে চিজেপিয়ে। চৰকাৰে নতুন বিধেয়ক অনুমোদন কৰি প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ সংকেত দিলেও শিক্ষামন্ত্ৰীৰ পদত্যাগ আৰু অন্যান্য দাবী সম্পৰ্কত এতিয়াও কোনো স্পষ্ট সিদ্ধান্ত প্ৰকাশ কৰা নাই। প্ৰতিবাদকাৰীসকলে পুনৰ দাবী উত্থাপন কৰিছে যে কেৱল আইন কঠোৰ কৰিলেই সমাধান নহয়, বৰঞ্চ জড়িত বিষয়াসকলক জবাবদিহিৰ মুখামুখি কৰোৱাৰ লগতে ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ পৰিয়ালক ন্যায় প্ৰদান কৰাটোও জৰুৰী। আগন্তুক সপ্তাহত সংসদত উত্থাপিত হ'বলগীয়া এই বিধেয়কখনৰ ওপৰতে এতিয়া ৰাজনৈতিক মহলৰ লগতে শিক্ষাৰ্থী আৰু ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## নাজিৰাৰ ৫০ হাজাৰ, শিৱসাগৰৰ

ফলস্বৰূপে কাইলৈ কেন্দ্ৰীয় প্ৰতিনিধিৰ এটা দল অসমলৈ আহিব। এই দলটোৱে প্ৰথমে চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বান পৰিস্থিতি প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ সম্পূৰ্ণ বুজ ল'ব। ইতিমধ্যে কেন্দ্ৰীয় দলটোৱে ধেমাজি আৰু লখিমপুৰ জিলাৰ বানৰ ক্ষতি নিৰূপণ কৰি গৈছে আৰু এতিয়া উজনিৰ আটাইতকৈ প্ৰভাৱিত জিলা দুখনলৈ আহি বৰ্তমানৰ ধ্বংসলীলাৰ প্ৰকৃত চিত্ৰ আঁকি ল'ব। ৰাজ্যৰ বৰ্তমান বান পৰিস্থিতি সম্পৰ্কে অধিক তথ্য আগবঢ়াই মুখ্যমন্ত্ৰীগৰাকীয়ে জনায় যে শিৱসাগৰ জিলাৰ পাঁচটা ৰাজহ চক্ৰৰ মুঠ খন গাঁও বানপানীৰ কবলত পৰিছে আৰু এই জিলাত প্ৰায় পাঁচ লাখ লোক বানৰ জলকাযেৰে আবদ্ধ হৈ আছে। বিশেষকৈ শিৱসাগৰ আৰু নাজিৰাৰ প্ৰায় ৮০ হাজাৰ বানাক্ৰান্তৰ ওচৰলৈ এতিয়াও প্ৰশাসন উপনীত হ'ব পৰা নাই। যদিও বান পৰিস্থিতি কিছু পৰিমাণে উন্নত হৈছে, তথাপি এই অঞ্চলসমূহ এতিয়াও দুৰ্গম হৈয়েই আছে। উদ্ধাৰকাৰী দলসমূহে জলবন্দী গাঁওসমূহত প্ৰৱেশ কৰিবলৈ সম্ভৱ সকলো প্ৰচেষ্টা চলাই আছে আৰু মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে আৱদ্ধ হৈ থকা বাকী লোকসকলৰ ওচৰলৈ অতি সোনকালেই যাবলৈ সক্ষম হ'ব। ইফালে বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা এতিয়া ৪৭ জনলৈ বৃদ্ধি পোৱাৰ কথা নিশ্চিত কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। তেওঁ লগতে সতৰ্কবাণী দিয়ে যে কেইবাগৰাকীও লোক এতিয়াও নিৰুদ্দেশ হৈ থকাৰ বাবে মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা আছে। ইয়াৰ উপৰিও বানপানীয়ে বিভিন্ন জিলাৰ বিদ্যুৎ সৰবৰাহ ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যাহত কৰিছে, যি কাৰণে এতিয়াও ৬০, ০০০ তকৈও অধিক পৰিয়াল বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত হৈ আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সকলো সংস্থাই একেলগে কাম কৰি বানপীড়িতসকললৈ সাহায্য প্ৰেৰণ কৰাৰ লগতে বিচ্ছিন্ন হৈ পৰা অঞ্চলসমূহ পুনৰ সংযোগ স্থাপনৰ বাবে প্ৰচেষ্টা চলাই আছে।

## অসমৰ বান ৰাষ্ট্ৰীয় সমস্যাক

সাহায্য অভিযান নিৰৱচ্ছিন্নভাৱে অব্যাহত আছে আৰু ক্ষতিগ্ৰস্ত লোকসকলক সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰো এই বিষয়টোৰ ওপৰত সজাগ দৃষ্টি ৰাখিছে আৰু পৰিস্থিতিৰ গাম্ভীৰ্য্য অনুধাৱন কৰি কেন্দ্ৰীয় প্ৰতিনিধি দল পঠিয়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আনহাতে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয় যে কেন্দ্ৰীয় প্ৰতিনিধি দলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি এখন বিস্তৃত প্ৰতিবেদন দাখিল কৰিব আৰু সেই প্ৰতিবেদনৰ ভিত্তিত ৰৰখন ক্ষতিগ্ৰস্ত জিলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এক বিশেষ আৰ্থিক সাহায্য পেকেজ ঘোষণা কৰিব। এই সাহায্য পেকেজৰ জৰিয়তে বানপীড়িতসকলৰ পুনৰ্বাসন আৰু ক্ষয়ক্ষতি পূৰণৰ বাবে প্ৰয়োজনীয় আৰ্থিক সহায় প্ৰদান কৰা হ'ব। ইয়াৰ লগতে এই সংবাদমেলত সৰ্বানন্দ সোণোৱালে অতি গুৰুত্বপূৰ্ণ ভাষ্য প্ৰদান কৰি কয় যে দেশৰ যিকোনো প্ৰান্তত সৃষ্টি হোৱা সমস্যা সমগ্ৰ দেশৰ সমস্যা। সেই দৃষ্টিৰে অসমৰ বান পৰিস্থিতিও কেৱল ৰাজ্যখনৰ নহয়, ই এক ৰাষ্ট্ৰীয় সমস্যা। তেওঁ পুনৰ্বাৰ নিশ্চিত কৰে যে অসমৰ ৰাইজে যাতে এই সংকটময় সময়ত কোনো ধৰণৰ অসুবিধা নাপায় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ লগত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব আৰু প্ৰয়োজনীয় সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব।

## ইনষ্টাগ্ৰামত সক্ৰিয় হ'বলৈ

কথা বিশেষভাৱে আলোকপাত কৰে। তেওঁ প্ৰতিগৰাকী মন্ত্ৰীকে কেৱল চৰকাৰী কাম-কাজৰ আপডেট দিয়াই নহয়, বৰঞ্চ আকৰ্ষণীয় বিষয়বস্তুৰ (interactive content) জৰিয়তে যুৱপ্ৰজন্মৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্ক স্থাপন কৰি ইনষ্টাগ্ৰামত সক্ৰিয় হৈ থাকিবলৈ পৰামৰ্শ দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে মন্ত্ৰীসকলক যুৱপ্ৰজন্মৰ সৈতে অধিক কাৰ্যকৰীভাৱে যোগাযোগ স্থাপনৰ বাবে ৰীলছ (Reels) আৰু অন্যান্য আকৰ্ষণীয় ফৰ্মেট তৈয়াৰ কৰিবলৈও উৎসাহিত কৰে। জানিব পৰা মতে, এই বৈঠকতে প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসকলক কয়, "যুৱপ্ৰজন্ম ইনষ্টাগ্ৰামত আছে। তেওঁলোকেই হৈছে সেইসকল নাগৰিক, যাৰ সৈতে আমি নিৰন্তৰ যোগাযোগ ৰাখিব লাগে।"

## সমষ্টিৰ ৰাইজৰ কাষত নাথাকি

ৰাজনৈতিক ভূমিকাৰ তীব্ৰ সমালোচনা কৰে। উজনি অসমৰ বানপানীৰ প্ৰসংগ উত্থাপন কৰি শিকদাৰে অভিযোগ উত্থাপন কৰে যে অখিল গগৈয়ে এই সংকটময় সময়ত ৰাজনীতি কৰি নিজৰ সমষ্টিৰ প্ৰতি থকা দায়িত্বৰ পৰা আঁতৰি আছে। অখিল গগৈয়ে বানপানীৰ সমস্যাক লৈ যি ধৰণৰ বক্তব্য আৰু কাৰ্যপন্থা অৱলম্বন কৰিছে, তাক শিকদাৰে সম্পূৰ্ণ অনুচিত বুলি অভিহিত কৰে আৰু কয় যে এনে সময়ত বিধায়কসকলৰ প্ৰথম কৰ্তব্য হৈছে ৰাইজৰ কাষত থিয় দিয়া, সদনত বহি ভাষণ দিয়া নহয়। শিকদাৰে কটাক্ষৰ সুৰেৰে কয় যে যদি তেওঁ নিজেই শিৱসাগৰৰ বিধায়ক হ'লহেঁতেন, তেন্তে কালি বিধানসভাৰ অধিৱেশনত অংশগ্ৰহণ নকৰি পোনপটীয়াকৈ শিৱসাগৰলৈ গৈ সমষ্টিৰ ৰাইজৰ মাজত উপস্থিত থাকিলহেঁতেন। তেওঁ উল্লেখ কৰে যে সেইদিনা মুখ্যমন্ত্ৰীগৰাকীকে ধৰি অভিভাৱক মন্ত্ৰী, জলসম্পদ বিভাগৰ মন্ত্ৰী আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী সকলোৱে উজনি অসমত উপস্থিত আছিল আৰু সমগ্ৰ চৰকাৰী প্ৰশাসনিক ব্যৱস্থাই বানপীড়িত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য কাৰ্য চোৱাচিতা কৰি আছিল। এনে পৰিস্থিতিত অখিল গগৈয়ে বিধানসভাত অহাতকৈ সেই অঞ্চলতে থাকি ৰাইজৰ দুখ-কষ্ট বুজিব পাৰিলেহেঁতেন আৰু প্ৰশাসনৰ লগত সমন্বয় ৰক্ষা কৰি তৎকাল সাহায্য কাৰ্য সম্পন্ন কৰাত সহায় আগবঢ়াব পাৰিলেহেঁতেন বুলি শিকদাৰে মত পোষণ কৰে। বিধানসভাত অহি অখিল গগৈয়ে যি ধৰণৰ বক্তব্য আগবঢ়াইছে, অসমৰ ৰাইজে সেইবোৰ নিজ চকুৰে দেখা পাইছে বুলি উল্লেখ কৰি শিকদাৰে কয় যে বিধানসভাত আহি ভাষণ দিয়াতকৈ সেই সময়খিনি তাতে থাকিলে সমষ্টিৰ ৰাইজ বহু বেছি উপকৃত হ'লহেঁতেন। বিধানসভাত সমস্যা উত্থাপন কৰাৰ অধিকাৰ অখিল গগৈৰ নিশ্চয় আছে, কিন্তু বাস্তৱ সাহায্য কাৰ্য চলোৱাৰ দায়িত্ব চৰকাৰী মেচিনেৰীৰ, যিটো ইতিমধ্যে উজনি অসমত সক্ৰিয়ভাৱে কাম কৰি আছে বুলিও তেওঁ স্পষ্ট কৰে। গতিকে বিধায়কগৰাকীয়ে তাত উপস্থিত থাকি পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰি ৰাইজক সঠিক পথ প্ৰদৰ্শন কৰা উচিত আছিল বুলি শিকদাৰে মত ব্যক্ত কৰে। অখিল গগৈক পোনপটীয়াভাৱে উদ্দেশ্যি শিকদাৰে অনুৰোধ জনায় যে এই সংকটময় সময়ত ৰাইজ চৰম দুৰ্দশাৰ মাজেৰে পাৰ হৈছে আৰু মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা আছে। এনে দুৰ্যোগৰ সময়ত ৰাইজৰ কাষত থিয় দিয়াটো প্ৰত্যেক বিধায়কৰ নৈতিক দায়িত্ব। তেওঁ কটাক্ষ কৰি কয় যে মানুহৰ এনে দুখ-কষ্টৰ মাজত অখিল গগৈয়ে যাতে বোকা ছটিওৱাৰ ৰাজনৈতিক খেল খেলি সময় নষ্ট নকৰে, কাৰণ ৰাইজ গভীৰ বিপদৰ সন্মুখীন হৈ আছে আৰু তেওঁলোকে প্ৰয়োজন হৈছে সহায় আৰু সান্ত্বনা, চলতি ৰাজনীতি নহয়।

## প্ৰশ্নকাকত ফাদিল প্ৰসংগত

প্ৰধান বাধা হৈ থাকিল। চিজেপিৰ মুখ্য মুখপাত্ৰ সৌৰভ দাসে বৈঠকৰ অন্তত সংবাদ মাধ্যমক কয় যে চৰকাৰৰ সৈতে বৈঠকৰ পৰিৱেশ মিশ্ৰিত ধৰণৰ আছিল আৰু ইতিবাচক দিশও আছিল যদিও মুখ্য দাবীটোত দুয়োপক্ষই এতিয়াও একমত হ'ব পৰা নাই। বৈঠকত প্ৰথমতে দুটা গুৰুত্বপূৰ্ণ দাবীৰ ওপৰত আলোচনা হয়। প্ৰশ্নকাকত ফাদিলৰ দৰে দুৰ্ভাগ্যজনক ঘটনাত প্ৰাণ হেৰুওৱা ছাত্ৰ-ছাত্ৰীসকলৰ পৰিয়ালক এক কোটি টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰাৰ দাবীটোত চৰকাৰে ইতিবাচক সঁহাৰি জনায়। ইয়াৰ উপৰিও আন্দোলনত অংশগ্ৰহণ কৰা ছাত্ৰসকলৰ বিৰুদ্ধে ৰুজু কৰা এফআইআৰ আৰু গোচৰসমূহ বলৱৎ কৰি উঠাই লোৱাৰ বিষয়টোতেও চৰকাৰী পক্ষৰ পৰা সন্তোষজনক বাৰ্তা পোৱা যায় বুলি চিজেপিৰ মুখপাত্ৰ আশুতোষ ৰাংকাই জানিবলৈ দিয়ে। কিন্তু ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীটোৰ ওপৰত কোনো সিদ্ধান্ত গ্ৰহণ কৰিবলৈ চৰকাৰে শনিবাৰে দুপৰীয়ালৈ সময় বিচাৰিছে, যাক চিজেপিয়ে গুৰুত্ব সহকাৰে লৈছে আৰু আশা প্ৰকাশ কৰিছে যে চৰকাৰে অতি সোনকালে শিক্ষামন্ত্ৰীগৰাকীক পদৰ পৰা অপসাৰণ কৰিব। অৱশ্যে চিজেপিৰ নেতাসকলে স্পষ্টভাৱে জনাই দিছে যে ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগতকৈ কম আন কোনো মূল্যৰ বিনিময়ত তেওঁলোকে আন্দোলন সমাপ্ত নকৰে। সৌৰভ দাসে সংক্ষিপ্তভাৱে কয় যে ক্ষতিপূৰণ আৰু গোচৰ উঠাই লোৱাৰ দাবী দুটাত সহমত হৈছে সঁচা, কিন্তু তেওঁলোকৰ আটাইতকৈ ডাঙৰ দাবীটো পূৰণ নোহোৱালৈকে প্ৰতিবাদ চলি থাকিব। এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত পুনৰ আলোচনাৰ বাবে শনিবাৰে আবেলি বৈঠক অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা হয়, য'ত পৰৱৰ্তী ৰণনীতি নিৰ্ধাৰণ কৰা হ'ব। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাই সংবাদ মাধ্যমৰ আগত কয় যে চিজেপিৰ প্ৰতিনিধিসকলৰ উত্থাপিত সকলো দাবী চৰকাৰে অতি আন্তৰিকতাৰে শুনিছে আৰু সকলো বিষয়তে সৰ্বোচ্চ স্তৰত চিন্তা-চৰ্চা চলি আছে বুলি আশ্বাস প্ৰদান কৰে যদিও মন্ত্ৰীগৰাকীৰ পদত্যাগ সম্পৰ্কে আনুষ্ঠানিকভাৱে কোনো সিদ্ধান্ত প্ৰকাশ কৰা নাই। সম্পূৰ্ণ এই বিবাদ মুখ্যতঃ তিনিটা কেন্দ্ৰীয় দাবীক লৈ ঘূৰি আছে। প্ৰথম আৰু মুখ্য দাবী হৈছে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ, যিটোত চিজেপি আৰু প্ৰতিবাদী ছাত্ৰনেতাসকল সম্পূৰ্ণ অটল। দ্বিতীয় দাবীটো হৈছে মৃত্যু হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ পৰিয়ালক এক কোটি টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰা, যিটো বিষয়ত চৰকাৰে সহমত প্ৰকাশ কৰিছে। তৃতীয় দাবীটো হৈছে ছাত্ৰসকলৰ বিৰুদ্ধে ৰুজু হোৱা সকলো গোচৰ আৰু এফআইআৰ উঠাই লোৱা, যিও বিষয়ত সন্তোষজনক সংকেত পোৱা গৈছে। এতিয়া ৰাজনৈতিক মহলত শনিবাৰে আবেলি অনুষ্ঠিত হ'বলগীয়া বৈঠকখনলৈ সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে, কাৰণ এই বৈঠকখনেই সম্পূৰ্ণ ৰাজনৈতিক আৰু ছাত্ৰ আন্দোলনৰ ভৱিষ্যত দিশ নিৰ্ধাৰণ কৰিব পাৰে।

## নীট প্ৰশ্নকাকত ফাদিল প্ৰসংগত

বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। এই পদক্ষেপৰ পিছত বৰ্খাস্ত হোৱা বিষয়াসকলৰ বিৰুদ্ধে ফৌজদাৰী আৰু আইনী ব্যৱস্থাও গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়া হৈছে। উল্লেখযোগ্য যে উচ্চ শিক্ষা সচিব বিনীত যোশীক পঞ্চায়তী ৰাজ মন্ত্ৰালয়লৈ স্থানান্তৰ কৰাৰ মাত্ৰ এদিনৰ পিছতেই এই সিদ্ধান্ত গ্ৰহণ কৰা হয়, যাৰ ফলত এই পদক্ষেপক এনটিএৰ পুনৰ্গঠনৰ দিশত এক শক্তিশালী সংকেত বুলি বিবেচনা কৰা হৈছে।

## বনজুইৰ কবলত স্পেইন-ফ্ৰান্স

প্ৰশাসনে সমগ্ৰ অঞ্চলটো খালী কৰাৰ নিৰ্দেশ দিয়ে। ইতিমধ্যে এই অঞ্চলৰ পৰা প্ৰায় ৬৩, ০০০ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে আৰু উদ্ধাৰকাৰী দলসমূহে বিপদগ্ৰস্ত লোকসকলক সুৰক্ষিত স্থানলৈ প্ৰেৰণৰ কাম চলাই আছে। এই বনজুইত এতিয়ালৈকে প্ৰায় ১০, ০০০ হেক্টৰ অৰণ্য আৰু কৃষিভূমি সম্পূৰ্ণৰূপে ভস্মীভূত হৈ গৈছে। লগতে ৮০টা ঘৰ আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে আৰু ইয়াৰে ৫০টা ঘৰ সম্পূৰ্ণৰূপে ধ্বংস হৈছে, যাৰ বাবে বহু পৰিয়ালে নিজৰ বাসস্থান হেৰুওৱাৰ বেদনা সহিব লগীয়া হৈছে। ফ্ৰান্সৰ লগতে স্পেইনৰ ৰাজধানী মাদ্ৰিদৰ পশ্চিম অঞ্চল আৰু চুবুৰীয়া আভিলা প্ৰদেশৰ তিনিটা মুখ্য স্থানতো বনজুই সৃষ্টি হোৱাৰ আশংকা দেখা দিছে। এই অঞ্চলসমূহত অগ্নিনিৰ্বাপক বাহিনী সজাগ হৈ আছে আৰু যাতে জুই বিয়পি নাযায় তাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই আছে। ইউৰোপীয় অসংখ্য দেশ এই তাপদাহ আৰু বনজুইৰ সন্মুখীন হৈ থকাৰ সময়তে স্পেইন আৰু ফ্ৰান্স চৰকাৰে এই দুৰ্যোগ মোকাবিলাৰ বাবে সম্ভাব্য সকলো ব্যৱস্থা গ্ৰহণ কৰি আছে। স্পেইনৰ জৰুৰীকালীন অৱস্থা ঘোষণাই এই প্ৰাকৃতিক দুৰ্যোগৰ গাম্ভীৰ্য্য আৰু বিস্তৃতি স্পষ্ট কৰি তোলে আৰু ইউৰোপীয় ইউনিয়নৰ উচ্চস্তৰীয় সাহায্যৰ প্ৰয়োজনীয়তাকো পুনৰ্বাৰ নিশ্চিত কৰে। অগ্নিনিৰ্বাপক, উদ্ধাৰকাৰী আৰু চিকিৎসা দলসমূহে ৰাতি-দিন একেলগে কাম কৰি গৈ আছে আৰু আগন্তুক দিনবোৰতো এই অভিযান অব্যাহত থাকিব বুলি আশা কৰা হৈছে।

## ভাৰতকে ধৰি ৬০খন দেশৰ ওপৰত

আৰোপ কৰা অতিৰিক্ত ১০ শতাংশ শুল্কৰ সময়সীমা শেষ হোৱাৰ এদিন আগতে এই ঘোষণা প্ৰকাশ পায়, যিয়ে এই পদক্ষেপৰ তাৎপৰ্যই অধিক বৃদ্ধি কৰিছে। ভাৰতীয় সামগ্ৰীৰ ক্ষেত্ৰত ১০ শতাংশ কৰ ধাৰ্য্য কৰিছে ট্ৰাম্প প্ৰশাসনে। আনহাতে ভাৰত, কানাডা, ব্ৰিটেইন, বাংলাদেশ আৰু পাকিস্তানকে ধৰি মুঠ ১৭খন দেশৰ বাবে ১০ শতাংশ শুল্কৰ হাৰ প্ৰযোজ্য কৰা হৈছে। ইয়াৰ বিপৰীতে বাকী ৫০খন দেশৰ ওপৰত সৰ্বাধিক ৰচ.প্ত শতাংশ হাৰত শুল্ক আৰোপ কৰা হৈছে। ইউএছটিআৰৰ প্ৰতিবেদন অনুসৰি, ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নিৰ্দেশত গ্ৰীৰে সামগ্ৰীৰ আমদানি ফলপ্ৰসূভাৱে বলবৎ কৰাত আৰু নিষিদ্ধ কৰাত ব্যৰ্থ হোৱা অৰ্থনীতিসমূহৰ বাবেই এই চূড়ান্ত পদক্ষেপ গ্ৰহণ কৰিছে। নতুন এই শুল্কে আমেৰিকালৈ ৰপ্তানি হোৱা প্ৰায় ৯৯ শতাংশ সামগ্ৰীক সামৰি ল'ব। যিবোৰ সামগ্ৰীৰ উৎপাদনত বন্ধোৱা শ্ৰমিক নিয়োগ কৰা হয়, তেনে সামগ্ৰীৰ ওপৰতেই মূলতঃ এই নতুন কৰ আৰোপ কৰা হৈছে বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। ইফালে, বাণিজ্য প্ৰতিনিধি গ্ৰীৰে মন্তব্য কৰে যে এই পদক্ষেপ মানৱ অধিকাৰ উলংঘা আৰু অন্যায় বাণিজ্যিক পদ্ধতিৰ সংশোধনৰ দিশত এক গুৰুত্বপূৰ্ণ আৰম্ভণি হ'ব, যাৰ ফলত বিশ্বজুৰি শ্ৰমিকৰ অৱস্থাৰ উন্নতি সাধন হোৱাৰ সম্ভাৱনা আছে। আধুনিক গোলামী বন্ধ কৰাৰ উদ্দেশ্যৰে লোৱা এই পদক্ষেপক ট্ৰাম্প প্ৰশাসনে এক ঐতিহাসিক সিদ্ধান্ত বুলি অভিহিত কৰিছে।

## যোৰহাটলৈ ১ কোটি, শিৱসাগৰ

যোৰহাট জিলাত প্ৰথমে জৰুৰীকালীন দুৰ্যোগ মোকাবিলা কৰিবলৈ ছয় লাখ টকা পুঁজি আছিল। কিন্তু এই ভয়াৱহ দুৰ্যোগৰ বাবে চচ জুলাইত যোৰহাট জিলাৰ বাবে আগতীয়াকৈ অতিৰিক্ত ১ কোটি টকা মুকলি কৰি দিয়া হৈছে। শিৱসাগৰ জিলাত ১.৯ কোটি টকা আছিল, য'ত আৰু ৪ কোটি টকা অতিৰিক্তভাৱে যোগান ধৰা হৈছে। একেদৰে চৰাইদেউ জিলাত ৫৬ লাখ টকা আগতীয়া পুঁজি আছিল, এতিয়া সেই জিলালৈও ৪ কোটি টকা অতিৰিক্তভাৱে মুকলি কৰা হৈছে। ইয়াৰ উপৰি সুলভ মূল্যৰ চাউলৰ আৱণ্টন সম্পৰ্কেও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। সাধাৰণতে এফ চি আইত পূৰ্বতে যিমান চাউল দিয়া হৈছিল, এতিয়া এক হাজাৰ মেট্ৰিক টনকৈ অতিৰিক্তভাৱে চাউলৰ আৱণ্টন বৃদ্ধি কৰিবলৈ কালি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু আজি সেই সম্পূৰ্ণ পৰিমাণ চাউল উক্ত জিলাবোৰলৈ প্ৰেৰণ কৰা হ'ব। লগতে ৰিলিফ সামগ্ৰী পোনপটীয়াকৈ বানাক্ৰান্তসকললৈ প্ৰেৰণ কৰিবলৈ গুৱাহাটী, ডিব্ৰুগড় আৰু তিনিচুকীয়াত পেকিং চলাই আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনত অৱগত কৰে। মন্ত্ৰী কেশৱ মহন্তই লগতে কয় যে এই তিনি জিলাত বানপীড়িত সকলোকে প্ৰকাৰৰ সহায়-সহযোগিতা প্ৰদান কৰিবলৈ প্ৰতিটো বিভাগৰ বিষয়া-কৰ্মচাৰীক অতিৰিক্তভাৱে নিয়োজিত কৰা হৈছে। মন্ত্ৰী-বিধায়কসকলো তাত সক্ৰিয়ভাৱে নিয়োজিত হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে চৰাইদেউ জিলাত সুশান্ত বৰগোহাঁই, শিৱসাগৰ জিলাত বিমল বড়া আৰু যোৰহাট জিলাত অজন্তা নেওগে দিনে-নিশাই ৰাইজৰ সহায়ৰ বাবে কাম কৰি আছে। বাকী মন্ত্ৰীসকলকো নিজ নিজ বিভাগৰ কাম চোৱাচিতা কৰিবলৈ বানপীতি জিলাবোৰলৈ যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে নিৰ্দেশ দিছে আৰু সেই অনুসৰি সকলোৱে কাম কৰি আছে। অসম চৰকাৰে এই সংকটময় সময়ত বানপীড়িতসকলৰ পুনৰ্বাসন আৰু সকাহ দিয়াৰ বাবে সম্ভাব্য সকলো ব্যৱস্থা গ্ৰহণ কৰি চলিছে।

## নলবাৰীত আৰম্ভ হ'ল ৪৭ সংখ্যক

দক্ষতা প্ৰদৰ্শন কৰিব। উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী বিশ্বজিত দৈমাৰী, নলবাৰীৰ স্থানীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে ধৰি বহু গণ্যমান্য ব্যক্তি অংশগ্ৰহণ কৰে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সামাজিক মাধ্যম এক্সযোগে এই প্ৰসংগত উল্লেখ কৰে যে ৰাজ্যপাল মহোদয়ৰ উদ্বোধনী ভাষণ আৰু উপস্থিতিয়ে খেলুৱৈসকলৰ উৎসাহ বৃদ্ধি কৰিছে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰম্ভ কৰা 'খেল মহাৰণ'ৰ দৰে পদক্ষেপে ক্ৰীড়াত অংশগ্ৰহণক অধিক উৎসাহিত কৰি সমগ্ৰ অসমত এক জীৱন্ত ক্ৰীড়া সংস্কৃতি গঢ়ি তোলাত সহায় কৰিছে। মন্ত্ৰীগৰাকীয়ে সকলো প্ৰতিযোগী এথলেটলৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আশা প্ৰকাশ কৰে যে এই চেম্পিয়নশ্বিপে উদীয়মান প্ৰতিভাসকলক নিজৰ দক্ষতা প্ৰদৰ্শন কৰাৰ লগতে উচ্চ পৰ্যায়ৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ বাবে এক উপযুক্ত মঞ্চ প্ৰদান কৰিব। অনুষ্ঠানত অসম এথলেটিকছ এছ'চিয়েশ্যন, নলবাৰী জিলা ক্ৰীড়া সন্থা আৰু জিলা প্ৰশাসনৰ বিষয়াসকলও উপস্থিত থাকে। খেলুৱৈ, প্ৰশিক্ষক আৰু ক্ৰীড়াপ্ৰেমীসকলৰ উপস্থিতিত এই অনুষ্ঠান সম্পন্ন হয়।

## উজনি অসমত বানাক্ৰান্তক উদ্ধাৰ

'অপাৰেচন জল ৰাহট'ৰ জৰিয়তে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সেনাই চলাইছে এক বৃহৎ মানৱীয় সাহায্য আৰু উদ্ধাৰ অভিযান। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে, স্পিয়াৰ কৰ্পছৰ অন্তৰ্গত ৰেড শ্বিল্ড ডিভিজনে এই সাহায্য অভিযানৰ সম্পূৰ্ণ দায়িত্ব লৈছে। বৰ্তমানো ক্ষতিগ্ৰস্ত অঞ্চলসমূহত সেনাৰ চাৰিটা বিশেষ উদ্ধাৰকাৰী দল মোতায়েন হৈ আছে। যোগাযোগ বিচ্ছিন্ন হৈ পৰা বানাক্ৰান্ত গাঁওসমূহলৈ খাদ্য সামগ্ৰী, বিশুদ্ধ খোৱাপানী আৰু জৰুৰীকালীন ঔষধ কঢ়িয়াই নিয়াৰ কাম নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰাখিছে সেনাৰ জোৱানসকলে। ইফালে, বান পৰিস্থিতিৰ ওপৰত অহৰ্নিশে নজৰ ৰাখিবলৈ আৰ্মী এভিয়েশ্যনৰ হেলিকপ্টাৰে আকাশমাৰ্গৰ পৰা পৰিদৰ্শন চলাইছে। ইয়াৰ সমান্তৰালকৈ সেনাৰ অভিযান্ত্ৰিক (ইঞ্জিনিয়াৰিং) দলসমূহে ভাঙি যোৱা যোগাযোগ ব্যৱস্থা পুনৰ নিৰ্মাণ আৰু অসামৰিক প্ৰশাসনক সকলো প্ৰকাৰৰ কাৰিকৰী সহায় আগবঢ়াই আহিছে। এতিয়ালৈকে লাভ কৰা পৰিসংখ্যা অনুসৰি ৰ, ০০০ গৰাকীতকৈ অধিক লোকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ লগতে ২০০ জনৰো অধিক বানপীড়িতক জৰুৰী চিকিৎসা প্ৰদান কৰা হৈছে। তদুপৰি প্ৰয়োজনীয় অঞ্চলত খাদ্যৰ পেকেট আৰু খোৱাপানীৰ বটল বিতৰণ কৰিছে সেনাবাহিনীৰ জোৱানে। ৰাজ্যৰ অসামৰিক প্ৰশাসন, ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী (NDRF) আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী (SDRF) ৰ সহযোগত এই উদ্ধাৰ অভিযান চলোৱা হৈছে। সেনাই স্পষ্ট কৰি দিছে যে উজনি অসমৰ বানাক্ৰান্ত অঞ্চলসমূহত পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক নোহোৱালৈকে এই সাহায্য অভিযান অব্যাহত থাকিব। প্ৰতিগৰাকী দুৰ্দশাগ্ৰস্ত লোকৰ কাষত থিয় দি সেনাই দেখুওৱা এই তৎপৰতাই এতিয়া বানাক্ৰান্তৰ মাজত ব্যাপক সন্তুষ্টি আৰু আস্থা আনি দিছে।

### নগাঁও জিলাত শোভাযাত্ৰা, পথ অৱৰোধ নিষিদ্ধ

## ছাত্ৰ-ছাত্ৰীক বিশৃংখলতাৰ সৃষ্টি নকৰিবলৈ জিলা আয়ুক্তৰ আহ্বান

**অসম বাৰ্তা, পুৰণিগুদাম, ২৪ জুলাই ঃ** নগাঁও জিলাত প্ৰশাসনৰ বিনা অনুমতিত কোনো ধৰ্ণা, শোভাযাত্ৰা, পথ-অৱৰোধ আদি কাৰ্যসূচীৰ ৰূপায়ণত নিষেধাজ্ঞা আৰোপ কৰি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কালি সন্ধিয়া জাৰী কৰা এই সম্পৰ্কীয় এক নিৰ্দেশনা অনুসৰি জিলাখনৰ আইন-শৃংখলা ৰক্ষা, জনসাধাৰণৰ নিৰাপত্তা আৰু সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। সেই অনুসৰি ৰাজহুৱা স্থানত, বাট-পথত প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে এনে প্ৰতিবাদী কাৰ্যসূচী কোনেও গ্ৰহণ কৰিব নোৱাৰিব। ইয়াৰ অন্যথা আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশটোত কোৱা হৈছে। ইফালে দিনৰ ভাগত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই এটা ভিডিঅ' বাৰ্তাও প্ৰচাৰ কৰি জিলাখনৰ ছাত্ৰ সমাজক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা এনে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিবলৈ আৰু অধ্যয়নত মনোনিবেশ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, কালি পুৱাৰ ভাগত পইটোচোৰা দলৰ সমৰ্থনত একাংশ লোকে হঠাতে ৰাষ্ট্ৰীয় ঘাইপথত বিক্ষোভ প্ৰদৰ্শন কৰাৰ ফলত আকস্মিকভাৱে সৃষ্টি হোৱা যান-জঁট তথা বিশৃংখল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে এনে পদক্ষেপ গ্ৰহণ কৰা দৃষ্টিগোচৰ হয়।